গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

একাদশ বছৰ ■ সংখ্যা ৯৮ ■ গুৱাহাটী ■ শুকুৰবাৰ, ১৩ নৱেম্বৰ, ২০২০, ২৭ কাতি, ১৯৪২ শক ■ RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মুঠ পৃষ্ঠা =১২ ■ মূল্য ঃ ৭.০০ টকা

VOL. 11 ISSUE NO. 98 Dainandin Barta ■ Guwahati, Friday ■ 13 November 2020 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 7.00 Only







কৰ'না মহামাৰীয়ে আওপকীয়াকৈ পৰিষ্কাৰ পৰিবেশক পুৰা-সন্ধিয়া কুঁৱলীৰ চাদৰে আবৰি সংগোপনে আনিলে শীতৰ হিমচেঁচা অনুভৱ। সমান্তৰালকৈ শীতৰ আলহী পৰিভ্ৰমী পখীও আহিলে অসমৰ বিল-জলাশয়লৈ... পবিতৰা অভয়াৰণ্যলৈ দূৰ দূৰণি তথা বিদেশী পখীটিয়েও আহি ভিৰ কৰাৰ ছবি

## প্ৰকৃততে পথ দুৰ্ঘটনা নে পৰিকল্পিত হত্যা— সাংবাদিক পৰাগ ভূঞাৰ মৃত্যু

**কাকপথাৰত শোকৰ ছাঁ, দল-সংগঠনৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি, মৃতদেহ লৈ সমদল**

**জ্যেষ্ঠ সাংবাদিক পৰাগ ভূঞাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ ঃ মুখ্যমন্ত্ৰীৰ নিৰ্দেশত তৎপৰতাৰে আৰক্ষীৰ ব্যৱস্থা গ্ৰহণ ঃ দুৰ্ঘটনা সংঘটিত কৰা বাহনৰ চালক-হেণ্ডিমেন কৰায়ত্ত, বাহন জব্দ**



**জ্যেষ্ঠ সাংবাদিক পৰাগ ভূঞাৰ মৃত্যুৰ তদন্তৰ ভাৰ চি আই ডিক অৰ্পণ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিৰাক সীমান্ত, ১২ নৱেম্বৰ ঃ** যোৱানিশা প্ৰায় ৮.৩০ মান বজাত তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ উপ-সভাপতি তথা কাকপথাৰ প্ৰেছ ক্লাবৰ সভাপতি পৰাগ ভূঞা (৫২) এক পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হয়। সাংবাদিকজনে নিজৰ ব্যৱসায় প্ৰতিষ্ঠান বন্ধ কৰি ৰাজপথৰ দাঁতিৰে ঘৰৰ সমীপৰ এখন

■ ২ পৃষ্ঠাত



**পত্নীৰ কেন্সাৰ-দুই সন্তানসহ থাকে বাংলাদেশত**


## কঠিন পৰিস্থিতিত আত্মসমৰ্পণ কৰিছে দৃষ্টি ৰাজখোৱাই

**আলফা নেতা পৰেশ বৰুৱাই ল'লে শলাগ**




**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১২ নৱেম্বৰ ঃ** মেঘালয়ৰ অতি ভিতৰুৱা অঞ্চলত সেনা-আৰক্ষীৰ কঠোৰ অভিযানৰ সন্মুখত অসহায় হৈ পৰিছিল দৃষ্টি ৰাজখোৱা ওৰফে মনোজ ৰাভা। দক্ষিণ গাৰো হিল অঞ্চলৰ বলবগী গাঁৱত আত্মগোপন কৰি থকা অৱস্থাত গোপন সূত্ৰৰ ভিত্তিত মেঘালয় আৰক্ষীয়ে চলাইছিল অভিযান। ফলত গুলীয়াগুলী, আক্ৰমণ-প্ৰত্যাক্ৰমণৰ দৰে ঘটনাও সংঘটিত হৈছিল। যোৱা ২০ অক্টোবৰৰ পৰা মেঘালয়ত আত্মগোপন কৰি থকা দৃষ্টি ৰাজখোৱাই পলায়নৰ সকলো চেষ্টা চলাইছিল যদিও সফল নহ'ল। সেয়েহে সংগঠনৰ নিৰ্দেশতে তেওঁ আত্মসমৰ্পণ

■ ৮ পৃষ্ঠাত




**বাৰ্তাৰ অতিথিৰ কলম** ■ কুমুদ তালুকদাৰ



## আন্ধাৰৰ বিৰুদ্ধে পোহৰৰ বিজয়

২০২০ বৰ্ষতো মানৱ জাতিৰ বাবে এটি অভিশপ্ত বছৰৰূপে সদায় চিহ্নিত হৈ থাকিব। কৰ'না ভাইৰাছৰ অতিমহামাৰী আৰু আতংকময় পৰিবেশে জীৱশ্ৰেষ্ঠ মানৱক ত্ৰাহি মধুসূদন সোঁৱৰাবলৈ বাধ্য কৰালে। সভ্যতাৰ উচ্চ শিখৰত আৰোহন কৰি জন্ম, মৃত্যুক নিজৰ অধীনলৈ আনিব বিচৰা মানৱ সমাজে কৰ'না ভাইৰাছৰ ওচৰত সহজ আত্মসমৰ্পন কৰাৰ কাহিনী ইতিহাসত সদায় লিপিবদ্ধ হৈ থাকিব। বিজ্ঞান, প্ৰযুক্তি, চিকিৎসা বিজ্ঞান আদিয়ে কৰ'নাৰ ওচৰত হাৰ মানিবলগীয়া হোৱাটোৱে বিশেষ তাৎপৰ্য বহন কৰিছে। বিজ্ঞান-প্ৰযুক্তিৰ উন্নয়নৰ জৰিয়তে অন্যগ্ৰহত

■ ৮ পৃষ্ঠাত

## ২২ নৱেম্বৰত আকৌ এছ আই বাছনি পৰীক্ষা

**খেলিমেলিৰ অভিযোগ পালেই টোল ফ্ৰী নম্বৰলৈ ফোন কৰিবলৈ আহ্বান**

# ১৮০০২১২০০৫৫৯৯

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১২ নৱেম্বৰ ঃ** অসম আৰক্ষীৰ বহু বিতৰ্কিত এছ আই বাচনি পৰীক্ষাৰ লিখিত পৰীক্ষাসমূহ অহা ২২ নৱেম্বৰ দেওবাৰে অনুষ্ঠিত হ'ব। এই সম্পৰ্কত আবেদনকাৰীসকলক ইতিমধ্যে এডমিট কাৰ্ডৰ জৰিয়তে পৰীক্ষাৰ সময়, গাইড লাইন, পৰীক্ষা কেন্দ্ৰ আদিৰ বিষয়ে অৱগত কৰা হৈছে। দুঘণ্টাৰ বাবে অনুষ্ঠিত হ'বলগা লিখিত পৰীক্ষা সম্পৰ্কত প্ৰয়োজনীয় নথি-পত্ৰ অহা ১৬ নৱেম্বৰৰ পৰা নিৰ্দিষ্ট ৱেব ছাইটৰ পৰা ডাউনলোড

■ ৮ পৃষ্ঠাত

## বিশিষ্ট চিত্ৰশিল্পী, কাৰ্টুনিষ্ট ত্ৰৈলোক্য দত্তৰ বিয়োগ

**মুখ্যমন্ত্ৰীৰ শোক**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১২ নৱেম্বৰ ঃ** বিশিষ্ট চিত্ৰশিল্পী, কাৰ্টুনিষ্ট ত্ৰৈলোক্য দত্তৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে

■ ৮ পৃষ্ঠাত




**ৰাজ্যৰ আৰক্ষী ব্যৱস্থাত এক নৱতম সংযোজন**

## অসম আৰক্ষীৰ ই-চালানৰ ব্যৱস্থা


**দৈনন্দিন বাৰ্তাৰ সেৱা, ১২ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত

■ ৮ পৃষ্ঠাত

## বলীউডৰ অভিনেতা আছিফ বাছৰাৰ আত্মহত্যা

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১২ নৱেম্বৰ ঃ** বলিউডৰ পৰিচিত আৰু প্ৰতিষ্ঠিত অভিনেতা আছিফ বাছৰাই আজি আত্মহত্যা কৰে। হিমাচল প্ৰদেশৰ কাংৰা জিলাৰ এখন ধৰমশালাত তেওঁৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। আজি দিনৰ ভাগত যোগীবাৰা পথৰ কাষতে থকা উক্ত ধৰমশালাখনৰ এটা কোঠাত

■ ৮ পৃষ্ঠাত



## ৩০ ডিচেম্বৰৰ পৰা অসম প্ৰকাশন পৰিষদৰ 'গুৱাহাটী গ্ৰন্থমেলা'

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১২ নৱেম্বৰ ঃ** অসম প্ৰকাশন পৰিষদৰ ৩৩তম গুৱাহাটী গ্ৰন্থমেলা ৩০ ডিচেম্বৰৰ পৰা ১০ জানুৱাৰীলৈ বাৰদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে চানমাৰিস্থিত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ক'ভিড-১৯ অতিমাৰীৰ ভয়াৱহতাৰ প্ৰতি লক্ষ্য ৰাখি সকলো

■ ৮ পৃষ্ঠাত

**আজি কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ কাৰ্যসূচী লৈ বঙাইগাঁৱলৈ মুখ্যমন্ত্ৰী**

**আধাৰশিলাতে দায়িত্ব সামৰা ইঞ্জিনিয়াৰিং কলেজৰ বিষয় লৈ মুখ্যমন্ত্ৰী-যোগানমন্ত্ৰীক তীব্ৰ সমালোচনা কংগ্ৰেছৰ**

## আধাৰশিলাৰ নামত আধাৰশিলা স্থাপন আৰু ৰাজনীতি কৰিবলৈহে আহিব ঃ ৰায়



**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১২ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কাইলৈ বঙাইগাঁৱত কোচ ৰাজবংশী সংগ্ৰহালয়, বঙাইগাঁও ইক' পাৰ্কৰ আধুনিকীকৰণ আৰু একুৰিয়াম স্থাপন, বিসৰ্জন ঘাটৰ সৌন্দৰ্যবৰ্ধন, বঙাইগাঁও বাছ আস্থান, ক্লক টাৱাৰকে আদি কৰি কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিবলৈ আহিব। এনে সময়তে আজি বঙাইগাঁও জিলা কংগ্ৰেছৰ

■ ৮ পৃষ্ঠাত



## জলসম্পদ বিভাগৰ দ্বাৰা ৰূপায়িত খহনীয়া প্ৰতিৰোধী আঁচনিৰ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১২ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত এক বৈঠকত ৰাজ্যৰ জলসম্পদ বিভাগৰ খহনীয়া প্ৰতিৰোধ সম্পৰ্কীয়

■ ৮ পৃষ্ঠাত




**জ্যোতি সংগীতৰ অনলাইন প্ৰশিক্ষণ ঃ নাটক-গীত-কবিতা-চিত্ৰ ভাস্কৰ্য শিল্পৰ 'জলছা'ৰে মুখৰিত হ'ব পকীৰ চোতাল ঃ দেশ-বিদেশৰ আগ্ৰহীয়ে শুদ্ধ ৰূপত শিকিব পাৰিব জ্যোতি সংগীত**

## পুনৰ প্ৰাণ পাই উঠিব ৰূপকোঁৱৰৰ পৈতৃক গৃহ 'পকী'



**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১২ নৱেম্বৰ ঃ** অসমৰ সাহিত্য-সংস্কৃতি ক্ষেত্ৰখনৰ পুৰোধা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতি বিজৰিত তথা তেজপুৰ চহৰৰ মাজ মজিয়াত অৱস্থিত ঐতিহ্যমণ্ডিত 'পকী'ক পুনৰ উজলাই তোলাৰ প্ৰয়াস কৰা হৈছে। মহান শিল্পীগৰাকীৰ সাংস্কৃতিক পৰিক্ৰমাৰ মূল কেন্দ্ৰস্বৰূপ পৈতৃক গৃহ পকীৰ চৌহদ সম্প্ৰতি জ্যোতি ভাৰতী হিচাপে পৰিচিত

■ ৮ পৃষ্ঠাত



জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

১৩ নৱেম্বৰ, ২০২০ শুকুৰবাৰ, গুৱাহাটী ২৭ কাতি ১৯৪২ শক



অসম দৰ্শন আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ শুভাৰম্ভণি অনুষ্ঠান

## ৩৭৭ খন ধৰ্মানুষ্ঠানলৈ আৰ্থিক অনুদান প্ৰদান মুখ্যমন্ত্ৰীৰ




**দৈনন্দিন বাৰ্তাৰ সেৱা, ১২ নৱেম্বৰ ঃ** 'গুৰুজনাৰ নামেৰে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ গঢ় লৈ উঠিছে। এই কলাক্ষেত্ৰক অধিক সুন্দৰ ৰূপত গঢ় দিব বিচাৰে ৰাজ্য চৰকাৰে। ৰাজ্য চৰকাৰে ৫০ বছৰ অতিক্ৰম কৰা ৮ হাজাৰ নামঘৰলৈ ২.৫ লাখ টকা আগবঢ়োৱা সিদ্ধান্ত গ্ৰহণ কৰিছে। 'অসম দৰ্শন' আঁচনিৰ অধীনত ১০ লাখ টকা লাভ কৰা আধ্যাত্মিক অনুষ্ঠানসমূহে ভাল কৈ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰিলে পৰৱৰ্তী পৰ্যায়ত ১৫ লাখ টকাকৈ লাভ কৰিব।' আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত ৰাজ্যখনৰ ৩৭৭ খন ধৰ্মানুষ্ঠানৰ আধ্যাত্মিক মূৰব্বীসকলৰ উপস্থিতিত 'অসম দৰ্শন' আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ শুভাৰম্ভণি উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসমৰ আধ্যাত্মিক-সাংস্কৃতিক ভেটি অতি শক্তিশালী। অসমৰ আধ্যাত্মিক অনুষ্ঠানসমূহ এনেদৰে নিৰ্মাণ কৰিব লাগিব যাতে দেশ-বিদেশৰ পৰ্যটকসকলে মানৱতা, সমন্বয়, ভাতৃত্ববোধ, মানৱীয় অনুভূতি প্ৰত্যক্ষ কৰিবলৈ সক্ষম হয়। যিবোৰ জাতি সাংস্কৃতিক আৰু আধ্যাত্মিকভাৱে শক্তিশালী তেওঁলোকৰ বৌদ্ধিক দিশো শক্তিশালী। তেনে এখন অসম গঢ়াৰ বাবে ৰাজ্য চৰকাৰে 'অসম দৰ্শন' আঁচনি আৰম্ভ কৰিছে। তেওঁ কয় যে গুৰুসকলে কঠোৰ সাধনা আৰু তপস্যাৰ জৰিয়তে মানৱীয় তত্ত্ব আৱিষ্কাৰ কৰি গৈছে। গুৰুসকলে আমাক জীৱনৰ বাণী দিছে। সেই বাণী নিষ্ঠাৰে পালন কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতিটো ধৰ্মই সমন্বয়ৰ কথা কয়। ঐক্যৱদ্ধ সমাজ নিৰ্মাণৰ আহ্বান জনায়। ধৰ্মৰ সেই অৰ্থ আমি মূল্যাংকন কৰিব লাগিব। ধৰ্মই বিভাজন নকৰে। সমন্বয়ৰ পৰিৱেশ নিৰ্মাণ কৰে। কৰ্ম সংস্কৃতিৰ জৰিয়তে আগুৱাই যোৱাৰ কথা প্ৰতিটো ধৰ্মৰ মাজত বিচাৰি পোৱা যায় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে শ্ৰীকৃষ্ণই অৰ্জুনক দিয়া আহ্বান, আব্দুল কালামৰ কৰ্ম দৰ্শনৰ বিষয়ে কয়। মহান মনীষীসকলে কঠোৰ পৰিশ্ৰমৰ জৰিয়তে সভ্যতা প্ৰতিষ্ঠা কৰিছে। কৰ্ম সংস্কৃতিৰজৰিয়তে উৎপাদন বৃদ্ধি কৰি আত্মনিৰ্ভৰশীল হ'ব লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আত্মসন্মানৰ বাবে আত্মনিৰ্ভৰশীলতাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ধৰ্ম আৰু সংস্কৃতিয়ে কৰ্ম চেতনা প্ৰদান কৰে। মহাপুৰুষ শংকৰদেৱে আমাৰ সন্মুখত তাৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে আধ্যাত্মিক স্থানসমূহ সুন্দৰভাৱ সংৰক্ষণ কৰিব লাগিব যাতে দেশী-বিদেশী পৰ্যটক সমূহে অসমৰ আধ্যাত্মিক জনজীৱনৰ শক্তি উপলব্ধি কৰিব পাৰে। সভাত ভাষণ প্ৰদান কৰি ৰূপান্তৰ আৰু উন্নয়ন, বিত্ত, স্বাস্থ্য ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ২০১৯-২০ বৰ্ষৰ বাজেটত অসমৰ ধৰ্মীয় অনুষ্ঠানসমূহৰ আন্তঃগাঁথনি পৰ্যায়ক্ৰমে শক্তিশালী কৰাৰ বাবে 'অসম দৰ্শন' আঁচনি গ্ৰহণ কৰে। ৯১৫ খন সকলো ধৰ্মকে সামৰি লোৱা ধৰ্মীয় অনুষ্ঠানসমূহ 'অসম দৰ্শন' আঁচনিত সামৰি লোৱা হৈছিল। ১০ লাখ টকাকৈ আৰ্থিক অনুদান আগবঢ়োৱাৰ লগতে ধৰ্মীয় অনুষ্ঠানসমূহলৈ যোৱা পথৰো উন্নয়ন সাধন কৰা হয়। আজি যি ৩৭৭ খন আধ্যাত্মিক অনুষ্ঠানলৈ ধন আগবঢ়োৱা হৈছে ইয়াৰ বাবদ ৩৭.৭ কোটি টকা ইতিমধ্যে মুকলি কৰি দিয়া হৈছে। বহুমুখী আৰু সাংস্কৃতিক সত্বাই আমাৰ পৰিচয়। ইয়ে সমন্বয়ৰ অসম এখন নিৰ্মাণ কৰিছে। বিভিন্ন ধৰ্মানুষ্ঠানৰ অৱস্থানে সমন্বয়ৰ সাঁকো গঢ়ি তুলিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে সহিষ্ণুতা, তপস্যা, শ্ৰদ্ধা হ'ল জাতীয় জীৱনৰ কেন্দ্ৰবিন্দু। তেওঁ কয় যে কিছু বছৰৰ পৰা অসহিষ্ণুতা বাঢ়িছে। সেইবাবে জাতীয় জীৱনলৈ অহা পৰিৱৰ্তন লক্ষ্য ৰাখিব লাগিব। শংকৰদেৱ কলাক্ষেত্ৰক লৈ হোৱা বিতৰ্ক প্ৰাচীন সভ্যতা সংস্কৃতিৰ পৰিচয় নহয়। সত্ৰৰ মাটি বেদখলে সমাজ জীৱনত প্ৰতিকূল প্ৰভাৱ পেলায়। 'অসম দৰ্শন' আঁচনিৰ জৰিয়তে এক মিলনৰ পৰিৱেশ গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে। বৈচিত্ৰতাৰ মাজত ঐক্য এয়া আমাৰ ঐক্যতান বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে অসম চৰকাৰে বৈচিত্ৰতাক সন্মান কৰে। সহনশীলনতা সকলো ধৰ্মৰে বৈশিষ্ট্য, জাতিৰ মহামন্ত্ৰ। ভিন্নতাৰ মাজত একতা প্ৰদৰ্শনে 'অসম দৰ্শন' আঁচনিৰ অন্যতম লক্ষ্য বুলিও তেওঁ কয়। অনুষ্ঠানত প্ৰত্নতত্ত্ব, জলসম্পদ ইত্যাদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কয় যে অসম চুক্তিৰ ৬ নং দফা অনুসৰি অসমৰ আধ্যাত্মিক অনুষ্ঠানসমূহ সংৰক্ষণৰ বাবে আইন প্ৰণয়ন কৰা হৈছে। ৰাজ্য চৰকাৰে সমাজত সমন্বয় আৰু আধ্যাত্মিকতা শক্তিশালী কৰাৰ বাবে 'অসম দৰ্শন' আঁচনি আৰম্ভ কৰিছে। আজিৰ এই অনুষ্ঠানতে 'অসম দৰ্শন' আঁচনিৰ অধীনত অসম বিভিন্ন আধ্যাত্মিক অনুষ্ঠানলৈ আৰ্থিক অনুদান আগবঢ়োৱা হয়। ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ প্ৰধান সচিব ড° জে বি এক্কাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত বিত্ত বিভাগৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, শীৰ্ষ বিষয়াসকল আৰু ৰাজ্যৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠানৰ পৰা অহা মূৰব্বীসকল উপস্থিত থাকে।

## বৰছলাৰ অৰিয়াণ্টলীত দুকুৰিৰো অধিক কৃতী ছাত্ৰ-ছাত্ৰীক পৰীক্ষাকেন্দ্ৰৰ উদ্যোগত অভিনন্দন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১২ নৱেম্বৰ ঃ** বৰছলা বিধান সভা সমষ্টিৰ অৰিয়াণ্টলী উচ্চ মাধ্যমিক বিদ্যালয়ৰ আমন্ত্ৰণমৰ্মে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ চিৰাজুলি কেন্দ্ৰৰ উদ্যোগত ৯ নৱেম্বৰত অৰিয়াণ্টলী হাইস্কুল প্ৰাংগণত কৃতি ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপণৰ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান সম্পন্ন হয় । বিগত বৰ্ষৰ দৰে এইবেলিও আয়োজিত এই শিক্ষামূলক অনুষ্ঠানত ২০২০ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত চিৰাজুলি কেন্দ্ৰৰ অন্তৰ্গত চিৰাজুলি হাইস্কুল,মাজৰৌমাৰী হাইস্কুল,শ্বহীদ দ্বীজেন ভূএগ্ৰা হাইস্কুল,অৰিয়াণ্টলী হাইস্কুল,ডুমডুমা বিদ্যাপীঠ হাইস্কুল,চিৰাজুলি লুইত জাতীয় বিদ্যালয়,চিৰাজুলি নিউ হ'ৰাইজন ইংলিচ স্কুল, মাজৰৌমাৰী শংকৰদেৱ শিশু নিকেতন আদি শিক্ষানুষ্ঠানৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ কৃতিত্ব অৰ্জন কৰা দুকুৰিৰো অধিক পৰীক্ষাৰ্থীক ফুলাম গামোছা,গ্ৰন্থ,কলম আৰু প্ৰশংসা পত্ৰৰে অভিনন্দিত কৰা হয় । সেই উপলক্ষে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ চিৰাজুলি কেন্দ্ৰৰ সভাপতি তথা অৱসৰী শিক্ষক নগেন চন্দ্ৰ বৈশ্যই সভাপতিত্ব আৰু কেন্দ্ৰাধ্যক্ষ তথা শ্বহীদ দ্বীজেন ভূএগ্ৰা হাইস্কুলৰ প্ৰধান শিক্ষক গোলোক বৰাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত মুখ্য অতিথি হিচাবে অংশগ্ৰহণ কৰি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি তথা অৰিয়াণ্টলী হাইস্কুল পৰিচালনা সমিতিৰ সভাপতি ৰাণা প্ৰতাপ বৰুৱাই মনোগ্ৰাহী ভাষণ দাঙি ধৰি বিদ্যাৰ্থীসকলে শৈক্ষিক অগ্ৰগতিৰে ডাঙৰ মানুহ হোৱাৰ পাছত মা,মাতৃভাষা,মাতৃভূমি আৰু মানুহৰ প্ৰতি তেওঁলোকে সদায় সন্মান প্ৰদৰ্শন তথা এইচাৰিটা 'ম'ক কদাপি পাহৰি নাযাবলৈ আহবান জনায় । অৰিয়াণ্টলী হাইস্কুলৰ বিদ্যাৰ্থীয়ে পৰিৱেশন কৰা সমবেত সংগীতেৰে শুভাৰম্ভ ঘটোৱা সভাখনত পৰীক্ষা কেন্দ্ৰৰ সভাপতি নগেন চন্দ্ৰ বৈশ্য, চিৰাজুলি হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী গীতাৱলী ডেকা,প্ৰাক্তন শিক্ষক-লেখক আৰু সমাজকৰ্মী মাথুৰাম গোড় আৰু কৃতি শিক্ষক ধ্ৰুৱজ্যোতি কাকতিয়ে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদানৰ লগতে কেন্দ্ৰাধ্যক্ষ গোলোক বৰাই ২০২০ বৰ্ষত কেন্দ্ৰটোৰ মেট্ৰিক পৰীক্ষাৰ ফলাফলৰ ওপৰত সম্যক তথ্য আগবঢ়ায় । দাঙি ধৰি কয় যে সৰ্বমুঠ ৬০৯ গৰাকী পৰীক্ষাৰ্থীয়ে মেট্ৰিকত অৱতীৰ্ণ হৈছিল আৰু ইয়াৰ ভিতৰত উত্তীৰ্ণ হোৱা ৪০০ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ৩৯ গৰাকীয়ে প্ৰথম বিভাগ,৯২ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ২৬৯ গৰাকীয়ে তৃতীয় বিভাগ লাভ কৰাৰ লগতে ১০ গৰাকীয়ে ডিষ্টিংচন আৰু ৮ গৰাকী ষ্টাৰমাৰ্কসহ উত্তীৰ্ণ হৈছিল । অৰিয়াণ্টলী হাইস্কুলৰ প্ৰধান শিক্ষক বিশ্বজিৎ পালে আদৰণি আৰু শলাগনি ভাষণ তথা শিক্ষক পোনাকান্ত বৰাই আঁতধৰা সভাখনত অৱসৰী শিক্ষক নজৰুল ইছলাম, ৰেৱতী মোহন দাস, ৰাজেন্দ্ৰ কুমাৰ নাথ,সমাজকৰ্মী নবাহৰ আলি, অৱসৰী শিক্ষক-লেখক ৰবীন তাঁতী, মাজৰৌমাৰী হাইস্কুলৰ প্ৰধান শিক্ষক প্ৰনৱ বৈশ্য,জেষ্ঠ সাংবাদিক-লেখক-শিল্পী সুজিৎ কটকী,তেজপুৰ যুৱ-ছাত্ৰ পৰিষদৰ যুটীয়া সম্পাদক ধৰণী কেওঁট আৰু ক্ৰীড়া সম্পাদক জয়নাল আবেদিন,আলিমাবাদ এম ই মাদ্ৰাছাৰ প্ৰধান শিক্ষক সঞ্জয় কুমাৰ দাস, লুইত জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী দিপ্তী মেধি,শংকৰ-মাধৱ জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষক আইজুল ইছলাম,নিউ হ'ৰাইজন ইংলিছ স্কুলৰ প্ৰধান শিক্ষক দ্বিজেন দৈমাৰী,যুৱনেতা উমেশ দাস,আৰিফ হুছেইন আৰু চামচুল হক, শিক্ষক সত্য কলিতা,মিলিক নাথ আৰু কনক চন্দ্ৰ নাথকে ধৰি দুই শতাধিক শিক্ষানুৰাগী ৰাইজ উপস্থিত থাকে আৰু এই সভাখনতে শিক্ষক সত্য কলিতাই ২০২০ বৰ্ষৰ মেট্ৰিকত পৰীক্ষা কেন্দ্ৰটোৰ ভিতৰত গণিতত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত হৃষীকেশ ৰাজবংশী আৰু বনদ্বীপ ভট্টক কিতাপৰ টোপোলাৰে আৰু অৱসৰী শিক্ষক নজৰুল ইছলামে আন এগৰাকী কৃতি ছাত্ৰক নগদ ধনৰে পুৰস্কৃত কৰাৰ উপৰি উক্ত সভাতে জাতীয়তাবাদী নেতা ৰাণা প্ৰতাপ বৰুৱাই অহা বৰ্ষৰ পৰা তেওঁৰ সদ্যপ্ৰয়াত পিতৃ প্ৰসন্ন সূতৰ স্মৃতিত অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত পৰীক্ষাৰ্থীগৰাকীক প্ৰতিবছৰে দুহেজাৰ টকাৰ নগদ মাননিৰে অভিনন্দিত কৰিব বুলি ঘোষণা কৰে । সিফালে একেখন সভাতে অৰিয়াণ্টলী হাইস্কুলে যোৱা বছৰবোৰৰ দৰে এইবাৰো উক্ত বিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ ৭৪ গৰাকী ছাত্ৰ-ছাত্ৰীকে অভিনন্দন জনায় ।

## শিৱসাগৰৰ বকতাত জুৱাৰ ঘাটি উচ্ছেদ

**দৈনন্দিন বাৰ্তাৰ সেৱা , বকতা, ১২ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ বকতা বিভিন্ন স্হানত দীৰ্ঘদিনৰ পৰা চলি থকা চুলাই ভাতি আৰু জুৱাৰ বিৰুদ্ধে নেমুগুৰি আৰক্ষীয়ে হাতত লোৱা দৃঢ় পদক্ষেপৰ অংশ হিচাপে বউধবাৰে নিশা বকতা ঢেকেৰিছিগা অঞ্চলত থকা এখন ধাবাত চলি থকা জুৱাখেলৰ এক বৃহৎ আড্ডা উচ্ছেদ কৰে। বকতা নেমুগুৰি থানাৰ নৱ নিযুক্ত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া তপন তালুদাৰৰ তৎপৰতাত যোৱা আৰক্ষীয়ে জুৱাৰীৰ দলটোক পৃষ্ঠভংগ দিওৱাৰ লগতে অঞ্চলটোত অবৈধ কাৰ্যকলাপ বন্ধ কৰাৰ এনে পদক্ষেপক সকলোৱে আদৰণি জনাইছে।




*বিটিচিৰ ২৫ নং বাগানপাৰা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ সভাত বিজেপি নেতা তথা অভিনেতা যতীন বৰা আৰু বিধায়িকা আঙুৰলতা*

## মাটি যোগনীয়াৰ-ডাম্পাৰ চালকক সকীয়নি কালুগাঁৱৰ ৰাইজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ১২ নৱেম্বৰ ঃ** খৰালি আৰম্ভ হোৱা লগে লগেই নৱেম্বৰ মাহৰ পৰা শিৱসাগৰ জিলাৰ বিভিন্ন প্ৰান্তত ওখ টিলা, নদীৰ কাষৰ মাটি খান্দি মাটি যোগনীয়াৰ সকলে বিভিন্ন ঠাইত যোগান ধৰে। এই মাটি খননৰ ক্ষেত্ৰত বন বিভাগ আৰু চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পৰা প্ৰয়োজনীয় অনুমতি লৈ নিৰ্ধাৰিত নিয়ম মতেহে মাটি খনন কৰিব লাগে যদিও মাটি যোগনীয়াৰ সকলে সকলো নীতি-নিয়ম উলংঘা কৰি দুয়োটা বিভাগৰ একাংশ দুৰ্নীতিগ্ৰস্ত বিষয়া কৰ্মচাৰীক মেনেজ কৰি অবাধ হাৰত মাটি খনন কাৰ্য চলাই আহিছে। জিলাখনৰ আমগুৰি ৰাজহচক্ৰৰ অন্তৰ্গত শলগুৰি মৌজাত বহু মাটি যোগনীয়াৰে বিভিন্ন স্থানত বিশেষকৈ নামদাং নদীৰ দুয়ো কাষে অবাধে খনন কাৰ্য চলাই বনাঞ্চল ধ্বংস কৰি জৈৱ-বৈচিত্ৰৰ প্ৰতি তীব্ৰ ভাবুকি কঢ়িয়াই আনিছে। মৌজাটোৰ বাঁহবাৰী টিং অঞ্চলৰ নামদাং নদীৰ কাষত মাটি যোগনীয়াৰৰ এটা দলে মাটি খান্দি পুৱাৰে পৰা নিশা পৰ্যন্ত মাটি খান্দি বিভিন্ন ঠাইলৈ যোগান ধৰি আহিছে। এই মাটি যোগান ধৰা ডাম্পাৰ সমূহে খৰিকটীয়া আলি আৰু কিৰাই আলি সংযোগী পথৰে দৈনিক শ শ গাড়ী মাটি কঢ়িওৱাৰ ফলত অঞ্চলটো ধূলিময় পৰিৱেশৰ হৈ পৰাৰ লগতে যাতায়তৰ ক্ষেত্ৰতো যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিততে আজি স্থানীয় ৰাইজে সিদ্ধান্ত গ্ৰহণ কৰি মাটিৰ গৰাকী, যোগনীয়াৰ আৰু ডাম্পাৰ মালিক-চালক সকলক কেতবোৰ নীতি-নিৰ্দেশনা মানিবলৈ আহ্বান জনাই পত্ৰ প্ৰেৰণ কৰিছে। সেই অনুসৰি উক্ত পথেদি পুৱা ১০বজাৰ পৰা বিয়লি ৩ বজালৈকে ডাঙৰ ডাম্পাৰৰ পৰিৱৰ্তে সৰু ডাম্পাৰে ৩০ কিলোমিটাৰ বেগেৰে যাতায়ত কৰিব পাৰিব। ইয়াৰোপৰি প্ৰতিখন গাড়ী এক কিলোমিটাৰ দূৰত্বৰ ব্যৱধানত চলাচল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। ডাম্পাৰৰ মাটি যাতে পথৰ ওপৰত পৰি নাযায় তাৰ ব্যৱস্থা কৰিবলৈও মাটি যোগনীয়াৰ সকলক নিৰ্দেশ দিয়ে। ১২ নৱেম্বৰৰ পৰা উক্ত নিয়মসমূহ মানিবলৈ আহ্বান জনোৱা উক্ত নিৰ্দেশ অমান্য কৰিলে জিলা উপায়ুক্ত, চক্ৰ বিষয়া, বনসংমণ্ডল বিষয়া আৰু স্থানীয় আৰক্ষীক অৱগত কৰি বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে আবেদন জনাব বুলি স্থানীয় ৰাইজে সংবাদ মাধ্যমক জানিবলৈ দিছে। উল্লেখ্য যে তীব্ৰ গতিত ডাম্পাৰ চলোৱা চালকৰ মইমতালিৰ বাবে ব্যস্ততাপূৰ্ণ কালুগাঁও আমতল চাৰিআলি আৰু ইয়াৰ নিকটৱৰ্তী অঞ্চল সমূহত দুৰ্ঘটনাৰ আশংকা প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। পঞ্চায়তৰ আৱণ্টিত পুঁজিৰে নতুনকৈ নিমাৰ্ণ কৰা পেভাৰ ব্লকৰ পথ সমূহৰ ওপৰেদি জেচিবি-ডাম্পাৰ চলাৰ ফলত পথসমূহ অতি সোনকালে নষ্ট হোৱাৰ আশংকা প্ৰকাশ কৰিছে স্থানীয় জনসাধাৰণে।

PURBANCHAL STEEL LIMITED
Regd. Office : Parmeswar Building, 4th Floor, Gauhati- 781001
CIN : L27104AS1985PLC002441,
Email :purbanchalsteelltd@gmail.com, Website : www.purbanchalsteel.com
STATEMENT OF UN-AUDITED STANDALONE FINANCIAL RESULTS FOR THE QUARTER ENDED 30TH SEPT 2020
(₹ in Lacs)

| Sl. No. | PARTICULARS | 3 Months ended 30.09.2019 Un-Audited | Corresponding 3 Months ended 30.09.2019 Un-Audited | 6 Months ended 30.09.2020 Un-Audited | Year to date figures as on 31.03.2020 Audited |
|---|---|---|---|---|---|
| 1 | Total Income from Operations (Net) | — | — | — | — |
| 2 | Net Profit / (Loss) for the period (before Tax, Exceptional and/or Extraordinary items | (0.550) | (0.638) | (1.200) | (3.472) |
| 3 | Net Profit / (Loss) for the period before tax (after Exceptional and/or Extraordinary items | (0.550) | (0.638) | (1.200) | (3.472) |
| 4 | Net Profit / (Loss) for the period after tax (after Exceptional and/or Extraordinary items | (0.550) | (0.638) | (1.200) | (3.472) |
| 5 | Total Comprehensive Income for the period [Comprising Profit / (Loss) for the | | | | |
| 6 | Paid-up Equity Share Capital (Face Value of Re 10/- each) | 75.000 | 75.000 | 75.000 | 75.000 |
| 7 | Other Equity | | | | (7.101) |
| 8 | Earning Per Share (before Extra-Ordinary items) of Rs. 1/- each (for continuing and discontinued operations) | | | | |
| (i) | a) Basic | (0.073) | (0.085) | (0.160) | (0.463) |
| | b) Diluted | (0.073) | (0.085) | (0.160) | (0.463) |

NOTES :
1 The above is an extract of the detailed format of Standalone Un-Audited Financial Results for the quarter ended 30th Sept 2020 filed with the Stock Exchange/s under Regulation 33 of the SEBI LODR Regulations, 2015. The full format of the Un-Audited results for the Quarter ended 30th Sept 2020 is available on the Company website "www.purbanchalsteel.com" and on the Stock Exchange website i.e. www.cseindia.com.

For Purbanchal Steel Limited
Sd/-
Dhruva Narayan Jha
Managing Director

Place : Kolkata
Date : 12th November, 2020


## প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অভিপ্ৰায় পত্ৰ বিতৰণ

### গুৱাহাটী উন্নয়ন বিভাগৰ তিনিটা নতুন ছফ্‌টৱেৰ মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১২ নৱেম্বৰ ঃ** গুৱাহাটী উন্নয়ন বিভাগৰ কেবিনেট মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্যই আজি প্ৰধান মন্ত্ৰী আৱাস যোজনা (চহৰাঞ্চল)-ৰ অধীনত হিতাধিকাৰীসকলৰ মাজত আনুষ্ঠানিকভাৱে অভিপ্ৰায় পত্ৰ বিতৰণ কৰে। অনুষ্ঠানত মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে কয় যে আৰ্থিকভাৱে দুৰ্বল আৰু কেঁচা ঘৰ থকা পৰিয়ালসমূহলৈ দুই লাখ টকাৰ চৰকাৰী অনুদান প্ৰদানৰ প্ৰক্ৰিয়া অব্যাহত ৰখা হ'ব। মুঠ ৮৫০ গৰাকী স্বীকৃতপ্ৰাপ্ত হিতাধিকাৰীৰ ভিতৰত ১২৫ গৰাকীলৈ প্ৰথম পৰ্যায়ৰ অনুদান মুকলি কৰি দিয়া হৈছে। অৱশ্যে ক'ভিড বিধি মানি কেৱল ১৯ গৰাকীকহে অনুষ্ঠানত অভিপ্ৰায় পত্ৰ হাতত তুলি দিয়া হয়। মন্ত্ৰীগৰাকীয়ে অনুষ্ঠানটোত গুৱাহাটী পৌৰ নিগমৰ নিজা উদ্যোগত গঢ়ি তোলা তিনিটা ছফ্‌টৱেৰ মুকলি কৰে। এই ছফ্‌টৱেৰকেইটা হৈছে— Project Work & Management System, Vehicle Tracking System আৰু File Tracking System । উল্লেখযোগ্য যে Project Work & Management System ছফ্‌টৱেৰটোৰ জৰিয়তে জনসাধাৰণে হাতত থকা ম'বাইলটোৰেই গুৱাহাটী পৌৰ নিগমৰ অধীনত চলি থকা আৰু সমাপ্ত হোৱা বিভিন্ন প্ৰকল্প সম্পৰ্কে বিস্তৃতভাৱে জানিব পাৰিব। Vehicle Tracking System-ৰ জৰিয়তে জাবৰ নিষ্কাষণৰ বাবে নিয়োজিত বাহনসমূহে সঠিক অঞ্চলটোলৈ গৈ কাম কৰিছে নে নাই সেয়া বিষয়াসকলে কাৰ্যালয়ৰ পৰাই তদাৰক কৰিবলৈ সক্ষম হ'ব। এনেদৰে সচৰাচৰ জনসাধাৰণৰ পৰা অহা জাবৰ নিষ্কাষণ সম্বন্ধীয় অভিযোগবোৰ হ্ৰাস পাব বুলি আশা কৰা হৈছে। ইয়াৰোপৰি তৃতীয়টো ছফ্‌টৱেৰ File Tracking System-ৰ সহায়ত বিভাগৰ সকলোবোৰ নথি-পত্ৰৰ স্থিতি সম্পৰ্কীয় সবিশেষ ডিজিটেল মাধ্যমত উপলব্ধ হ'ব। বিভাগীয় মন্ত্ৰীগৰাকীয়ে লগতে কয় যে গুৱাহাটী মহানগৰীত শীঘ্ৰে বায়' টয়লেট স্থাপনৰ ব্যৱস্থা কৰাৰ উপৰি ষ্ট্ৰীটলাইটৰ সংখ্যা বৃদ্ধি কৰাৰ বাবেও উদ্যোগ লোৱা হ'ব। অভিপ্ৰায় পত্ৰ বিতৰণ অনুষ্ঠানটোত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব মনিন্দৰ সিং।

## ৰঙিয়া মহকুমা প্ৰশাসনৰ নীতি-নিৰ্দেশনাৰ বিৰোধিতাৰে ই-ৰিক্সা চালকৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তুলসীবাৰী, ১২** নৱেম্বৰঃ-ৰঙিয়া মহকুমা প্ৰশাসনে নগৰখনত ই-ৰিক্সা চলোৱাৰ ক্ষেত্ৰত কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰাৰ বিৰোধিতা কৰি চালক সকলে প্ৰতিবাদ সাব্যস্ত কৰে । আছু আৰু চিটুৰ সহযোগিতাত ৰূপায়িত প্ৰতিবাদী কাৰ্যসূচীত শতাধিক ই ৰিক্সা চালক উপস্থিত থাকে । উল্লেখ্য যে প্ৰশাসনে ৰঙিয়া নগৰৰ মুখ্য পথ সমূহেৰে পুৱা দহ বজাৰ পৰা আবেলি চাৰি বজালৈ ই-ৰিক্সা চলোৱাত নিষেধাজ্ঞা জাৰি কৰিছে । ইয়াকে লৈ বুধবাৰে নগৰখনৰ সহস্ৰাধিক ই-ৰিক্সা চালকে প্ৰতিবাদ সাব্যস্ত কৰে । প্ৰশাসনৰ এনে নিৰ্দেশনাৰ বাবে ই-ৰিক্সা চালক সকলৰ যথেষ্ট লোকচান হব বুলি প্ৰতিবাদকাৰী সকলে খেদ প্ৰকাশ কৰে । ই-ৰিক্সা চালক সকলৰ এনে গুৰুতৰ সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি এনে সিদ্ধান্ত বাতিল কৰিবলৈ প্ৰতিবাদকাৰী সকলে প্ৰশাসনক দাবী জনায় ।




## গৰুবাট মণ্ডল অনুসূচিত জনজাতি মৰ্চাৰ কাৰ্যনিৰ্বাহক সভা খ্ৰীষ্টান ধৰ্মাৱলম্বীক সমালোচনা বিধায়ক ডিম্বেশ্বৰ দাসৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৈঠালাংছ', ১২ নৱেম্বৰ ঃ** নগাঁও জিলা বিজেপিৰ অন্তৰ্গত গৰুবাট মণ্ডল বিজেপিৰ অনুসূচিত জনজাতি মৰ্চাৰ কাৰ্যনিৰ্বাহক সভাখনি বৃহস্পতিবাৰে নগাঁও-পশ্চিম কাৰ্বি আংলং জিলাৰ সীমান্তৱৰ্তী বৈঠালাংছ'স্থিত বৰপথাৰ গাঁও পঞ্চায়তৰ মইনাপথাৰ মধ্য ইংৰাজী বিদ্যালয় প্ৰাঙ্গণত অনুষ্ঠিত কৰা হয় । উদীয়মান যুৱকাৰ্যকৰ্তা তথা গৰুবাট মণ্ডল অনুসূচিত জনজাতি মৰ্চাৰ সভাপতি চত্ৰজিৎ দৰঙৰ সভাপতিত্বত অনুষ্ঠিত সভাখনিত মুখ্য অতিথি হিচাপে উপস্থিত থকা ৮২ নং ৰহা বিধানসভা সমষ্টিৰ বিধায়ক ডিম্বেশ্বৰ দাসে ভাষণত অসন্তুষ্টি প্ৰকাশ কৰে একাংশ দলীয় কাৰ্যকৰ্তাই । বিধায়কগৰাকীয়ে বিজেপি দলটোক ধৰ্মীয় মেৰুকৰণ কৰাৰ তীব্ৰ মানসিকতাৰে প্ৰদান কৰা ভাষণত প্ৰথমতে ইছলাম ধৰ্মালম্বী লোকসকলক মুকলিকৈ ক্ষুৰধাৰ সমালোচনা কৰে । তাৰ সমান্তৰালকৈ সংখ্যালঘু হিচাপে পৰিচিত খ্ৰীষ্টিয়ান ধৰ্মালম্বী লোকসকলকো তীব্ৰ সমালোচনা কৰি ভাষণত কয় খ্ৰীষ্টিয়ান ধৰ্মালম্বী লোকসকলেও আজিৰ তাৰিখত গোজেই গজালি হ'বলৈ আৰম্ভ কৰিছে । তেওঁলোকৰ সংখ্যা কম যদিও এই ধৰ্মৰলোকসকলে নিজৰ আধিপত্য বিস্তাৰ কৰিবলৈ প্ৰতিমুহুৰ্ততে চেষ্টা অব্যাহত ৰাখে আৰু যিটো আমাৰ বাবে অতি ভয়ংকৰ বুলি ভাষণত প্ৰদান কৰে বিধায়ক দাসে । সভাত উপস্থিত থকা দুগৰাকীকৈ খ্ৰীষ্টিয়ান ধৰ্মালম্বী আঞ্চলিক পঞ্চায়ত সদস্যা ক্ৰমে নয়ামি কাৰ্জী আৰু ৰিমি বৰদলৈয়ে সাংঘাতিকভাৱে অসন্তুষ্টি প্ৰকাশ কৰে যদিও ভদ্ৰতাৰ খাতিৰত বিধায়কগৰাকীৰ বিৰোধে কোনো ধৰণৰ বিদ্ৰোহ নকৰি শান্ত হৈ বহি থাকে যদিও বৰপথাৰ গাঁও পঞ্চায়তৰ একাংশ খ্ৰীষ্টিয়ান ধৰ্মালম্বীলোকে কিন্তু বিষয়টোক সাধাৰণভাৱে গ্ৰহণ কৰিব পৰা নাই । বিধায়কগৰাকীয়ে মানসিক ভাৰসাম্য হেৰুৱাৰ উপক্ৰম হৈছে বুলি চৰ্চা অব্যাহত ৰখা লোকসকলে সমগ্ৰ বিষয়টোক তীব্ৰ গৰিহণা দিছে । উল্লেখযোগ্য যে ক্ষমতাৰ অপব্যৱহাৰ কৰা এইগৰাকী অকৰ্মী আৰু ব্যৰ্থ বিধায়ক দাসে পৰৱৰ্তী ২০২১ৰ নিৰ্বাচনত টিকট নোপোৱাৰ পথ প্ৰশস্ত হৈ থকাৰ বাবেই প্ৰায়বোৰ সভাতেই ভ্ৰম বলকি বিনাশ কালে বিপৰীত বুদ্ধি সদৃশ মানসিকতাৰ পৰিচয় দাঙি ধৰিছে বুলি স্থানীয় সচেতনমহলে সমালোচনা কৰিছে । বৃহস্পতিবাৰৰ এই গুৰুত্বপূৰ্ণ সভাখনিত বিধায়ক দাসৰ উপৰিও জিলা অনুসূচিত জনজাতি মৰ্চাৰ সভাপতি সঞ্জীৱ দেউৰী, উপ-সভাপতি সুৰুয কোঁৱৰ, জিলা কিষাণ মৰ্চাৰ সভাপতি আনন্দ ডেকা, জিলা অনুসূচিত জাতি মৰ্চাৰ সাধাৰণ সম্পাদক মৃদুল কুমাৰ দাসৰ লগতে একাংশ বিজেপিৰ দলীয় কৰ্মী আৰু অনুসূচিত জনজাতি মৰ্চাৰ জিলা আৰু মণ্ডল পৰ্যায়ৰ কাৰ্যকৰ্তা উপস্থিত থাকে ।




দৈনন্দিন বাৰ্তা
সম্পাদকীয়
১৩ নৱেম্বৰ ■ ২০২০ ■ ২৭ কাতি ■ গুৱাহাটী

# এনআৰচিক লৈ শাসক-বিৰোধীৰ নতুন অংক

এনআৰচি উন্নীতকৰণক কেন্দ্ৰ কৰি বিগত কেইবা বছৰ জল্পনা-কল্পনাৰ সমান্তৰালভাৱে বিভিন্ন বিতৰ্কৰ সূত্ৰপাত হৈ আহিছে। অৱশেষত দেশৰ সৰ্বোচ্চ ন্যায়ালয়ৰ নিৰ্দেশ আৰু নীতি-নিৰ্দেশনা অনুসৰি যোৱা বছৰ আগষ্টত চূড়ান্ত এনআৰচি প্ৰকাশিত হ'ল। এই এনআৰচিত ১৯ লাখ লোকৰ নাম বাদ পৰাৰ ফলত এক নতুন বিতৰ্কৰ সূত্ৰপাত হ'ল। এই লোকসকলৰ ক্ষেত্ৰত পৰৱৰ্তী পৰ্যায়ত কি পদক্ষেপ গ্ৰহণ কৰা হ'ব সেই সম্পৰ্কত এবছৰ পাৰ হৈ যোৱাৰ পিছতো কোনো নিৰ্দেশনা প্ৰকাশ নোপোৱাটো আচৰিত। আনকি চৰকাৰে তদানীন্তন এনআৰচি সঞ্চালকালয়ৰ সমন্বয়কগৰাকীৰ বিৰুদ্ধে বিভিন্ন অভিযোগ উত্থাপন কৰি চূড়ান্ত নাগৰিকপঞ্জীখন গ্ৰহণৰ পৰাই বিৰত থাকিল। ফলস্বৰূপে নাম বাদ পৰা ১৯ লাখ লোকৰ উপৰি সমগ্ৰ ৰাজ্যখনেই এক অনিশ্চয়তাত থাকিব লগা হ'ল। এই অৱস্থাত বিভিন্নজনে বিভিন্ন বক্তব্য দাঙি ধৰা পৰিলক্ষিত হৈছে যদিও কোনো স্পষ্টতা নাই। ফলত কোটি কোটি টকা ব্যয় সাপেক্ষে উন্নীতকৰণ সম্পন্ন কৰা এনআৰচিৰ সমগ্ৰ প্ৰক্ৰিয়াটোৱে ব্যৰ্থ হোৱাৰ লগতে এনআৰচিখনো পেলনীয়া কাগজত পৰিণত হ'ল। ইয়াৰ বিপৰীতে শাসক-বিৰোধী উভয় পক্ষই নিজৰ নিজৰ যুক্তিৰে সুবিধা হোৱাকৈ বক্তব্য দাঙি ধৰিছে। চৰকাৰ পক্ষই ২০২১ চনৰ নিৰ্বাচনৰ পিছতহে নতুনকৈ কাৰ্য প্ৰক্ৰিয়া আৰম্ভ কৰিব লগতে নতুনকৈ এনআৰচি কাম আৰম্ভ কৰাৰ কথা ঘোষণা কৰে। সেই সময়ৰ সমন্বয়কে কেতবোৰ মৌলিক ভুল-ভ্ৰান্তিৰে এনআৰচিখন গণ্ডগোল কৰিছে বুলিও অভিযোগ কৰে। যি কি নহওক সমগ্ৰ প্ৰক্ৰিয়াটোৰ পৰা এই কথা স্পষ্ট হৈ পৰিছে যে প্ৰকৃততে এখন শুদ্ধ নাগৰিকপঞ্জী প্ৰস্তুতৰ বাবে কোনো এখন চৰকাৰৰ সদিচ্ছা নাই। কেৱল ৰাজনৈতিক শ্ল'গানেৰে জনসাধাৰণ আভুৱা-ভাঁৰি ৰাজকোষৰ ধন এইদৰে উলিওৱাহে হয়। উন্নীতকৰণ সম্পন্ন হোৱা শুদ্ধ এনআৰচিয়ে ৰাজ্যখনৰ বহুদিনীয়া বিদেশী সমস্যাটোৰ এক সমাধান সূত্ৰ দাঙি ধৰিব পৰাৰ সুযোগ আছিল। যদিও এই সমস্যাটোৰ সমাধান নিবিচৰা হেতুকেই এখন এনআৰচি প্ৰস্তুত হৈ উঠাটো ৰাজনৈতিক দলসমূহে নিবিচৰাটোৱে স্পষ্ট। অসমৰ ৰাইজৰ ছবছৰীয়া আন্দোলনে ৮৫৫গৰাকীক শ্বহীদ আৰু কেইবা হাজাৰ লোকক ঘূণীয়া কৰাৰ ফচল হিচাপে বহু আকাংক্ষিত এনআৰচিৰ সুফল ৰাইজে নাপালে। ৰাজনৈতিক লাভালাভৰ বাবে শাসক-বিৰোধীৰ সদ্দিচ্ছা নোহোৱা বাবেই অসম চুক্তিৰ এনআৰচিখন পাবলৈ অসমবাসী বিমুখ হ'বলগীয়া হ'ল। হয়তো বিদেশী খেদা আন্দোলনটোৱো ইয়াতেই সামৰণি পৰিব বুলি অসমীয়া ৰাইজে ভাবিবলৈ বাধ্য।

# ইণ্টাৰনেটসৰ্বস্ব সামাজিক মাধ্যম আৰু আমি




যাঠিৰ দশকতে ইংলেণ্ডত আৰম্ভ হৈছিল ঔদ্যোগিক বিপ্লৱৰ। আৰম্ভ হৈছিল বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ উন্নয়ন নামৰ অঘোষিত প্ৰতিযোগিতাখনৰ। বিজ্ঞানে কি কৰিব পাৰে নাইবা কি কৰিব নোৱাৰে এই কথাযাৰে স্থান পালে মানুহৰ মুখত। অৰ্থাৎ অসম্ভৱো সম্ভৱ হৈ পৰিল বিজ্ঞানৰ অভূতপূৰ্ব সফলতাৰ কাৰণে। হয়তো সমূলে অস্বীকাৰ কৰা কথাও নহয় এইটো। বিশ্বায়নে যেন বিশ্বৰ ধাৰণাটোকে সংকুচিত কৰি পেলালে। পৰিৱৰ্তিত সময়ক সাক্ষী কৰিয়ে মানৱ জাতি অগ্ৰসৰ হ'ল জীৱনৰ বাটত।

সম্প্ৰতি ইণ্টাৰনেটৰ বহুল প্ৰচলনৰ লগে লগে অধিক সক্ৰিয় হৈ উঠিছে সামাজিক মাধ্যমসমূহ। জনমত গঠনকে আদি কৰি যোগাযোগ স্থাপনৰ ক্ষেত্ৰতো সামাজিক মাধ্যমসমূহৰ ভূমিকা অপৰিসীম। বিশ্বায়নৰ অভূতপূৰ্ব সফলতাৰ ভিতৰত ইও এক উল্লেখযোগ্য সফলতা। বহল অৰ্থত বিশ্বায়নৰ প্ৰকৃত স্বৰূপটো যেন এই মাধ্যমসমূহৰ মাজতে সন্নিৱিষ্ট হৈ আছে। মুহূৰ্তৰ ভিতৰতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ ঘটনা প্ৰবাহ জনচক্ষুৰ আগত দাঙি ধৰে এই সামাজিক মাধ্যমসমূহে। অৰ্থাৎ গোটেই বিশ্বক হাতৰ মুঠিত কঢ়িয়াই লৈ ফুৰিব পৰা মাধ্যমে হৈছে সামাজিক মাধ্যমসমূহ। ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতি পুনৰ টোপনি যোৱালৈকে বিশ্ব পৰিভ্ৰমণৰ যেন এক বহল পৰিক্ৰমা এই সামাজিক মাধ্যমসমূহ। যাৰ উৎস হৈছে সহজলভ্য মোবাইল ফোনসমূহ।

সামাজিক মাধ্যম বুলি ক'লে সততে আমাৰ মনলৈ আহে ফেচবুক, টুইটাৰ, ইনষ্টাগ্ৰাম, ইউটিউবত, গুগল আদি মাধ্যমসমূহৰ কথা। এইবোৰৰ উপৰি অলেখ এনেকুৱা মাধ্যম আছে যাৰ লগত আমি সম্প্ৰতিও পৰিচিত নহয়। যি কি নহওক এই মাধ্যমসমূহৰ সঠিক মূল্যায়ন যিদৰে গুৰুত্বপূৰ্ণ ঠিক সেইদৰে ইয়াৰ উচিত ব্যৱহাৰো আমাৰ কাৰণে সমানে গুৰুত্বপূৰ্ণ। সামাজিক মাধ্যমসমূহৰ অভূতপূৰ্ব জনপ্ৰিয়ৰ প্ৰতি লক্ষ্য ৰাখিয়ে এই মাধ্যমসমূহকে বৰ্তমান বিশ্বাসযোগ্য মাধ্যম হিচাপে গণ্য কৰা হৈছে। সম্প্ৰতি নিৰ্বাচনৰ সময়ত নিৰ্বাচনী প্ৰচাৰ অভিযানতো ৰাজনৈতিক দলসমূহে এক শক্তিশালী মাধ্যম হিচাপে সামাজিক মাধ্যমসমূহ ব্যৱহাৰ কৰে।সামাজিক মাধ্যমৰ জৰিয়তেই এক মজবুত গণভিত্তি প্ৰস্তুত কৰি চৰকাৰ গঠন প্ৰক্ৰিয়া সহজসাধ্য হৈ পৰে ৰাজনৈতিক দলৰ কাৰণে। সামাজিক মাধ্যমত সততে সক্ৰিয় হৈ থাকে ৰাজনৈতিক দলসমূহৰ IT Cell সমূহ। নিৰ্বাচনৰ এক বৃহৎ অংক এই IT Cell সমূহ।

■ জয়ন্ত দাস

সামাজিক মাধ্যমসমূহৰ জনপ্ৰিয়তাৰ লগতে এই মাধ্যমসমূহত অপৰাধপ্ৰৱণতাও সাংঘাতিক ধৰণে দেখিবলৈ পোৱা যায়। সামাজিক মাধ্যমত সক্ৰিয় হৈ থাকিবলৈ বয়সৰ কোনো সময়সীমা নিৰ্ধাৰণ কৰা নাথাকে। শিশুৰ পৰা বৃদ্ধলৈকে সকলোৱে এই মাধ্যমসমূহৰ লগত ভালকৈয়ে পৰিচিত। বৰ্তমানৰ বিশ্বায়নৰ যুগত সামাজিক মাধ্যমসমূহকে বিভিন্ন তথ্য তথা জ্ঞান আহৰণৰো উৎকৃষ্ট মাধ্যম হিচাপে মানি ল'বলৈ আমি বাধ্য হৈ পৰিছো। তথাপি যেন এই মাধ্যমসমূহৰ নেতিবাচক প্ৰভাৱে আমাৰ মন মগজুত অহৰহ ক্ৰিয়া কৰি আমাক বিপথগামীও কৰি তোলে। পূৰ্বতে সামাজিক মাধ্যমসমূহৰ বহুল প্ৰচলন হোৱা নাছিল কাৰণে বিভিন্ন ঘটনা পৰিঘটনাসমূহ আঁৰ কাপোৰৰ মাজতে আবদ্ধ হৈ আছিল।কিন্তু সম্প্ৰতি সৰু বৰ সকলো ঘটনা পৰিঘটনা সামাজিক মাধ্যমসমূহৰ কাৰণে জনসাধাৰণৰ মাজলৈ লৈ যোৱাত সহায়ক হৈছে। তাৰ ভিতৰত এনেকুৱা ঘটনাও থাকে যিবোৰে নেতিবাচক বাৰ্তা লৈ সামাজিক সম্প্ৰীতিও বিনষ্ট কৰে।

যান্ত্ৰিক জীৱনত আমাক অধিক ব্যক্তিকেন্দ্ৰীক কৰি তুলিছে ইণ্টাৰনেট সৰ্বস্ব সামাজিক মাধ্যম সমূহে। পৰস্পৰৰ পৰা আমাৰ ব্যৱধানবোৰ দিনক দিনে বাঢ়ি গৈছে।ঘণ্টাৰ পিছত ঘণ্টা ধৰি সামাজিক মাধ্যমসমূহৰ লগত ব্যস্ত হৈ থকাৰ ফলত আমাৰ আত্মীয়তাবোধ কমি গৈছে। শিশুৰ পৰা বয়োজ্যেষ্ঠ জনলৈকে কেৱল ইণ্টাৰনেটৰ জগতখনৰ লগত ব্যস্ত হৈ থকাৰ ফলত কিছু কিছু ক্ষেত্ৰত আমাৰ মানসিকতাও সংকুচিত হৈ পৰিছে। ইণ্টাৰনেট সৰ্বস্ব সহজলভ্য জীৱনত মানুহৰ বিলাসীতা বাঢ়ি গৈছে। মানুহৰ শাৰীৰিক শ্ৰমতকৈ মানসিক শ্ৰম বাঢ়ি যোৱাৰ ফলত বিভিন্ন ধৰণৰ শাৰীৰিক অসুস্থতাই মানুহৰ জীৱন বিপৰ্যস্ত কৰি তুলিছে। মানসিক চাপৰ ফলত একপ্ৰকাৰ আত্মহত্যাৰ প্ৰৱণতাও দিনক দিনে বাঢ়ি গৈ আছে। সামাজিক মাধ্যমসমূহৰ অত্যধিক ব্যৱহাৰৰ কাৰণে বাস্তৱিক জীৱনৰ মুখামুখি হোৱাৰ পৰিৱৰ্তে মানুহৰ মাজত পলায়নবাদী মানসিকতা গঢ় লৈ উঠিছে।যাৰ ভয়াৱহতা স্বীকাৰ কৰিও ইণ্টাৰনেট সৰ্বস্ব জীৱনৰ প্ৰভাৱৰ পৰা আমি নিজকে আঁতৰাই ৰখাৰ পৰিৱেশো সম্প্ৰতি নোহোৱা হৈ পৰিছে।

যুগৰ পৰিৱৰ্তনৰ লগে লগে আমাৰ মানসিকতাও হয়তো আমি নিশ্চয় পৰিৱৰ্তন কৰিবই লাগিব। পৰিৱৰ্তনেই সমাজৰ মূল আধাৰ যিহেতু গতিকে আমাৰ ব্যৱহাৰিক জীৱনতো সময়ৰে দান স্বৰূপ সহজলভ্য সামাজিক মাধ্যম সমূহৰ লগত আমি নিজকে একাত্ম কৰাৰ বাহিৰে অন্য গত্যন্তৰ নাই। ইণ্টাৰনেটেই আজিকালি ব্যৱসায়ৰো এক উৎকৃষ্ট মাধ্যম হৈ পৰিছে।ঘৰত বহিয়ে ইণ্টাৰনেটৰ জৰিয়তে বিভিন্ন দেশ বিদেশৰ লগত ব্যৱসায় বাণিজ্য গঢ়ি তোলাত সহজ হৈছে।কিন্তু তাৰ মাজতো সকলো দিশৰে ভাল বেয়া বিচাৰ কৰি সামাজিক মাধ্যম তথা ইণ্টাৰনেট জগতখনকো আমাৰ জীৱনৰ উপযোগী কৰি তুলিব পৰাটোহে আচল কথা। হকে বিহকে ইয়াৰ ব্যৱহাৰ কৰিব গ'লে আমাৰ হিতে বিপৰীত হোৱাৰ সম্ভাৱনাহে অধিক। ইণ্টাৰনেট সৰ্বস্ব জগতখনে কিদৰে আমাৰ জীৱনৰ মূল্যৱান সময়বোৰ কাঢ়ি লৈ গৈ আছে আমি হয়তো গমেই পোৱা নাই। গতিকে উপযুক্ত সময় আৰু বাস্তৱিক জীৱনৰ সৎ উপযোগী আহিলা স্বৰূপেহে ইয়াৰ ব্যৱহাৰ আমাৰ কাৰণে অত্যন্ত জৰুৰী।

ফোন: ৭৮৯৬৬৮১৭৩৯

# সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

## যুক্তি যাৰ যুক্তিহীন

পল্লৱ লোচন দাস ডাঙৰীয়া মহাশয়,

আপুনি শ্ৰমিকৰ দৈনিক মজুৰি ৩৫১ টকা হোৱাটো নস্যাৎ কৰি সুস্থ মানসিকতাৰে টুলুঙাভাৱে যুক্তিহীনৰ দৰে কোৱাটো কিমান যুক্তিপূৰ্ণ? আপুনি মালিকসকলৰ দুখত সমদুখী হৈ কৈছে— 'কিয় ৩৫১ টকা দিব নোৱাৰে তাৰ প্ৰতিবেদন দিবলৈ।' অতদিনে আমি শ্ৰমিক পক্ষই শ্ৰমিকসকলক কিয় ৩৫১ টকা দৈনিক মজুৰি দিব লাগে তাৰ যুক্তি দৰ্শাই দাবীপত্ৰ প্ৰতিবেদন দিয়া নাই নেকি? আপুনি যদি যুক্তিপূৰ্ণ দাবীপত্ৰ প্ৰতিবেদনসমূহ ইচ্ছাকৃতভাৱে দেখাৰ প্ৰয়োজন কৰা নাই তেন্তে মালিক পক্ষৰ হৈ দুখ অনুভৱ কৰাৰ দৰে দুখী হৈ প্ৰতিবেদন নিবিচাৰে কিয়।

এক দেশ এক নীতি নিয়মৰ কথা কোৱা মুখত কি যুক্তিত ৰাজ্যতো বাদেই এক ৰাজ্যত স্থান ভেদে দৈনিক হাজিৰা বেলেগ বেলেগ হয়। কি যুক্তিত আপোনালোক শ্ৰমিকৰ শ্ৰমৰ মূল্য নিৰূপণ কৰে? সম্পূৰ্ণ লকডাউনৰ সময়ত বাগান খোলা ৰাখি কাম কৰাই ৰাজকোষত অৰিহণা যোগোৱা শ্ৰমিকক কি যুক্তিত গুৰুত্বহীন ভাবিলে। আমি যদি কওঁ আপুনি কি যুক্তিত নেতৃত্বক কেৰিয়াৰ বুলি ভাবি লৈছে? কি যুক্তিত বিলাসী জীৱন পদ্ধতি উপভোগ কৰিছে?

■ ধনঞ্জয় কুৰ্মী
ফোন: ৯৮৫৯৪০৪৭২৮

## নিকৃষ্ট মানসিকতা

আমি প্ৰায়ে আপত্তি কৰি থাকোঁ চৰকাৰে 'এইটো কৰা নাই', 'সেইটো দিয়া নাই' বুলি। কিন্তু তাৰ মাজতে যিখিনি কাম চৰকাৰে কৰিছে, তাৰ প্ৰতিনো আমি কিমান দায়বদ্ধ? ৰাজহুৱা সা-সম্পত্তিৰ প্ৰতি আমাৰ আওকণীয়া মনোভাৱ সৰ্বজনবিদিত। সেয়ে চাৰিওফালে কদৰ্যময় পৰিৱেশৰ সমাহাৰ। চৰকাৰী চিকিৎসালয় এখনলৈ যাওক। দেখিব চাৰিওফালে গুটখা-তামোলৰ বিচিত্ৰ কাৰুকাৰ্য, প্ৰস্ৰাৱাগাৰ-পায়খানাৰ কদৰ্য পৰিৱেশ, দৰকাৰী সা-সঁজুলি সকলো ভগ্নপ্ৰায়। চোৰৰ উপদ্ৰৱৰ কথা বাৰু নকওঁ, সিহঁতৰ বৃত্তিয়েই সেইটো। কিন্তু জনা-বুজা এচামে নিজৰ প্ৰয়োজনখিনি পূৰ হোৱাৰ পিছত আৰু আনলৈ নাভাবে। কোনো কৰ্মচাৰী বা মানুহ নাথাকিলেও লাইট, ফেন, কম্পিউটাৰ চলিয়েই থাকে। কিছুমান কাৰ্যালয় আকৌ ৰাতি ৰাতি অনৈতিক কাৰ্যৰ স্বৰ্গপুৰী। এচামে এনেয়ে ধ্বংস কৰি ভাল পায়, তাৰপৰা নিজৰ একো লাভো নহয় আৰু তাৰেই শেহতীয়া নিদৰ্শন হৈছে গণেশগুৰিৰ নৱনিৰ্মিত উৰণীয়া সেতুৰ পিক পেলোৱা ঘটনা। বিভিন্ন আকৰ্ষণীয় চিত্ৰাংকনেৰে উৰণীয়া সেতুখন ধুনীয়া কৰি তোলা হৈছিল। আনকি তাত অসমীয়া জাতিৰ সন্মান আৰু গৌৰৱময় গুৰু আসনখনো আছিল। অৱশ্যে পিক পেলোৱা ঘটনাৰ পিছত সমালোচনাৰ সন্মুখীন হৈ প্ৰশাসনে সেইখন মচি পেলোৱাত আসনখনৰ মৰ্যাদা হয়তো অক্ষুণ্ণ থাকিল। গুৱাহাটীখন হৈছে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ দুৱাৰমুখ। দেশ-বিদেশৰ মানুহৰ আগমন অনবৰতেই ঘটি থাকে। সেয়ে এনেকুৱা নিকৃষ্ট আচৰণ অসমীয়া জাতিটোৰ বাবেই লজ্জাজনক। চৰকাৰে দোষীক কৰায়ত্ত কৰি উচিত ব্যৱস্থাৰ দিহা কৰিব লাগে। অকল এইটো ক্ষেত্ৰতে নহয় বিভিন্ন প্ৰতিবাদৰ নামতো কাৰ্যালয়, চিকিৎসালয়, ব্যৱসায়িক প্ৰতিষ্ঠান, গাড়ী-মটৰ আদি ধ্বংস কৰি পেলোৱা হয়। বস্তু এটা ধ্বংস কৰা তেনেই সহজ, সৃষ্টি কৰাহে টান। ধ্বংসৰ সময়ত এইটো ভাবি নাচায় এই সকলোবোৰ আমাৰ সহায়ৰ বাবেই আছে। কাইলৈ-পৰহিলৈ বিপদৰ সময়ত এইবোৰ আমাকেই প্ৰয়োজন হ'ব। চৰকাৰীভাৱে সম্পন্ন কাম-কাজবোৰতো আমাৰ টকাৰেই সম্পন্ন হয়। তাৰ পিছতো কিয় মানুহবোৰৰ এনে ধ্বংসকামী মনোবৃত্তি? এইচাম মানুহৰ কু-প্ৰবৃত্তিৰ বাবেই আন এচাম মানুহে বিপদৰ সময়ত শ'লঠেকত পৰি আহিছে। ইয়াক পৰিত্যাগ কৰাটোহে আধুনিক মনৰ পৰিচায়ক।


■ অংশুমান ভূঞা
ফোন: ৬০০২৯৯৪৯৮০

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা :**
'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন : ৭৮১০০৩

# প্ৰাকৃতিকভাৱে দেৱালী পাতো আহক



দেৱালী হ'ল পোহৰৰ উৎসৱ। বিভিন্ন উৎসৱৰ দৰেই সকলো জাতি ধৰ্ম, বৰ্ণ নিৰ্বিশেষেই দেৱালী উদ্‌যাপন কৰা হয়। এই দিনটোত আমি যিমান পাৰোঁ আমাৰ নিজৰ নিজৰ ঘৰ বা কাৰ্যালয়ৰ চৌহদটো নানা ৰঙীন পোহৰে সজাই তুলিবলৈ চেষ্টা কৰোঁ। কিন্তু সমান্তৰাল ভাৱে আমি প্ৰকৃতিৰ প্ৰতি আওকাণ কৰি এনে কিছুমান আনন্দ-উল্লাসত ডুব যাওঁ যি আমাৰ নিজৰ আৰু পৰিৱেশৰ প্ৰতিও অত্যন্ত ক্ষতিকাৰক। প্ৰতিবছৰে দেৱালীত যথেষ্ট পৰিমাণে আতচবাজী ফুটোৱা হয়। যাৰ ফলত বিভিন্ন বায়ু, শব্দ প্ৰদূষণৰ সৃষ্টি হয়। তদুপৰি দেৱালীৰ পিছৰ দিনকেইটা পৰিৱেশটো কেৱল আতচবাজী বা ফটকাৰ জাবৰেই সিঁচৰতি হৈ থকা দেখিবলৈ পোৱা যায়। ইয়াৰোপৰি ফটকা ফটুৱাৰ অসাৱধানতাৰ ফলত কেতিয়াবা কেতিয়াবা ডাঙৰ অগ্নিকাণ্ড পৰ্যন্ত হয়গৈ। কেৱল মাত্ৰ পৰিৱেশ দিৱসৰ দিনাই পৰিৱেশৰ প্ৰতি সজাগ হ'লেই নহ'ব। অন্য জীৱকুল আৰু পৰিৱেশৰ ভাৰসাম্যৰ দিশতো আমি প্ৰতিটো দিনতেই সজাগ আৰু সচেতন হোৱা উচিত। লগতে এই বিষয়ে অভিভাৱক হিচাপে আমাৰ নিজ নিজ সন্তানক বুজাই দিয়া উচিত। প্ৰতিটো উৎসৱৰ মাজতে মৰম, স্নেহ, সহানুভূতিশীল মনোভাৱ বৰ্তাই ৰখাৰ লগতে পৰিৱেশ আৰু পক্ষীকুলৰ কথাও আতচবাজী বা ডাঙৰ শব্দ সৃষ্টি কৰাৰ আগত সকলোৱে অনুধাৱন কৰাটো প্ৰয়োজন।

■ পংকজ তামুলী

তদুপৰি আতচবাজী জাতীয় বোমা বা ফটকা এটা প্ৰস্তুত কৰোঁতেই প্ৰায় ৭৫ শতাংশ পটাছিয়াম নাইট্ৰেট, ১৫ শতাংশ কাৰ্বন আৰু ১০ শতাংশ ছালফাৰৰ প্ৰয়োজন হয়। যি পৰিৱেশ আৰু আমাৰ বাবে অত্যন্ত ক্ষতিকাৰক। আকৌ বিভিন্ন ৰঙৰ উজ্জ্বল পোহৰ দিয়া ফুলজাৰিত অতি পৰিমাণে কপাৰ মেগনেছিয়াম, নাইট্ৰেট আৰু কেডমিয়ামৰ দৰে বিষাক্ত ধাতৰ পদাৰ্থ পোৱা যায়। এনেবোৰ বিষাক্ত পদাৰ্থ সমগ্ৰ জীৱজগত তথা পৰিৱেশৰ বাবেই অনুকূল। সেইবাবে এনে আতচ বাজি ফুটুৱাৰ পৰা বিৰত থাকি এক আধ্যাত্মিকতাৰে শান্তি-সম্প্ৰতিৰে দেৱালী পালন কৰিব নোৱাৰোনো? তদুপৰি ফটকাৰ নামত খৰচ কৰা টকা কেইটা দেৱালীৰ দিন বুলি আমি কিছু আৰ্তজনক সহায় কৰিব নোৱাৰোনে? মই ভাবো সেইকণ সুখ বা আনন্দ আতচবাজী ফুটাই পোৱা আনন্দতকৈও শতগুণে ডাঙৰ।

অন্যহাতে দেৱালীত কলগছৰ প্ৰচুৰ ভাৱে ব্যৱহৃত কৰা দেখা যায়। এটা দিনৰ বাবেই মাত্ৰ কলগছজোপা কাটি ব্যৱহাৰ কৰাতকৈ গছজোপা পৰা পক্ষত শিপাৰে সৈতে উঠাই ব্যৱহাৰৰ শেষত আকৌ পুনৰাই সংস্থাপন কৰিব পাৰোঁ। তেতিয়া অনন্তঃ কিছু হ'লেও এনে উৎসৱত কলগছৰ ৰাহি কৰিব পৰা যায়।

দেৱালী সময়ত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে মৃৎ শিল্পীসকলে। কিয়নো প্ৰতিজনৰ ঘৰে ঘৰে চাকি বা বন্তিৰে সজাই তোলা হয় আৰু মৃৎ শিল্পীসকলে মাটিৰ বিভিন্ন ধৰণৰ পাত্ৰ তৈয়াৰ কৰাত ব্যস্ত হৈ পৰে। কিন্তু অতি পৰিতাপৰ বিষয় যে আধুনিকতাৰ নামত কৃত্ৰিম লাইটৰ ব্যৱহাৰৰ ফলত মাটিৰ পাত্ৰ তৈয়াৰ কৰা লোকসকলৰ জীৱনৰ প্ৰতি ভাবুকি আহি পৰিছে। ইয়াৰ উপৰি বজাৰত মাটিৰ পাত্ৰত বিকল্প হিচাপে প্লাষ্টিক জাতীয় বস্তুৰ মুকলিয়ে মৃৎশিল্পীসকলৰ জীৱনৰ প্ৰতি আৰ্থিক দুৰৱস্থা আহি পৰিছে। সেয়েহে সকলোৱে মাটিৰ দ্বাৰা ব্যৱহৃত সামগ্ৰী ক্ৰয় কৰিব লাগে। অৱশ্যে মাটিৰ পাত্ৰৰ গুণাগুণ বা সুন্দৰতা কোনো প্লাষ্টিক জাতীয় সামগ্ৰীৰ লগত তুলনা নহয়। সেয়েহে আমি যিমান পাৰোঁ প্ৰাকৃতিকভাৱে দেৱালী উদ্‌যাপন কৰি মানুহ পৰিৱেশ তথা জীৱৰ মাজৰ সমতা বজাই ৰাখিবলৈ চেষ্টা কৰিব লাগে। এইয়াই হৈ পৰা সকলো উৎসৱৰ সুখ আনন্দ উল্লাস।

ফোন: ৮০১১১২৭৭৫৬

*দেৱালীৰ সময়ত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে মৃৎ শিল্পীসকলে। কিয়নো প্ৰতিজনৰ ঘৰে ঘৰে চাকি বা বন্তিৰে সজাই তোলা হয় আৰু মৃৎ শিল্পীসকলে মাটিৰ বিভিন্ন ধৰণৰ পাত্ৰ তৈয়াৰ কৰাত ব্যস্ত হৈ পৰে। কিন্তু অতি পৰিতাপৰ বিষয় যে আধুনিকতাৰ নামত কৃত্ৰিম লাইটৰ ব্যৱহাৰৰ ফলত মাটিৰ পাত্ৰ তৈয়াৰ কৰা লোকসকলৰ জীৱনৰ প্ৰতি ভাবুকি আহি পৰিছে। ইয়াৰ উপৰি বজাৰত মাটিৰ পাত্ৰত বিকল্প হিচাপে প্লাষ্টিক জাতীয় বস্তুৰ মুকলিয়ে মৃৎশিল্পীসকলৰ জীৱনৰ প্ৰতি আৰ্থিক দুৰৱস্থা আহি পৰিছে। সেয়েহে সকলোৱে মাটিৰ দ্বাৰা ব্যৱহৃত সামগ্ৰী ক্ৰয় কৰিব লাগে...*

# আছাদউদ্দিন ওৱেইছি, বদৰুদ্দিন আজমল আৰু শ্বেৰমান আলী বিজেপি দলৰ পিঞ্জৰাবদ্ধ ভাটৌ

মুছলমানসকলৰ প্ৰধান শত্ৰু হ'ল তথাকথিত ভণ্ড ৰাজনীতিবিদ বদৰুদ্দিন আজমল, আছাদউদ্দিন ওৱেইছি, শ্বেৰমান আলী ইত্যাদি। সন্মানীয় মুছলমান লোকসকলে বুজা উচিত যে ভাৰতৰ স্বাধীনতাৰ মহা সংগ্ৰামখনত মুছলমানসকলে সমগ্ৰ ভাৰতবাসীৰ লগত একত্ৰিতভাৱে সংগ্ৰামত অংশগ্ৰহণ কৰিছিল। এই কথা ইতিহাসত আজিও সোণালী আখৰেৰে লিপিবদ্ধ। সৌ সিদিনালৈকে সগৌৰৱে ভাৰতীয় হিচাপে গৰ্ব অনুভৱ কৰা মুছলমান সকলক বিজেপি চৰকাৰৰ লগত গোপন মিতিৰালিৰে ধৰ্মীয় মেৰু বিভাজনেৰে আৱেগিক কথা কৈ মুছলমান সকলক ভাৰতীয় সভ্যতাৰ পৰা একাষৰীয়া কৰি চৰকাৰৰ লগত গোপন মিতিৰালি কৰি নিজৰ ব্যক্তিগত মুনাফা আদায় কৰাৰ প্ৰধান অভিসন্ধি আছিল আচাদউদ্দিন ওৱেইছিৰ আৰু এই বিষয়ত তেওঁ যে কৃতকাৰ্য হ'ল তাৰ জ্বলন্ত উদাহৰণ শেহতীয়া বিহাৰৰ নিৰ্বাচনৰ ফলাফল।

■ মুহাম্মাদ আজমল হুছেইন

মুছলমানসকলে বুজা উচিত শতকোটি হিন্দু ভাৰতীয়ৰ পৰা মুছলমানসকলক একাষৰীয়া কৰি আছাদউদ্দিন ওৱেইছিয়ে ভাৰতত কেনেকৈ মুছলমানৰ আধিপত্য আনিব? আনহাতে বিজেপিৰ সাম্প্ৰদায়িক মনোভাব উত্থাপন ঘটাৰ আগতেই শংকৰ-আজানৰ মিলন ভূমি এই অসমত বদৰুদ্দিন আজমলে কি কাৰণত এআইইউডিএফৰ জন্ম দি মুছলমান সকলক একাষৰীয়া কৰিলে? এই বিষয়টো অতি সূক্ষ্ম আৰু শীতল মস্তিস্কৰে চিন্তা কৰিলে নিশ্চিতভাৱে ওলাই পৰিব যে আচাদউদ্দিন ওৱেইছি বা বদৰুদ্দিন আজমলহঁতৰ দৰে ভণ্ড ৰাজনীতিবিদে আওপকীয়াকৈ আজিৰ সমাজত কলুষিত হোৱা ভণ্ড নেতা সত্যৰঞ্জনহঁতৰ দৰে ব্যক্তিক সহায় কৰি আছে। আমাৰ প্ৰশ্ন হ'ল প্ৰকৃতাৰ্থত যদি মুছলমানসকলৰ সামগ্ৰিক উন্নয়নৰ কথা ভাবিছে তেনেহ'লে কোনো ৰাষ্ট্ৰীয় বা জাতীয় দলৰ লগত লগ নহৈ আছাদউদ্দিন ওৱেইছিয়ে কিয় বিহাৰৰ নিৰ্বাচনত মুছলমানসকলক একাষৰীয়া কৰি প্ৰাৰ্থীত্ব দিলে? দ্বিতীয়তে বদৰুদ্দিন আজমলে শংকৰ-আজানৰ অসম ভূমিত মুছলমান অধ্যুষিত অঞ্চল সমূহত কেৱল ১২/১৪ খন আসনৰ কাৰণে মুছলমান সকলক অসমৰ ৰাইজৰ পৰা অৰ্থাৎ জাতীয় তথা ৰাষ্ট্ৰীয় দলসমূহৰ পৰা আঁতৰাই ৰাখে?

এতিয়া আপোনালোকে ভাবক আচাদউদ্দিন ওৱেইছি বা বদৰুদ্দিন আজমলৰ পৰা মুছলমানসকলৰ কি উপকাৰ হৈছে? প্ৰকৃতাৰ্থত এইসকল ভণ্ড সাম্প্ৰদায়িক নেতা নহয়নে? আমাৰ দৃষ্টিত বিজেপি দলৰ হৈ গোপনে কাম কৰি থকা এই দুয়োজনেই হ'ল মুছলমান সকলৰ প্ৰধান শত্ৰু। ইছলামৰ ভাষাত কোৱা হয় মোনাফিক। আনহাতে শংকৰ-আজানৰ পৱিত্ৰ ভূমিত জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে শংকৰদেৱ কলাক্ষেত্ৰত সংগ্ৰহালয় থকাৰ পিছতো শ্বেৰমান আলীয়ে মিঞাসকলৰ কাৰণে সুকীয়া সংগ্ৰহালয় বিচৰাৰ অন্তৰালত কি আছে। আমাৰ দৃষ্টিত এয়া বিজেপি দলৰ উচ্চ পৰ্যায়ৰ নেতাৰ পৰিকল্পিত বাক্যযাৰ শ্বেৰমান আলীয়ে আওৰাইছে। অৰ্থাৎ আচাদউদ্দিন ওৱেইছি, বদৰুদ্দিন আজমল আৰু শ্বেৰমান আলী বিজেপিৰ পিঞ্জৰাত আবদ্ধ ভাটৌ।

আমাৰ উদ্দেশ্য হ'ল দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰি থকা প্ৰতিজন ভাৰতীয়যঅসমীয়াই এইবোৰ নেতাক শীৰ্ঘে পৰিহাৰ কৰি ভাৰতমাতৃ বা অসমমাতৃ সেৱাৰ কাৰণে একত্ৰিত হৈ নিৰপেক্ষ ৰাষ্ট্ৰীয় অথবা জাতীয় দলত থিয় হোৱা উচিত। অন্যথা আচাদউদ্দিন ওৱেইছি, বদৰুদ্দিন আজমল আৰু শ্বেৰমান আলীহঁতৰ কাৰণে ইছলাম ধৰ্মাৱলম্বী লোকসকল যে নিশ্চিত বিপদৰ সন্মুখীন হব সেয়া নিশ্চিত।

ফোন: ৮৪৮৬২১৩৯৯২

*মুছলমানসকলে বুজা উচিত শতকোটি হিন্দু ভাৰতীয়ৰ পৰা মুছলমানসকলক একাষৰীয়া কৰি আছাদউদ্দিন ওৱেইছিয়ে ভাৰতত কেনেকৈ মুছলমানৰ আধিপত্য আনিব? আনহাতে, বিজেপিৰ সাম্প্ৰদায়িক মনোভাব উত্থান ঘটাৰ আগতেই শংকৰ-আজানৰ মিলনভূমি এই অসমত বদৰুদ্দিন আজমলে কি কাৰণত এআইইউডিএফৰ জন্ম দি মুছলমানসকলক একাষৰীয়া কৰিলে?*

# পোহৰৰ উৎসৱত ফটকা-আতচবাজী নিষিদ্ধ কৰা উচিত

আমি সকলোৱে দীপাৱলীক সাধাৰণতে পোহৰৰ উৎসৱ বুলি কওঁ, কিন্তু এই পোহৰৰ উৎসৱত বৰ্তমান সময়ত চাকি-বন্তিৰ বাদে নানান ধৰণৰ পৰিৱেশ প্ৰদূষিত কৰিব পৰা কেমিকেল যুক্ত ফটকা- আতচবাজী ইত্যাদিৰে পোহৰৰ উৎসব দীপাৱলীক আদৰা দেখিবলৈ পোৱা যায়। যিসময়ত গোটেই বিশ্বত বায়ু প্ৰদূষণে এক ভয়ংকৰ ৰূপ ধাৰণ কৰিছে, যিসময়ত ভাৰতৰ ৰাজধানী চহৰ দিল্লীত বায়ু প্ৰদূষণ আজিৰ তাৰিখত সাধাৰণ জনতাৰ বাবে হেঙাৰ হৈ পৰিছে, ঠিক তেনে জটিল সময়ছোৱাত অইন অইন ৰাজ্যৰ দৰে আমাৰ অসমতো কেমিকেল যুক্ত তথা বায়ু প্ৰদূষণৰ সৃষ্টি কৰিব পৰা ফটকা, ব'ম, বিভিন্ন ধৰণৰ আতচবাজী ফুটোৱাতো নিষিদ্ধ কৰা উচিত কিয়নো আমি নিবিচাৰো আমাৰ নিজ ৰাজ্যখনতো দিল্লী কিম্বা অন্য ৰাজ্যৰ দৰে বায়ু প্ৰদূষণৰ ভয়ংকৰ কবলত পৰাটো। এইটো হয় যে আমাৰ নিজ ৰাজ্যত বিশেষকৈ বৰপেটাত থকা আতচবাজী কাৰখানাৰ পৰা যিবিলাক আতচবাজী প্ৰস্তুত কৰা হয়, সেইবিলাক আতচবাজী কিন্তু প্ৰদূষণমুক্ত বুলি কাৰখানাত কৰ্মৰত কৰ্মীসকলে ইতিমধ্যে সংবাদ মাধ্যমৰ আগত মত প্ৰকাশ কৰিছে। যিহেতু দীপাৱলী হৈছে পোহৰৰ উৎসৱ গতিকে এই দীপাৱলীত আতচবাজীৰে নহয় চাকি তথা বন্তি প্ৰজ্বলন কৰি সুখ শান্তি বজাই ৰাখি সকলোৱে পালন কৰিব লাগে। কিয়নো আমি নিবিচাৰো পোহৰৰ উৎসব দীপাৱলীত প্ৰকৃতিৰ কোনো ধৰণৰ ক্ষতিসাধন হোৱাটো, আমি সকলোৱে কেৱল মাথোঁ এটাই বিচাৰো যে পোহৰৰ উৎসৱ দীপাৱলীয়ে গোটেই বিশ্বৰ পৰা যেন কভিড-১৯ মহামাৰীৰ ভয়ংকৰ সন্ত্ৰাসৰ অন্ত পেলায় আৰু বিশ্ববাসীক পুনৰ পূৰ্বৰ দৰেই সাধাৰণ জীৱন যাপন কৰাৰ আশা ঘূৰাই দিয়ে।

■ চন্দন কুমাৰ নাথ
ফোন: ৯১৩২৮-৪৯৭২৬



## দক্ষিণ ৰজাগাধোৱা ছুবাহী মাদ্ৰাছাৰ ফাতেহা দোৱাজৰ সমাপ্তি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১২ নৱেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট অঞ্চলৰ দক্ষিণ ৰজাগাধোৱা ছুবাহী মাদ্ৰাছাৰ ১১ নবেম্বৰত অনুষ্ঠিত হোৱা ফাতেহা দোৱাজ দহম উৎসৱটি সুন্দৰ পৰিৱেশৰ মাজেৰে সম্পন্ন হয়। এজাক শিশুৰ গজল, কোৰান পাঠ ও জিকিৰে মুগ্ধ কৰিলে কেবা শতাধিক গুণমুগ্ধ শ্ৰোতাক। পুৱাৰ পৰা আৰম্ভ হোৱা এই কাৰ্যসূচীত শতাধিক ছাত্ৰ ছাত্ৰীৰ মাজত কোৰান পাঠ, গজল পাঠ, আজান দিয়া, কলিমা পাঠ ও অৰ্থ, বক্তিতা আৰু কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল যদিও তাৰে স্হান অনুযায়ী গ্ৰোপ হিচাপে প্ৰায় ৪০ জন প্ৰতিযোগীয়ে বঁটা লাভ কৰে। লগতে বঁটা নোপোৱা ১১৫ জন ছাত্ৰ-ছাত্ৰী সকলকো নিচুকণি পুৰস্কাৰ দিয়া হয়। কাৰ্যসূচী বোৰ পৰিচালনা কৰে মাদ্ৰাছাৰ প্ৰধান শিক্ষক আবুল খায়েৰ আৰু হাফিজ চামচুল হকে। মুকলি সভাত সভাপতিত্ব কৰে স্হায়ী সভাপতি আব্দুল মতিনে। একুৰি সমাজ সেৱক ব্যক্তিক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। বঁটা বিতৰণী কাৰ্যসূচী ৰূপায়ণ কৰে সম্পাদক খাইৰুল ইছলাম আৰু আবুল কালামে।

## অগপ যুৱ পৰিষদৰ সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ১২ নৱেম্বৰ ঃ** দেৰগাঁও যুৱ পৰিষদৰ বিধান পৰিষদৰ উদ্যোগত আৰু ৪০নং উত্তৰ পৰ্বতীয়া জনজাতি পঞ্চায়ত পৰিষদৰ সহযোগত বৰমুকলিৰ ৰংগ মঞ্চৰ প্ৰাংগণত যুৱ বিধান পৰিষদৰ সভাপতি জয়ন্ত বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হয় এখন সাধাৰণ সভা। দেৰগাঁও বিধানসভা সমষ্টিৰ বিধায়ক ভৱেন্দ্ৰনাথ ভৰালী মুখ্য অতিথি হিচাপে উপস্থিত থকা সভাত অগপৰ নীতি-আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ অঞ্চলটোৰ প্ৰায় অৰ্ধ শতাধিক কংগ্ৰেছকে ধৰি অন্যান্য দলৰ কৰ্মীয়ে অগপত যোগদান কৰে। এই সভাতে সদানন্দ মিছঙক সভাপতি আৰু ৰাজীৱ পেগুক সম্পাদক হিচাপে লৈ ৩১জনীয়া ৪০নং জনজাতি যুৱ পৰিষদ সমিতিখন গঠন কৰা হয়। সভাত অগপ যোৰহাট জিলাৰ সভাপতি সৌৰভ প্ৰাণ বৰা, সম্পাদক গৌতম দলে, বিধান পৰিষদৰ সভাপতি গৌৰীশংকৰ ভূএগু, সম্পাদক বাবুল হাতীবৰুৱা, দেৰগাঁও বিধান পৰিষদৰ যুৱ পৰিষদৰ সম্পাদক ৰঞ্জিত ৰিঙ্কু বৰা, ধৰ্মেন্দ্ৰ হাজৰিকা, ৪০নং গাঁও পঞ্চায়তৰ সভাপতি দ্বিপেন কুটুম আদি বিভিন্ন বিষয়ববীয়াসকল উপস্থিত থাকে।

### অট্টালিকা নিৰ্মাণৰ দোহাই দি উচ্ছেদৰ ষড়যন্ত্ৰ

# একাংশ মালিকৰ মইমতালিত ক্ষুব্ধ ব্যৱসায়ী

**গুৱাহাটী, ১২ নৱেম্বৰ ঃ** কৰ'না মহামাৰীৰ ফলত মাহৰ পিছত মাহ ধৰি হোৱা লকডাউনৰ ফলত বাৰুকৈয়ে দুৰ্ভোগ ভুগিছে ব্যৱসায়ীসকল। মহানগৰীৰে নহয় সমগ্ৰ অসমত ব্যৱসায়ীসকলৰ অৱস্থা পানীত হাঁহ নচৰাৰ দৰে হৈছে। মহানগৰীৰ 'অনুৰাধাৰ আশীৰ্বাদ' মাৰ্কেটৰ একাংশ ব্যৱসায়ীয়ে সংবাদ মাধ্যমক সদৰী কৰা মতে লকডাউনৰ এই সময়ছোৱাৰ লোকচানৰ পৰা ঠন ধৰি উঠিবলৈ আৰু ১০ বছৰ সময় লাগিব। অনুৰাধা বাছ ষ্টপেজৰ সন্মুখত থকা মিঠাইৰ দোকানৰ মালিক সন্থাই লগতে কয় যে জীৱনত প্ৰথমবাৰ এনে ভয়ংকৰ দুৰ্যোগৰ সন্মুখীন হ'লো। ধ্বংস হৈ গ'লো আমি। আমাৰ দুখ কাক কম। কোনে পতিয়াব। মূৰে-কপালে হাত দিয়াৰ বাহিৰে আমাৰ উপায় নাই। উল্লেখ্য, ব্যৱসায়ীসকলৰ এনেই দুৰ্যোগৰ সীমা নাই, তাতে ভূতৰ ওপৰত দানহ পৰা দি একাংশ মালিকে দুৰ্যোগৰ এই সুযোগ লৈ জাপি দিছে ব্যৱসায়ীসকলক আন এটি সমস্যা। বহু মালিকে বিল্ডিং বনাম বুলি কৈ ব্যৱসায়ীসকলক উচ্ছেদ কৰাৰ এক চক্ৰান্ত ৰচিছে। যাৰ ফলত বহু ব্যৱসায়ী ক্ষুব্ধ হৈ পৰিছে। ব্যৱসায়ীসকলে সদৰী কৰা মতে এনেকৈ আমাৰ অৱস্থা পানীত হাঁহ নচৰাৰ দৰে, তাতে আকৌ আমাক একেবাৰে মাৰিবলৈ ওলাইছে একাংশ মালিকে। এটা বিল্ডিং তেওঁলোকে সম্পূৰ্ণ কৰিবলৈ হ'লে লাগিব প্ৰায় দুবছৰ। এই দুবছৰ আমি কি খাওঁ। কি কৰি চলো। বিল্ডিং সম্পূৰ্ণও যদি হয় তাতে আমি আগধন দিব লাগিব ৪ লাখ কৈ টকা। এতিয়া আমাৰ পকেটত ৪ টকাই নাই। আমি কেনেকৈ ভাত মুঠি খাই আছোঁ সেই কথা মালিকসকলে অনুভৱ কৰিছেনে? এজন মালিকৰ অধীনত প্ৰায় ৫০গৰাকী ব্যৱসায়ী থাকে। সেই ৫০গৰাকী ব্যৱসায়ীৰ ৫০টা পৰিয়ালক ধ্বংসৰ মুখলৈ ঠেলি নিজৰ লাভালাভৰ কথা চিন্তা কৰিছে একাংশ মালিকে। যাৰ আমি তীব্ৰ বিৰোধিতা কৰিছোঁ। এতিয়াও কৰ'নাৰ সংহাৰ কমা নাই। আকৌ হয়তো লকডাউন হ'ব পাৰে। গতিকে অন্ততঃ ডেৰটা বছৰ মালিকসকলে আমাক ৰেহাই দিয়ক। চৰকাৰলৈও আমাৰ অনুৰোধ যে আমাৰ ভৱিষ্যতৰ নিৰাপত্তা সুনিশ্চিত কৰক।'

### লেখিকা অসমী গগৈ বৰুৱাৰ ব্যতিক্ৰমী প্ৰয়াস

# জন্মদিনত শিশু কন্যাৰ হাতত গ্ৰন্থ উপহাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১২ নৱেম্বৰ ঃ** সদিচ্ছাৰ পৰিকল্পনাৰে আপোন গৃহৰ সেউজীয়া চোতালত আজি কণ কণ শিশুসকলক ন-বছৰীয়া কন্যাৰ সৈতে সমৱেত কৰি জন্মদিনৰ কেক কটাৰ লগতে নিজে ৰচনা কৰি উলিওৱা তেযষ্ঠীটা ক্ষুদ্ৰ গল্পৰ ১৯৮ পৃষ্ঠাৰ এখন গ্ৰন্থ শিশু আৰু বিশিষ্ট ব্যক্তিসকলৰ হাতেৰে উন্মোচন ঘটায় লেখিকা অসমী গগৈ বৰুৱাই। ১৯৯৪-৯৫ চনৰ পৰা ধাৰাবাহিকভাৱে সাহিত্য চৰ্চাত মনোনিৱেশ কৰি অহা অসমী গগৈ বৰুৱাৰ কালি সন্ধিয়া কন্যা সুগন্ধি উৰুলি বৰুৱাৰ জন্মদিনত উন্মোচিত দ্বিতীয়খন ক্ষুদ্ৰ গল্পৰ সংকলন 'তিনিকুৰি তিনিটা ক্ষুদ্ৰ গল্প'। নাজিৰাৰ বৰবৰুৱা পুখুৰীৰ পাৰৰ নাতিদূৰৰ নিজা বাসভৱনত অনুষ্ঠিত উন্মোচনী কাৰ্যসূচীত ভাগ লৈ বিশিষ্ট কবি আৰু সমালোচক নাজিৰা কলেজৰ অধ্যাপক ৰাজীৱ বৰাই 'কন্যাৰ জন্মদিনৰ শুভেচ্ছা স্বৰূপে উপহাৰৰ ঠাইত মাকে এখন গ্ৰন্থ ৰচনা আৰু প্ৰকাশ কৰি উপহাৰ আগবঢ়াই দিয়াটো অতি বিৰল। নৱেম্বৰ, ডিচেম্বৰ মাহত অসমৰ সাধাৰণ গ্ৰন্থমেলাৰ বতৰক কৰ'না কালৰ প্ৰভাৱে স্তিমিত কৰি তোলাৰ মুহূৰ্তত এই গ্ৰন্থৰ প্ৰকাশে অতিক্ৰম কৰাৰ এক চানেকি দাঙি ধৰিলে বুলি কয়। চিন্তাগত উন্নতিৰ দিশে প্ৰভাৱ প্ৰসাৰ হোৱাৰ প্ৰয়োজনীয়তাক দাঙি ধৰা এই অনুষ্ঠানত উপস্থিত থাকি নাজিৰাৰ মহকুমাধিপতি লখিমী দত্তই কলা-সংস্কৃতিৰ মাজেদি সৃষ্টি কৰ্মৰ বিকাশ আৰু প্ৰতিকুলতা নেওচি লিখনিৰ সৃষ্টিক ধৰি ৰখা কাৰ্যত লেখিকাৰ শলাগ লয়। গুৱাহাটীৰ আৰ্যভট্ট কলেজৰ নৃতত্ত্ব বিভাগৰ অধ্যাপিকা অনামিকা গগৈ দুৱৰা, কুঞ্জলতা প্ৰকাশনৰ স্বত্বাধিকাৰ নিত্যৰঞ্জন গোস্বামী, নাজিৰা মহাবিদ্যালয়ৰ প্ৰবক্তা-বিশিষ্ট কবি ৰাজীৱ বৰা আদিয়ে অনুষ্ঠানত বক্তব্য দাঙি ধৰে। শিশু আবৃত্তিকাৰ অভিজ্ঞান বৰঠাকুৰে কবিতা আবৃত্তি, দেৱজ্ঞান প্ৰতীম দুৱৰা আৰু স্পন্দিতা পৰাশৰে গীত পৰিৱেশন কৰে। অনুষ্ঠানত লেখিকা অসমী গগৈ বৰুৱাই লিখি সৃষ্টি কৰি যোৱা কৰ্মই জন্ম দিয়া সন্তুষ্টিক জন্মদিন উপলক্ষে আৰু অধিক মাত্ৰা প্ৰদান কৰা বুলি প্ৰকাশ কৰে। নাজিৰাৰ সংবাদসেৱীসকলৰ লগতে কেইবাজনো বিশিষ্ট নাগৰিকে কাৰ্যসূচীত ভাগ লয়।

## ইলোৰা বিজ্ঞান মঞ্চ বকোৰ উদ্যোগত দীপাৱলী পালনৰ সজাগতাৰ পথ সভা

### ফটকা-আটচবাজী বৰ্জনৰ আহ্বান

**দৈনন্দিন বাৰ্তা সেৱা, বকো, ১২ নৱেম্বৰ ঃ** সমাগত পোহৰৰ উৎসৱ দীপাৱলীত প্ৰাকৃতিক পৰিৱেশ, জলবায়ু আদিকে ধৰি জীৱকুলৰ ক্ষয়-ক্ষতি হ'ব পৰা ধৰণৰ ব্যৱস্থা আতচবাজী-ফটকা আদি পৰিহাৰ কৰিবলৈ আহ্বান জনাইছে ইলোৰা বিজ্ঞান মঞ্চ অসমে। মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ আহ্বান মৰ্মে কামৰূপ জিলাৰ বকোত বকো শাখাৰ উদ্যোগত আজি এক সজাগতা সভাৰ আয়োজন কৰা হয়। কৰ'না বিভীষিকাৰ মাজত দীপান্বিতা হওক সেউজীয়া পোহৰৰ উৎসৱ। বায়ু আৰু শব্দ প্ৰদূষণ জীৱকুলৰ স্বাস্থ্যৰ পক্ষে ক্ষতিকাৰক। সেয়েহে দীপাৱলী উৎসৱৰ আনন্দ-উল্লাসৰ মাজত জুই- বাৰুদৰ খেলা, ফটকা, অধিক কেমিকেলযুক্ত লাইট, উচ্চ হাৰত শব্দযুক্ত বোমা আদিকে ধৰি শব্দ প্ৰদূষণ হোৱা কাৰ্য বৰ্জন কৰি কলগছৰ সাঁচত মাটিৰ চাকিত মিঠাতেল বন্তি জ্বলাই ধূপ-ধুনাৰে পূজা-অৰ্চনা কৰি দীপাৱলী পালনৰ আহ্বান জনায়। লগতে বজাৰত ৰাইজৰ মাজত সজাগতাৰ পুস্তিকা বিতৰণ কৰে আৰু বকো ৰাজহ চক্ৰৰ চক্ৰ বিষয়া আৰু বকো থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জীত কুমাৰ ৰয়ক সমাজত সজাগতা আনিবলৈ আহ্বান জনাই স্মাৰক-পত্ৰ প্ৰদান কৰে।

# গেলেকীত নগাৰ আগ্ৰাসন-সীমান্তৰ বুজ ল'লে নাজিৰাৰ নৱ-নিযুক্ত মহকুমাধিপতি লখিমী দত্তই

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১২ নৱেম্বৰ ঃ** নাজিৰা মহকুমাৰ নৱ-নিযুক্ত মহকুমাধিপতি তথা অতিৰিক্ত উপায়ুক্ত লখিমী দত্তই কালি বিয়লি শিৱসাগৰ জিলা তথা নাজিৰা মহকুমাৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী গেলেকীত অসমৰ ভূমিত নগাৰ ভয়াৱহ আগ্ৰাসন আৰু সীমান্তৰ দুৰ্বল আন্তঃগাঁথনিৰ বুজ লয়। নাজিৰা মহকুমাৰ ভাৰপ্ৰাপ্ত সীমান্ত দণ্ডাধীশ ৰাজীৱ সোণোৱাল, গেলেকী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দ্বিপেন্দ্ৰ ছেত্ৰীসহ অসম আৰক্ষী বেটেলিয়ন দলৰ নেতৃত্বত যোৱা মহকুমাধিপতিগৰাকীয়ে প্ৰথমে চলিত বৰ্ষৰ মে' মাহত লকডাউনৰ সুযোগ গ্ৰহণ কৰি আগ্ৰাসী নগা বাহিনীয়ে সীমান্ত অঞ্চলটোৰ শিঙিবিলস্থিত অসম আৰক্ষী বেটেলিয়ন কেম্পৰ কিছু নিলগত অসমৰ বৃহৎ ভূমি বেদখলেৰে নিৰ্মাণ কৰা গৃহ ১০ জুনৰ পুৱতি নিশা শিৱসাগৰ জিলা উপায়ুক্ত লক্ষীনন্দন গগৈ আৰু তদানীন্তন মহকুমাধিপতি সম্প্ৰীতি গোস্বামীৰ নেতৃত্বত অসমৰ আৰক্ষী আৰু নিৰপেক্ষ বাহিনীয়ে উচ্ছেদ চলাই উদ্ধাৰ কৰা স্থান পৰিদৰ্শন কৰে। ইয়াৰ উপৰি সীমান্ত অঞ্চলটোৰ মুগাপাৰা, বৰহোলা, সোণাপুৰ আদি অঞ্চলতো অসমৰ ভূমিত নগাৰ আগ্ৰাসনৰ বুজ লৈ মহকুমাধিপতিগৰাকীয়ে এক প্ৰকাৰ হতভম্ব হৈ পৰে। ইয়াৰ পাছতে মহকুমাধিপতিগৰাকীয়ে সীমান্ত অঞ্চলটোৰ নিৰাপত্তাৰ বাবে থকা শিঙিবিল, মুগাপাৰা, বৰহোলা, সোণাপুৰ আৰু চৰাই সজীয়াৰ অসম আৰক্ষী বেটেলিয়নৰ কেম্পসমূহৰ আন্তঃগাঁথনি, বিদ্যুৎ, খোৱাপানী আদি সমস্যাৰ লগতে সীমান্ত অঞ্চলটোৰ জৰাজীৰ্ণ বাট-পথৰ বুজ লয়। ইয়াৰ পাছতে মহকুমাধিপতিগৰাকীয়ে শিঙিবিল কেম্পত সীমান্তৰ নিৰাপত্তাত নিয়োজিত অসম আৰক্ষী বেটেলিয়ন কেম্পৰ প্লাটুন কমাণ্ডাৰসকলৰ সৈতে এক আলোচনাত মিলিত হৈ সীমান্ত অঞ্চলটোৰ আইন-শৃংখলা পৰিস্থিতিৰ বুজ লোৱাৰ লগতে ভৱিষ্যতে সীমান্ত অঞ্চলটোত নগাৰ আগ্ৰাসন প্ৰতিৰোধ আৰু সীমান্ত অঞ্চলটোৰ উন্নয়ন ক্ষিপ্ৰ কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। ইয়াৰ উপৰি পূৰ্বে নগাই দখল কৰিব বিচৰা সীমান্তৰ অসমৰ ভূমিত গছপুলি ৰোপণ কৰি সীমান্ত অঞ্চলটোত বনানীকৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰাৰ বিষয়ে সংবাদ মাধ্যমক জানিবলৈ দিয়ে। ইফালে নৱ-নিযুক্ত নাজিৰা মহকুমাৰ মহকুমাধিপতি লখিমী দত্তৰ সীমান্ত অঞ্চল ভ্ৰমণৰ সময়ত আঠখেল মৌজা ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাই মহকুমাধিপতিগৰাকীক সম্বৰ্ধনা জনায়। সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ উপ-সভাপতি থুনুক গগৈ, আঠখেল মৌজা সন্থাৰ সভাপতি বিমান হাজৰিকা আৰু সম্পাদক বিশ্বজিৎ গগৈৰ নেতৃত্বত সন্থাৰ এটা দলে মুগাপাৰ কেম্পত মহকুমাধিপতিগৰাকীক এখন ফুলাম গামোচা আৰু এখন শৰাইৰে সম্বৰ্ধনা জনায়। সন্থাই সীমান্ত অঞ্চলটোত ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ নিৰাপত্তা নিশ্চিত কৰাৰ বাবে নৱ-নিযুক্ত মহকুমাধিপতিগৰাকীক আহ্বান জনায়।



### মৰিগাঁৱত ঠিকাদাৰৰ মইমতালি

## এটুপি বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত গাঁওবাসী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১২ নৱেম্বৰ ঃ** মৰিগাঁৱত পথ নিৰ্মাণৰ নামত চলিছে একাংশ ঠিকাদাৰৰ মইমতালি। পকী পথ নিৰ্মাণ কৰি যাতায়াত সুচল কৰিছে থিকেই কিন্তু পথ নিৰ্মাণ কৰিবলৈ গৈ এজন ঠিকাদাৰৰ মইমতালিৰ বাবে বিগত তিনি মাহে এটুপি বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হৈ আছে মৰিগাঁও জিলাৰ দন্দুৱাৰ তিনি শতাধিক পৰিয়াল। দন্দুৱাৰ স্থানীয় ৰাইজে অভিযোগ কৰা মতে, তিনি মাহৰ পূৰ্বে দন্দুৱা দৰগাহৰ পৰা দন্দুৱা-হালধিবাৰী সংযোগী পথটোৰ নিৰ্মাণৰ ঠিকা গ্ৰহণ কৰিছিল গাঁৱৰে নাথ উপাধিৰ এজন ঠিকাদাৰে। পথটো নিৰ্মাণৰ বাবে মাটি খান্দোতে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পানী যোগানৰ পাইপ ফাটি গৈছিল। এইক্ষেত্ৰত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কৰ্মচাৰী আৰু পানীৰ পৰা বঞ্চিত হৈ থকা দন্দুৱাৰ ৰাইজে পাইপ মেৰামতি কৰি পুনৰ পানী যোগান ধৰিবলৈ বহুবাৰ ঠিকাদাৰজনক অনুৰোধ কৰি আহিছিল যদিও কোনো গুৰুত্ব নিদি নিজা মইমতালিৰে বিষয়টোৰ পৰা আঁতৰি আছে বুলি গুৰুতৰ অভিযোগ কৰিছে স্থানীয় ৰাইজে। শেহতীয়াকৈ ঠিকাদাৰজনৰ বিৰুদ্ধে ক্ষোভিত হৈ পৰিছে স্থানীয় ৰাইজ। আনহাতে, নিৰ্মাণৰ সম্পূৰ্ণ এমাহ নহওঁতেই ঠায়ে ঠায়ে খহি যাবলৈ ধৰিছে পথটো। যাৰ ফলত দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰজনে অতি নিম্ন মানৰ কাম কৰি লক্ষ লক্ষ টকা আত্মসাৎ কৰাৰো অভিযোগ তুলিছে স্থানীয় ৰাইজে।

## কবি চক্ৰৰ বাৰ্ষিক অধিৱেশন সম্পন্ন

**গুৱাহাটী, ১২ নৱেম্বৰ ঃ** গুৱাহাটী কবি চক্ৰৰ কাৰ্যকৰী সভাপতি গোপাল শৰ্মাই পতাকা উত্তোলন কৰা আৰু কবি তথা সাংবাদিক অনুপ কুমাৰ তালুকদাৰৰ বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা দিনজোৰা কাৰ্যসূচীৰ অনুষ্ঠানত কবি চক্ৰৰ বাৰ্ষিক পত্ৰিকা 'নীলাচল' আৰু ৯খন বিভিন্ন স্বাদৰ গ্ৰন্থ উন্মোচন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে বড়ো সাহিত্য সভাৰ সভাপতি তৰেণ বড়োৱে। গুৱাহাটী কবি চক্ৰৰ বাৰ্ষিক পত্ৰিকাখনৰ উন্মোচকৰ ৰূপত উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° প্ৰশান্ত শৰ্মা, জনপ্ৰিয় কবি নীলিম কুমাৰ, নিখিল বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদৰ অধ্যক্ষ লখিন্দৰ সিন্হা, অসমৰ জাতীয় সংগীতৰ গৱেষক ৰাজীৱ হৰি কৌশিক, বিশিষ্ট সাংবাদিক মুকুল কলিতা, ইন্দ্ৰজিৎ দত্ত, বিপুল শৰ্মা অনুষ্ঠানত উপস্থিত থাকি সৌষ্ঠৱ বৃদ্ধি কৰে। বাৰ্ষিক অধিৱেশনতেই কেইবাগৰাকী লেখক-লেখিকাৰ গ্ৰন্থ উন্মোচনী অনুষ্ঠান অনুষ্ঠিত হয়। অঞ্জনা গগৈৰ তিনিখন গ্ৰন্থ, ৰুবী শইকীয়া দাসৰ দুখন, বিনোদ বড়া আৰু অঞ্জু বৰ্মনৰ একোখনকৈ গ্ৰন্থ উন্মোচন কৰা হয়। উক্ত অনুষ্ঠানতে নলবাৰীৰ উদীয়মান যুৱ কবি সুৰুজ চন্দৰ পকেট আলোচনী 'বাঁহী'ৰো উন্মোচন কৰে বড়ো সাহিত্য সভাৰ সভাপতি শ্ৰদ্ধাৰ তৰেণ বড়োৱে। উল্লেখ যোগ্য যে অনুষ্ঠানত পৰিৱেশন কৰা গুৱাহাটী কবি চক্ৰৰ মূল গীতটি উপদেষ্টা অনুপ কুমাৰ তালুকদাৰৰ দ্বাৰা ৰচিত আৰু গীতটিৰ সুৰ কৰে সাংবাদিক, কবি, গায়ক ধীৰাজ ডেকাই। বিশিষ্ট কবি মুকুট শৰ্মা, দেৱৰাজ কলিতা, ড° চাৰুলতা চৌধুৰী, ৰীতা মিশ্ৰ, টেজেন হাজৰিকা, টেদিজা চেতিয়া পাটৰ, ৰীতামণি বৰদলৈ, জিণ্টুমণি দাস, জয়া শইকীয়া, অলি বৰুৱা, জিতু কাঞ্চন ৰিংকু দেৱী বৰ্মন, চবিন চন্দ্ৰ নাথ, ৰঞ্জনা পাঠক, মামণি পাটোৱাৰী, পূৰবী দেৱী, ম'মা গুপ্তা, আদিকে ধৰি প্ৰায় অৰ্ধ শতাধিক কবিয়ে কবিতা পাঠ কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# ২৬ জানুৱাৰীৰ পূৰ্বে তাই আহোমক জনজাতি কৰিবলৈ শেষ সীমা চৰকাৰক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১২ নৱেম্বৰ ঃ** বিজেপি চৰকাৰে আহোম জনগোষ্ঠীৰ ভোট লৈ চৰকাৰ গঠন কৰি আহোম জনগোষ্ঠীক প্ৰতাৰণা কৰি আজিলৈকে জনজাতিৰ মৰ্যাদা প্ৰদান নকৰিলে। নিৰ্বাচনৰ প্ৰাক্‌ক্ষণত কিন্তু সকলোৱে জনজাতি প্ৰদান কৰাৰ ভুৱা আশ্বাস প্ৰদান কৰে। কিন্তু এই বাৰ নহ'ব। ২৬ জানুৱাৰী শেষ সীমা প্ৰদান কৰি 'তাই আহোম যুৱ পৰিষদ, অসমে (টাইপা) আজি নাজিৰাত চৰকাৰৰ বিৰুদ্ধে ৰণশিঙা বজালে। নাজিৰাৰ হোটেল ভিলা প্ৰেক্ষাগৃহত অনুষ্ঠিত টাইপাৰ নাজিৰা মহকুমা সমিতিৰ প্ৰতিনিধি সভাৰ অন্তত সন্ধিয়া স্থানীয় সাংবাদিকৰ সৈতে মত বিনিময় কৰি সংগঠনটোৰ কেন্দ্ৰীয় যুটীয়া সম্পাদকদ্বয় দিগন্ত তামুলী আৰু দীপ দুৱৰাই লগতে কয় যে, আহোম জনগোষ্ঠীৰ বাবে ৩৬খন বিধানসভা, ৪খন লোকসভা আৰু ২খন ৰাজ্য সভাৰ আসন সংৰক্ষণ কৰিবলৈ দাবী জনায়। ২৬ জানুৱাৰীৰ ভিতৰত যদিহে আহোম জনগোষ্ঠীক জনজাতিকৰণ নকৰে তেন্তে ২১ চনৰ নিৰ্বাচনত বিজেপি দলক অসমৰ পৰা নিঃশেষ কৰি দিয়াৰ হুংকাৰ দিছে। ইফালে ছয় জনগোষ্ঠীক জনজাতিকৰণৰ বাবে অসম চৰকাৰে গঠন কৰি দিয়া সমিতিয়ে অতি সোনকালে প্ৰতিবেদন আহোম জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা সকলো সংগঠনক অৱগত কৰিবলৈ দাবী জনায়। সংগঠনটোৰ নাজিৰা মহকুমা সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি অৰুণ ৰাজকোঁৱৰৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিনিধি সভাত ৰমেন গগৈ, জয়ন্ত বৰগোহাঁই, অৰুণ ৰাজকোঁৱৰ, ৰাতুল দুৱৰাক উপদেষ্টা, দিলীপ গগৈক সভাপতি, সীমান্ত গগৈক কাৰ্যকৰী সভাপতি, নৱজিৎ গগৈক উপ- সভাপতি, অসীম ৰঞ্জন বুঢ়াগোহাঁই, ৰিদীপ গগৈক যুটীয়া সম্পাদক, প্ৰদীপ দিহিঙীয়া আৰু হেম গগৈক সহকাৰী সম্পাদক হিচাপে লৈ টাইপাৰ নাজিৰা মহকুমাৰ ৩০জনীয়া কাৰ্যকৰী সমিতিখন পুনৰ গঠন কৰা হয়। সভাত তাই আহোমক জনজাতিকৰণৰ দাবীত জোঁৰ সমদল আৰু বিভিন্ন প্ৰতিবাদী কাৰ্যসূচীৰ লগতে লাচিত দিৱস, পয় কিন্তু মুন, দিখৌ মহোৎসৱ আৰু চ্যুকাফা দিৱস উদ্‌যাপনকে ধৰি ভালেকেটা কাৰ্যসূচী ৰূপায়ণৰ সিদ্ধান্ত গ্ৰহণ কৰে।



### টীয়ক সমষ্টিত যুঁজাৰ মন বিজেপিৰ, অগপক সমষ্টি এৰি দিয়াত আপত্তি

# শক্তিশালী প্ৰাৰ্থীৰ তালিকাত জ্যেষ্ঠ চিকিৎসক-নেতা-অৱসৰপ্ৰাপ্ত প্ৰবক্তা

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাঁহচৰা, ১২ নৱেম্বৰ ঃ** অসম বিধানসভা সমাগত। অসমৰ অন্যতম এক সমষ্টি টীয়ক বৰ্তমান অগপ-বিজেপি মিত্ৰজোঁটৰ অগপৰ দখলত। সমাগত নিৰ্বাচনক লক্ষ্য কৰি আসন ভাগ-বাটোৱাৰাক লৈ জল্পনা-কল্পনা চলি থকাৰ মাজতে বৰ্তমান অগপ দলৰ দখলত থকা টীয়ক বিধান সভা সমষ্টি পুণৰ অগপক এৰি দিবলৈ সাজু নহয় বিজেপি দল। সমষ্টিটোত দীৰ্ঘদিন ধৰি সাংগঠনিক স্থিতি সৱল কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰা বিজেপি দলৰ কৰ্মীসকলে ২০২১ৰ নিৰ্বাচনত সমষ্টিটো দখল কৰিবলৈ সম্পূৰ্ণ সক্ষম বুলি দাবী কৰি কোনো কাৰণতে সমষ্টিটো মিত্ৰতাৰ নামত অসম গণপৰিষদ দলক এৰি নিদিয়ে বুলি তৃণমূলৰ কৰ্মীসকলে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে প্ৰথম অৱস্থাত বিজেপি দলৰ এটা সাংগঠনিক স্থিতি দুৰ্বলৰ আচিলাতে অগপ দলক এৰি দিছিল যদিও বৰ্তমান সময়ত সমষ্টিটোৰ চুকে কোনে দলীয় স্থিতি মজবুট কৰিছে দলটোৱে। কিন্তু অগপ দলৰ শক্তি আজিৰ দিনত সবল নোহোৱাৰ লগতে বিধায়িকা গৰাকীৰ বিফলতাৰ কথা এতিয়া ৰাইজৰ মুখে মুখে। উল্লেখযোগ্য এনেবোৰ কাৰকৰ ফলত এতিয়া বিজেপি দলৰ বহুকেইজন নেতা টীয়ক সমষ্টিৰ পৰা দলীয় প্ৰাৰ্থিত্বৰ প্ৰবল দাবীদাৰ। প্ৰায়কেইজন প্ৰাৰ্থিত্ব প্ৰয়াসীৰে আছে নিজস্ব ভেটি। সমষ্টিটোত জিলা বিজেপিৰ সম্পাদক, যুৱ নেতা অমৰজ্যোতি শইকীয়া, অসীম বৰুৱা, পালিত বৰা, জিতু হাজৰিকা প্ৰমুখ্যে বহু কেইগৰাকী নেতা দলীয় প্ৰাৰ্থিত্ব প্ৰয়াসী হিচাপে থিয় দিয়াৰ সম্ভাৱনা আছে। এইসকল হল বিজেপি দলৰ পুৰণা কৰ্মী। আনহাতে দীৰ্ঘদিন ধৰি ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ বিভিন্ন স্তৰত প্ৰচাৰ বিমুখ হৈ কামকৰি থকা জ্যেষ্ঠ সংঘ সদস্য তথা তামুলীছিগা ঘনকান্ত বৰা কনিষ্ঠ মহাবিদ্যালয়ৰ সদ্য অৱসৰ প্ৰাপ্ত প্ৰৱক্তা যোগেন চন্দ্ৰ কোঁচেও বিজেপি দলৰ পৰা টীয়ক সমষ্টিৰ প্ৰাৰ্থিত্ব বিচৰাৰ সম্ভাৱনা প্ৰৱল বুলি তেওঁৰ ঘনিষ্ঠ সূত্ৰৰ পৰা জানিব পৰা গৈছে। একোগৰাকী শিক্ষাবিদ তথা আৰ. আৰ এছৰ এগৰাকী সক্ৰিয় কৰ্মী টীয়ক সমষ্টিৰ লগতে ৰাজ্যৰ বিভিন্ন স্থানত কাম কৰি থকা তথা আৰ এছ এছৰ ওপৰ মহলত থকা ঘনিষ্ঠতাৰ বাবেই এতিয়া কোঁচৰ আগমনে টীয়ক সমষ্টিৰ প্ৰাৰ্থীত্বৰ সমীকৰণত আউল লগোৱাৰ সম্ভাৱনা আছে। আনহাতেদি ৰাজ্যৰ এগৰাকী বিশিষ্ট কৰ্কটৰোগ বিশেষজ্ঞ ডাঃ যদুনাথ বুঢ়াগোহাঁয়ে বহু দিন ধৰি ৰাইজৰ মাজত স্বাস্থ্য সজাগতা শিবিৰ, বিনামূলীয়া স্বাস্থ্য শিবিৰ আৰু শেহতীয়াকৈ কৰ'না সংকটকালত সমষ্টিটোৰ চুকে-কোণে আৰ্তজনক সেৱা আগবঢ়োৱা এইগৰাকী চিকিৎসক বৰ্তমান বিজেপি দলৰ শক্তিশালী প্ৰাৰ্থিত্বপ্ৰয়াসী। শেহতীয়াকৈ এইগৰাকী চিকিৎসকে ইতিমধ্যে বিজেপি দলৰ বিভিন্ন দলীয় সভা-সমিতিত অংশগ্ৰহণ কৰাৰ লগতে প্ৰাৰ্থিত্বকেন্দ্ৰিক তৎপৰতা আৰম্ভ কৰিছে। ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ সমৰ্থন লাভৰ লগতে ৰাজ্যিক বিজেপিৰ সংকেত লাভ কৰিছে বুলি ভিতৰুৱা সূত্ৰৰ পৰা জানিব পৰা গৈছে। চিকিৎসকগৰাকীয়ে জনোৱা মতে সমষ্টিটোত তেওঁ আগবঢ়াই থকা বিনামূলীয়া চিকিৎসা সেৱাৰ লগত ৰাজনীতিৰ সম্বন্ধ নাই। এনে পৰিপ্ৰেক্ষিতত বিজেপিৰ ওপৰ মহলে বিজেপিৰ প্ৰাৰ্থী প্ৰদান কৰিবনে নে পুনৰ মিত্ৰতাৰ স্বাৰ্থত অগপক পুনৰ এই আসনখন এৰি দিব ই এতিয়া এক লাখটকীয়া প্ৰশ্ন?

# তামুলপুৰৰ কাউলীত বাক্সা আৰক্ষীৰ মানৱ সৰবৰাহৰ ওপৰত সজাগতা সভা




**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ,১২ নৱেম্বৰ ঃ** দিনক দিনে দেশ তথা ৰাজ্যত বৃদ্ধি পোৱা মানৱ সৰবৰাহৰ ঘটনাৰ বাবে আজি তামুলপুৰ মহকুমাৰ ভাৰত- ভূটান সীমান্তৰ কাউলী বজাৰ প্ৰাংগণত বা'ক্সা জিলা আৰক্ষীৰ উদ্যোগত আৰু ৱৰ্ল্ড ভিশ্যন ইণ্ডিয়া নামৰ সংস্থাৰ সহযোগত মানৱ সৰবৰাহৰ ওপৰত এখন সজাগতা সভা অনুষ্ঠিত হৈ যায়। কাউলী হাইস্কুলৰ প্ৰধান শিক্ষক নাৰদ ভট্টাৰায়ৰ সভাপতিত্বত অনুষ্ঠিত আজিৰ এই সভাত অংশ লয় বা'ক্সা জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক লামহাও ডু ংগেল, কুমাৰীকাটা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া নিলভজ্যোতি নাথে। প্ৰায় তিনি শতাধিক ৰাইজে অংশগ্ৰহণ কৰা আজিৰ এই সভাত কুমাৰীকাটা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া নিলভজ্যোতি নাথে সভাৰ উদ্দেশ্য বাখ্যা কৰি কয় যে অসমত মানৱ সৰবৰাহৰ ঘটনা এতিয়া প্ৰায়ে সংঘটিত হৈ আহিছে। আৰক্ষীয়ে প্ৰতিটো ক্ষণত ইয়াৰ বাবে তৎপৰতা অৱলম্বন কৰি আহিছে। কোনো দুষ্ট চক্ৰই যাতে আমাৰ শিশু সকলক ফুচলাই নিব নোৱাৰে তাৰ বাবে ৰাইজ হ'ব লাগিব আৰু আৰক্ষীক সহায় সহযোগিতাৰো প্ৰয়োজন। তেওঁ পুনৰ কয়- যিকোনো সময়ত যিকোনো অসুবিধাৰ বাবে আৰক্ষী প্ৰশাসন ৰাইজক সুৰক্ষা দিয়াৰ বাবে প্ৰস্তুত। এই ধৰণৰ সৰবৰাহৰ ঘটনা সংঘটিত হলে ততাতৈয়াকৈ আৰক্ষীক অৱগত কৰিবলৈ স্থানীয় ৰাইজক অনুৰোধ জনায়। সভাত ৱৰ্ল্ড ভিশ্যন ইণ্ডিয়া সংস্থাৰ বাবলি বসুমতাৰীয়ে কয় - প্ৰতিবছৰে বৃদ্ধি পাইছে শিশু, মহিলাৰ নিৰুদ্দেশ, অপহৰণৰ ঘটনা। বিশেষকৈ আন্তঃৰাজ্যিক, আন্তঃৰাষ্ট্ৰীয় মানৱ সৰবৰাহকাৰী চক্ৰই ব্যাপকভাৱে খোপনি পুতিছে ৰাজ্যত। ৰাজ্যখনৰ চাহ বাগিচা, আদিবাসী লোক অধ্যুষিত অঞ্চল, দুখীয়া জনজাতীয় পৰিয়াল, দৰিদ্ৰ পৰিয়ালৰ শিশু, মহিলাক লক্ষ্য কৰি এনে চক্ৰই ৰাজ্যৰ পৰা অবাধে মানৱ সৰবৰাহ অব্যাহত ৰাখিছে। দৰিদ্ৰ পৰিয়ালক বিভিন্ন ধৰণে প্ৰলোভন দি এনে পৰিয়ালৰ কিশোৰী, যুৱতী, মহিলাক বহিঃৰাজ্য, বহিঃৰাষ্ট্ৰলৈ নি মানৱ সৰবৰাহকাৰী চক্ৰসমূহে বিক্ৰী কৰাৰ তথ্যও পোহৰলৈ আহিছে, যাৰ বাবে আমি সকলোৱে ইয়াক ৰোধ কৰাৰ বাবে ব্যৱস্থা লব লাগে। সভাত বা'ক্সা জিলাৰ আৰক্ষী অধীক্ষক লামহাও ডুংগলে কয় - সাম্প্ৰতিক সময়ত এচাম দুষ্টলোকে এক জাল পাতি মানৱ সৰবৰাহ অব্যাহত ৰাখিছে। ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ লগতে অসমতো সংঘটিত হৈছে এনে ঘটনা। আমাৰ পিছপৰা অঞ্চলৰ পৰা যাতে কাকো ভয় ভাবুকি অথবা কাম দিয়াৰ প্ৰলোভনেৰে শিশু- যুৱতী সকলক বহিৰাজ্যত নিব নোৱাৰে তাৰ বাবে পৰিয়ালপক্ষ সদায় সজাগ হৈ থাকিব লাগে। কোনো লোকক সন্দেহ হলে পলম নকৰি আৰক্ষীক অৱগত কৰাৰ প্ৰয়োজন বুলি সদৰী কৰি ইয়াৰ ওপৰত ৰাইজক বহল বাখ্যা দাঙি ধৰে। আজিৰ এই সভাত ৱৰ্ল্ড ভিশ্যন ইণ্ডিয়া নামৰ সংস্থাৰ ধ্ৰুৱজ্যোতি বড়ো, কাউলী বজাৰ উন্নয়ন সমিতিৰ সম্পাদক দীপাংকৰ ভট্টাচাৰ্য, গাওঁবুঢ়া ৰঞ্জিত দে, সমাজ কৰ্মী মিন্টু সিংহ, প্ৰদীপ দাস, স্থানীয় শিক্ষক গোপাল আচাৰ্জিকে আদি কৰি তিনি শতাধিকৰো অধিক পুৰুষ মহিলাই অংশগ্ৰহণ কৰে।

# দহ কোটি টকাৰে ঐতিহাসিক বৰফুকন আলিৰ নিৰ্মাণৰ শুভাৰম্ভ বিধায়ক চক্ৰধৰ গগৈৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ১২ নৱেম্বৰ ঃ** ডিমৌৰ সমীপৰ মৰাণ সমষ্টিৰ ঐতিহাসিক বৰফুকন আলিৰ প্ৰথম খণ্ডৰ নিৰ্মাণ কামৰ আজি আনুষ্ঠানিক ভাৱে শুভাৰম্ভ কৰে মৰাণ সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈয়ে। আজি বাঁহনি পথাৰ ৰাজহুৱা প্ৰেক্ষাগৃহত আয়োজিত সভাত এই বিষয়ে জানিবলৈ দি মৰাণ সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈয়ে ৰাইজক জানিবলৈ দি কয় যে অসম চৰকাৰৰ ছিগনেচাৰ প্ৰকল্পৰ অধীনত খোৱাং আজাৰগুৰিৰ পৰা সাৰুৱাচিগালৈকে মুঠ ৬.৫ কি.মি দৈঘ্যৰ পথচোৱা ১০ কোটি টকাৰে নিৰ্মাণ কৰা হ'ব। তেওঁ লগতে কয় যে সাৰুৱাছিগাৰ পৰা ধেমেচীলৈকে ইতিমধ্যে ছয় কিলোমিটাৰ পথৰ কাম আঠ কোটি টকাৰে নিৰ্মাণ কৰা হ'ব। সভাত অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগৰ সহকাৰী অভিযন্তা প্ৰণৱ বৰগোহাঁই, বিজিপি দলৰ নেতা অদুৎ ফুকন, পুস্পধৰ শেনচোৱা, শ্যামল ভূমিজ, নাহৰণি গাওঁ পঞ্চায়তৰ সভাপতি কল্লেন্দ্ৰ কোঁৱৰ, খোৱাং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডিম্বেশ্বৰ বেজবৰুৱাৰ লগতে বহু গন্য মান্য ব্যক্তি উপস্থিত থাকে। সমাজকৰ্মী প্ৰণৱ গগৈয়ে আঁত ধৰা অনুষ্ঠানত মৰাণ সমষ্টিৰ অন্তৰ্গত নাহৰণি, হালধিবাৰী আৰু ধেমেচী গাঁও পঞ্চায়তৰ ৰাইজে পথটোৰ নিৰ্মাণৰ বাবে উদ্যোগ লোৱা মৰাণৰ বিধায়ক চক্ৰধৰ গগৈক ধন্যবাদ জ্ঞাপন কৰে আৰু খোৱাঙৰ পৰা দিখাৰীলৈকে দুই লেনযুক্ত কৰি নিৰ্মাণ কৰিবলৈ বিধায়কক দাবী জনায়।

## দৰঙত ১৪৪ ধাৰা জাৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা,মঙলদৈ, ১২ নৱেম্বৰ ঃ** দৰঙৰ জিলা দণ্ডাধীশে ৰাইজৰ সুৰক্ষা আৰু আইন শৃংখলা অটুট ৰখাৰ স্বাৰ্থত সমগ্ৰ জিলাতে তৎকালীনভাৱে বলবৎ হোৱাকৈ ভাৰতীয় ফৌজদাৰী কাৰ্যবিধি আইনৰ অধীনত ১৪৪ ধাৰা জাৰি কৰিছে। এই অনুসৰি অনুজ্ঞাপত্ৰ বা অনুমতিবিহীনভাৱে সকলোধৰণৰ আতচবাজী মজুত ৰখা আৰু বিক্ৰী কৰা; ৰাজহুৱা স্থান, ৰাষ্ট্ৰীয় ঘাইপথ বা অন্যান্য ৰাজহুৱা পথত ফটকাৰ ব্যৱহাৰ আৰু নিশা ৮ বজাৰ পৰা ১০ বজাৰ বাহিৰে সকলোধৰণৰ আতচবাজী ব্যৱহাৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। তদুপৰি ফটকাৰ উৎপাদন, বিক্ৰী বা ব্যৱহাৰ আৰু লগতে চিকিৎসালয়, শিক্ষানুষ্ঠান, ধৰ্মীয় অনুষ্ঠান, আদালত, জনসমাগম স্থান বা কৰ্তৃপক্ষই ঘোষণা কৰা যি কোনো স্থানৰ ১০০ মিটাৰ পৰ্যন্ত দূৰত্বত কোনো ধৰণৰ আতচবাজী ব্যৱহাৰ কৰিব নোৱাৰিব বুলি নিষেধাজ্ঞাটোত জনোৱা হৈছে। ইয়াৰ উপৰি প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ আৰু নেচনেল গ্ৰীণ ট্ৰিবুনেলে জাৰী কৰা নিৰ্দেশনাৱলী সকলোৱে মানি চলিব লাগিব। লগতে সকলোৱে কভিড-১৯ ৰ সকলো ধৰণৰ নিয়ম মানি চলাটো বাধ্যতামূলক। কোনো লোকে এই নিষেধাজ্ঞা অমান্য কৰিলে আইন অনুসৰি বিহিত ব্যৱস্থা ঘোষণা কৰা হ'ব। এই নিষেধাজ্ঞা ভঙ্গ কৰিলে আইন অনুসৰি দণ্ডনীয় হ'ব।

# ছমৰীয়া উন্নয়ন খণ্ডত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ নামত দুৰ্নীতিৰ অভিযোগ

### নগৰবেৰাত পশ্চিম কামৰূপ ছাত্ৰ সন্থাৰ বিক্ষোভ কাৰ্যসূচী




**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা ১২ নৱেম্বৰঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ ছমৰীয়া উন্নয়ণ খণ্ডৰ অধীনস্থ একাংশ পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ নামত সংঘটিত দুৰ্নীতি-অনিয়মৰ বিৰুদ্ধে আজি আছুয়ে এক বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে।শেষতীয়াকৈ নগৰবেৰাৰ ছমৰীয়া উন্নয়ণ খণ্ড একাংশ পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অতিৰিক্ত তালিকা প্ৰস্তুতৰ নামত সংঘটিত হৈছে ব্যাপক দুৰ্নীতি। উল্লেখ্য যে, উন্নয়ণ খণ্ডৰ কৰ্মচাৰী ভাস্কৰ দত্তই প্ৰধানন্ত্ৰী আৱাস যোজনা আঁচনিৰ গৃহ আৱন্টনৰ নামত হিতাধিকাৰীৰ পৰা ধন সংগ্ৰহ কৰাৰ এক ভিডিঅ ভাইৰেল হোৱাৰ পিছতো আজিলৈ তেওঁৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। তদুপৰি একাংশ বিষয়া কৰ্মচাৰীয়ে মইমতালিৰে তালিকাত ধনী ব্যক্তিৰ নাম অন্তৰ্ভুক্ত কৰাৰ অভিযোগ উত্থাপিত হৈছে । যাৰ বাবে বঞ্চিত হৈছে বহু দৰিদ্ৰ লোক। উন্নয়ণ খণ্ডত সংঘটিত এনে দুৰ্নীতি অনিয়মৰ বিৰুদ্ধে আজি উন্নয়ণ খণ্ডৰ সন্মুখত থকা কেন্দ্ৰীয় ছহীদ বেদী প্ৰাংগণত পশ্চিম কামৰূপ ছাত্ৰ সন্থাৰ একাংশ কৰ্মী-সমৰ্থকৰ লগতে বঞ্চিত একাংশ দৰিদ্ৰ লোকে সাব্যস্ত কৰে প্ৰতিবাদ। প্ৰতিবাদকাৰীসকলে প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ নামত দুৰ্নীতি নচলিব, আৱাস গৃহ তালিকাত প্ৰকৃত হিতাধিকাৰীৰ নাম অন্তৰ্ভূত কৰক, ভাস্কৰ দত্তক গ্ৰেপ্তাৰ কৰক, আছু জিন্দাবাদ আদি ধ্বনিৰে পৰিবেশ উত্তাল কৰি তোলে।

# বিশ্বনাথৰ ধূলিত নেহেৰু যুৱ কেন্দ্ৰৰ সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাভৈ, ১২ ঃ** নবেম্বৰ বিশ্বনাথৰ ধূলি গাওঁ পঞ্চায়তৰ অন্তৰ্গত অমিয় ভৱনৰ প্ৰাংগনত,মাদাৰ মেৰী ক্লাৱৰ সৌজন্যত নেহৰু যুৱ কেন্দ্ৰৰ এখনি সজাগতা সভা অনুষ্ঠিত হয়। আছিচ তপ্পই আত ধৰা সভাখনত মাদাৰ মেৰী ক্লাৱৰ স্থায়ী সভাপতি লিবন খালকই সভাপতিৰ আসন গ্ৰহণ কৰে। সাকোমঠা খণ্ড উন্নয়নৰ অন্তৰ্গত যুৱক যুৱতী সকলৰ মাজত বিভিন্ন বিষয়ৰ ওপৰত সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যেৰে আয়োজন কৰা উক্ত সভাত শতাধিক যুৱক যুৱতী অংশ গ্ৰহণ কৰে। উক্ত সভাত ভাষণ প্ৰসংগত চনচিং বে আৰু ছুভম পুৰবিয়াই কয় যে সাকোমঠা নেহেৰু যুৱ কেন্দ্ৰয়ে এই মুহূৰ্তলৈকে প্ৰায় ৫৮ টা ক্লাবক অন্তৰ্ভুক্ত কৰাইছে আৰু ৩৫ টা ক্লাৱ খোব কম সময়ৰ ভিতৰতে পঞ্জীয়ন কৰাই নেহেৰু যুৱ কেন্দ্ৰৰ সুবিধা সমূহ প্ৰদান কৰিব। লগতে নেহেৰু যুৱ কেন্দ্ৰৰ সা- সুবিধা সমূহ কি দৰে লাভ কৰিব পাৰি, নেহৰু যুৱ কেন্দ্ৰৰ লক্ষ্য উদ্দেশ্যৰ বিষয়ে জানিবলৈ দিয়ে। উক্ত সভাত ধূলি গাওঁ পঞ্চায়তৰ সভাপতি হেমন্ত নাগ, নেহৰু যুৱ কেন্দ্ৰৰ কো-অৰ্ডিনেটৰ ছুভম পুৰবিয়া, বিৰাজ কুৰ্মী, পিংকু হাজৰিকা, নৱজিৎ ৰাজবংশী, ৰিতুন দাস উপস্থিত থাকে ।

# মেৰাপানী সীমান্তত দুখনকৈ চুৰি মটৰচাইকেল উদ্ধাৰ চি আৰ পি এফৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ১২ নৱেম্বৰ ঃ** অসম নগালেণ্ড সীমান্তৰ ওপৰ মেৰাপানীৰ বালিগুৰিত আজি পুৱা ১৪২নং চি আৰ পি এফে গোপন সূত্ৰৰ পমখেদি দুখনকৈ চুৰি মটৰচাইকেল উদ্ধাৰ কৰিবলৈ সক্ষম হয়। চি আৰ পি এফৰ দলটোৱে বালিগুৰিৰ পিলপিলি হোটেলৰ সন্মুখত অভিযান চলাই MP20MK ০৪৩০ নম্বৰৰ এখন বাজাজ পালচাৰ১৫০ আৰু এখন নম্বৰ বিহীন বাজাজ পালচাৰ১৮০ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। অচিনাক্ত চোৰৰ দলটো অভিযানৰ সময়তে পলায়ন কৰিবলৈ সক্ষম হয় আৰু নিৰপেক্ষ বাহিনীটোৱে দুয়োখন মটৰচাইকেল মেৰাপানী আৰক্ষীক চমজাই দিছে।

# লুই বাৰ্জাৰ কেলেংকাৰীৰ তদন্তৰ ক্ষেত্ৰত সৰৱ লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১২ নৱেম্বৰঃ** লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টি, অসমে আজি পাহৰণিৰ গৰ্ভলৈ গুচি যোৱা লুই বাৰজাৰ কেলেংকাৰীৰ তদন্তৰ লেহেমীয়া গতিক লৈ উদ্বেগ প্ৰকাশ কৰে। প্ৰেছ বিজ্ঞপ্তিটোত এল. ডি. পি এ এই অবাঞ্চিত বিলম্বৰ বাবে বিজেপি চৰকাৰক জগৰিয়া কৰি অভিযোগ উত্থাপন কৰে যে এই চৰকাৰখনে দোষীক ৰক্ষণাবেক্ষণ দিবলৈ বিচাৰিছে। এল. ডি. পিৰ ৰাষ্ট্ৰীয় অধ্যক্ষ প্ৰদ্যুৎ বৰাই প্ৰেছ বিজ্ঞপ্তিটোত কয় যে এয়া অতি দুৰ্ভাগ্যজনক যে লুই বাৰজাৰ কেলেংকাৰীৰ তদন্ত আজিলৈকে সম্পূৰ্ণ নহ'ল।অথচ আমেৰিকাত ২০১৫ চনতে এই কোম্পানীটোক জৰিমনা বিহা হৈছিল আৰু লুই বাৰজাৰে এই কথা স্বীকাৰ কৰিছিল যে ভাৰতৰ লগতে ইন্দ'নেছিয়া, ভিয়েটনাম আৰু কুৱেইটত তেওঁলোকে চৰকাৰী ঠিকা পাবলৈ অবৈধ কাৰ্য্যকলাপত লিপ্ত হৈছিল।ৰাজ্যিক অধ্যক্ষ হলিৰাম টেৰাঙে বিজেপি দলক মনত পেলাই কয় যে ২০১৫ চনত তেওঁলোকে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত এখন পুস্তিকা উন্মোচন কৰিছিল য'ত বিজেপি দলে প্ৰত্যক্ষভাৱে হিমন্ত বিস্ব শৰ্মাক লুই বাৰজাৰ কেলেংকাৰীৰ মুখ্য সন্দিগ্ধ বুলি অভিযোগ উত্থাপন কৰিছিল। তেখেতে কয়-"সেইসময়ত শৰ্মা আছিল কংগ্ৰেছত।পিছে সেই বছৰতে শৰ্মাই বিজেপিত যোগদান কৰে আৰু সোনোৱাল চৰকাৰত মন্ত্ৰী পদ গ্ৰহণ কৰে।তেতিয়াৰ পৰা এই বিষয়ত বিজেপি এ সম্পূৰ্ণভাৱে মৌন স্থিতি গ্ৰহণ কৰিলে"। ৰাজ্যিক সভাপতি গুণ গগৈয়ে সৰ্বানন্দ সোনোৱালে সেই সময়ত তেতিয়াৰ মুখ্যমন্ত্ৰী তৰুণ গগৈৰ পৰা লুই বাৰজাৰ কেলেংকাৰী সন্দৰ্ভত স্থিতিৰ স্পষ্টিকৰণ বিচৰাৰ কথা সোঁৱৰাই দি কয় যে আজি সোনোৱাল ডাঙৰীয়াই তেখেতৰ স্থিতি স্পষ্ট কৰক আৰু যোৱা পাচঁোটা বৰ্ষত দোষীক কৰায়ত্ত কৰিবলৈ কি ব্যৱস্থা ল'লে অসমৰ ৰাইজক জনাওঁক। প্ৰেছ বিজ্ঞপ্তিটোত এল ডি পি দলে তদন্তৰ লেহেমীয়া গতিকলৈ তীব্ৰ হতাশা প্ৰকাশ কৰে আৰু দাবী জনাই যে চি বি আই এ অনতিপলমে এতিয়ালৈকে তদন্ত কৰি কি কি গম পালে সেই বিষয়ে বিস্তৃতভাৱে জনাওঁক।




*প্ৰাক্তন আছু নেতা সীমান্ত ঠাকুৰীয়াৰ সংবাদ মেল সম্বোধন, গুৱাহাটী প্ৰেছক্লাবত*

# অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত চাহ শ্ৰমিকৰ আন্দোলন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাহমৰা ১২ নৱেম্বৰ ঃ** বৰ্তমান ৰাজ্যৰ বিজেপি মিত্ৰজোঁটৰ চৰকাৰ খনে উন্নয়নৰ জয়গান গাই চৌদিশে হৈ চৈ কৰি থকাৰ সমান্তৰালকৈ বজাৰথ নিত্য প্ৰয়োজনীয় খাদ্য সামগ্ৰীৰ অভাৱনীয় মূল্যবৃদ্ধি হোৱাত সৰ্বসাধাৰণ ৰাইজৰ লগতে চাহ বাগিচাৰ শ্ৰমিক সকলৰ মাজতো হাহাকাৰ অৱস্থাৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ চৰকাৰৰ লগতে যোগান মন্ত্ৰী আৰু বিভাগটোৰ বিষয়া-কৰ্মচাৰীৰ আওকণীয়া মনোভাৱ আৰু অকৰ্মন্যতাৰ বাবেই এচাম অসাধু ব্যৱসায়ীয়ে নিজ খেয়াল-খুচী মতে খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধি কৰি মুনাফা লুটি থকা দেখা গৈছে। বিশেষকৈ ৰাজ্য চৰকাৰে চাহ বাগিচাৰ একাংশ শ্ৰমিকক বিনা মূল্যে চাউল, দাইল দিছে যদিও অতি কৌশলেৰে প্ৰয়োজনীয় দাইল, আলু, পিয়াজ, মিঠাতেল আদিৰ মূল্য পূৰ্বতকৈ ৩-৪ গুণ বৃদ্ধি কৰাত সামান্য মজুৰিত কাম কৰা শ্ৰমিক সকলে দাইল, আলু, পিয়াজ, মিঠাতেলকে ধৰি অন্যান্য খাদ্য সামগ্ৰীৰ ভিতৰত শাক-পাচলিও ক্ৰয় কৰাৰ ক্ষমতা হেৰুৱাই পেলাইছে। চৰকাৰে চাহ শ্ৰমিকক দিয়া বিনা মূল্যৰ চাউল, দাইল পায়ো শ্ৰমিক সকল সুখী হব পৰা নাই। বৰ্তমান মূল্যবৃদ্ধিৰ প্ৰতিবাদত ৰাজ্য চৰকাৰৰ বিৰুদ্ধে ৰাজ্য খনৰ চৌদিশে জোৰদাৰ প্ৰতিবাদ, আন্দোলন অব্যাহত আছে যদিও চৰকাৰে কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰাৰ বিপৰীতে বিজেপি দলৰ মন্ত্ৰী, বিধায়কে সামগ্ৰী সমূহৰ মূল্যবৃদ্ধিৰ প্ৰতি সহাৰি আৰু সমৰ্থন জনাই নিৰ্লজভাৱে ৰাজহুৱাকৈ বক্তব্য প্ৰদান কৰা দেখা গৈছে। আনহাতে বজাৰত দৈনিক আলু-পিয়াজ, দাইল, মিঠাতেল আদি খাদ্য সামগ্ৰীৰ লগতে শাক-পাচলিৰ ব্যাপক মূল্যবৃদ্ধি হোৱাত বাগিচাৰ শ্ৰমিক ৰাইজৰ মাজত ইয়াৰ বিৰূপ প্ৰভাৱ পৰাত চৰ্চাৰ বিষয় হৈ পৰিছে আৰু চৰকাৰ খন সম্পূৰ্ণ ৰূপে বিফল হোৱাত বাগিচাই বাগিচাই ইয়াৰ জোৰদাৰ প্ৰতিবাদ কৰিবলৈ শ্ৰমিক ৰাইজে নিজাববীয়াকৈ প্ৰস্তুতি চলাইছে। এই সন্দৰ্ভত অসম চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় নেতৃবৰ্গৰ দৃষ্টিগোচৰ কৰাৰ লগতে খাদ্য সামগ্ৰীৰ অতিপাত মূল্যবৃদ্ধিৰ প্ৰতিবাদত উচিত ব্যৱস্থ্ব গ্ৰহণৰ বাবে চাহ জনগোষ্ঠীয় বিভিন্ন দল-সংগঠনৰ নেতা-কৰ্মীকো ইয়াৰ তীব্ৰ প্ৰতিবাদ কৰিবলৈ মজদুৰ সংঘৰ কেন্দ্ৰীয় কোষাধ্যক্ষ তথা মৰাণ শাখা চাহ মজদুৰ সংঘৰ জেষ্ঠ্যে সম্পাদক লক্ষেশ্বৰ তাঁতীয়ে এক প্ৰেছ বিবৃতিৰ জৰিয়তে আহ্বান জনাইছে।

# বিটিচিত কোনো ৰাজনৈতিক দলৰ সৈতে মিত্ৰতা নাই, বিটিচি অঞ্চলৰ ৰাইজৰ সৈতেহে মিত্ৰতা

### গোসাঁইগাঁৱত ৰঞ্জিত দাসৰ নিৰ্বাচনী প্ৰচাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাইগাঁও, ১২ নৱেম্বৰ ঃ** এইবেলি বিটিচিত বিজেপি চৰকাৰ গঠন কৰিব। ইয়াত কোনো সন্দেহ নাই। গোসাঁইগাঁৱত বিজেপি দলৰ ৰাজিক সভাপতি ৰঞ্জিত দাসৰে নিৰ্বাচনী প্ৰচাৰ। মটৰ চাইকেল সমদল । বিটিচিত কোনো ৰাজনৈতিক দলৰ সৈতে মিত্ৰতা নাই। বিটিচি অঞ্চলৰ ৰাইজৰ সৈতে মিত্ৰতা । বিটিচি বিজেপি চৰকাৰ গঠন কৰিব। পঞ্চায়ত নিৰ্বাচনত বিপিএফ যিদৰে অকলে খেলিছে ঠিক বিটিচি নিৰ্বাচনত আমি অকলে খেলিম। প্ৰায় তিনি বছৰ পূৰ্বে ওদালগুৰিত অনুষ্ঠিত বিজেপি দলৰ সভাত বিটিচি গঠনত বিজেপি দলৰ ভূমিকা থাকিব বুলি মই কোৱাত বহুতে হাঁহিছে। কিন্তু সেয়া আজি সম্ভৱ হৈ পৰিছে। আজিৰ দিনত পাঁচ নম্বৰ চৰাইবিল সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী উইলিয়াম নাৰ্জাৰী বিজয়ী নিশ্চিত আৰু তেওঁ এজন কাৰ্যবাহী সদস্য বুলি ঘোষণা কৰিলোঁ। বিজেপি দলৰ ৰাজ্যিক সভাপতি ৰঞ্জিত দাস আজি বিটিচিৰ কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁৱৰ চৰাইবিল সমষ্টিৰ প্ৰাৰ্থী ইউলিয়াম নাজাৰী, শ্ৰীৰামপুৰ সমষ্টিৰ প্ৰাৰ্থী সঞ্জীৱ দত্তৰে হৈ প্ৰচাৰ চলায়। সভাপতি গৰাকীক মটৰ চাইকেল সমদল কৰি গোসাঁইগাঁও আৰু শ্ৰীৰামপুৰ পৰিভ্ৰমণ কৰি নিৰ্বাচনী সভাত অংশ গ্ৰহণ কৰে।

# ৰাজ্য চৰকাৰৰ উদ্যোগত ধেমেচীত কেন্দ্ৰীয় লাচিত দিৱসৰ প্ৰস্তুতি

### উপস্থিত থাকিব মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ,১২ নৱেম্বৰ ঃ** ধেমেচীলৈ আহিব মুখ্যমন্ত্ৰী । মহাবীৰ লাচিত বৰফুকনৰ স্মৃতিত লাচিত দিৱস এইবাৰ ৰাজ্য চৰকাৰৰ উদ্যোগত অহা ২৪ নৱেম্বৰত ডিমৌৰ সমীপৰ্বত্তী মৰাণ সমষ্টিৰ ধেমেচীত অনুষ্ঠিত হব। এই উপলক্ষে কালি মৰাণ সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈ ,ডিব্ৰুগড় জিলাৰ উপাযুক্ত পল্লৱ গোপাল ঝা,অতিৰিক্ত উপাযুক্ত ৰণজিত কোঁৱৰ,মৰাণ ৰাজহ চক্ৰৰ বিষয়া ৰিকুমণি বৰুৱা,সহকাৰী সাংস্কৃতিক বিষয়া অমৃত মিলিকে আদি কৰি প্ৰশাসনৰ বিষয়াসকল ধেমেচী উচ্চ মাধ্যমিক বিদ্যালয়ত উপস্থিত হৈ এখন সভাত অংশগ্ৰহণ কৰে । সভাত মৰাণৰ বিধায়ক চক্ৰধৰ গগৈয়ে অহা ২৪ নৱেম্বৰৰ উদযাপন কৰিবলগীয়া লাচিত দিৱসৰ সৰ্ন্দভত বক্তব্য দাঙি ধৰাৰ লগতে উপাযুক্ত পল্লৱ গোপাল ঝাই পৰিকল্পনা সৰ্ন্দভত বিৱৰি কয় আৰু ৰাইজৰ সহযোগিতা বিচাৰে। স্থানীয় সাংবাদিক মৃদুল বুঢ়াগোহাঁইয়ে আঁত ধৰা সভাত স্থানীয় ধেমেচীবাসী ৰাইজৰ অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰদীপ বৰগোহাঁই, ধেমেচী গাঁও পঞ্চায়তৰ সভাপতি অতুল চাংমাই, গাওঁৰক্ষী বাহিনীৰ বিষয়ববীয়া ঘনকান্ত বুঢ়াগোহাঁই, স্থানীয় যুৱক মন্টু বৰুৱাই বক্তব্য আগবঢ়ায়। সভাত শতাধিক স্থানীয় ৰাইজ উপস্থিত থাকে আৰু জিলা প্ৰশাসনক সহযোগিতা কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

# দীপাবলীৰ পূৰ্বে ধুবুৰীত তীৰ-জুৱা-মদৰ ৰমৰমীয়া আড্ডা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১২ নৱেম্বৰ ঃ** দীপান্বিতা ৰ পূৰ্বে ধুবুৰী ত আৰম্ভ হৈ পৰিছে তীৰ, জুৱা, চুলাই মদৰ ৰমৰমা বেহা। অভিযোগ মতে চহৰৰ বিভিন্ন ঠাইত অবৈধ ভাবে চলিছে সৰ্বনাশা তীৰ খেল। জিলাখনত এক বৃহৎ তীৰ চক্ৰ য় চলাই আছে এই খেল। পুৱা ৮ বজাৰ পৰা বিয়লি৪ বজালৈকে চলে এই খেল। শি ক্ষ ক, ঠিকাদাৰ এই চক্ৰটোত জৰিত হৈ আছে।। শতাধিক এজেন্ট, কমিচনৰ ভিত্তিতে এই তীৰ খেলৰ টিকিট বিক্ৰি কৰে। কম অৰ্থ ৰ বিনিময়ত ধনী হোৱাৰ আশাত বহু লোক এই খেলতে সৰ্বশান্ত হৈছে। চহৰৰ প্ৰতিটো ওৱাডত একাংশ পানৰ দোকান, গেলামালৰ দোকান, ফুটপাতত কাউন্টাৰ বনাই টিকিট বিক্ৰি চলিছে । কিছুমান মোবাইল ৰ জৰিয়তে তীৰ ৰ টিকিট বিক্ৰি কৰিছে বুলি অভিযোগ কৰিছে। আৰ ক্ষী তীৰ চক্ৰৰ বিৰুদ্ধে কোনো ব্যাবস্থা কৰিবলৈ দেখা যোৱা নাই। ইপিনে চুলাই মদৰ ৰমৰমা বেহাল চলিছে। চহৰ ৰ কিছুমান ঠাইত এই বেহা চলিছে। আনহাতে অভিযোগ মতে একাংশ ক্লাবৰ ভিতৰত চলিছে জুৱাৰ বোৰ্ড। জিলা আৰ ক্ষী প্ৰশাসন এই ক্ষেএত ব্যাবস্তা গ্ৰহণ ৰ দাবি জনাইছে।

# বিজেপিৰ ৰাষ্ট্ৰীয় অনুসূচিত জনজাতি মৰ্চাৰ উপ-সভাপতি মনোনীত ৰঞ্জিত ৰহাং

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১২ নৱেম্বৰ ঃ** শাসনাধিষ্ঠিত বিজেপিৰ ৰাষ্ট্ৰীয় অনুসূচিত জনজাতি মৰ্চাৰ উপ-সভাপতি হিচাপে ক্ৰমাগত দ্বিতীয়বাৰৰ বাবে মনোনীত হৈছে বিজেপিৰ জ্যেষ্ঠ নেতা ৰঞ্জিত ৰহাং। মৰ্চাৰ ৰাষ্ট্ৰীয়



সভাপতি তথা সাংসদসমীৰ ওৰাওঁে ৰঞ্জিত ৰহাঙক ৰাষ্ট্ৰীয় উপসভাপতি হিচাপে মনোনীত হোৱাৰ কথা ঘোষণা কৰে। উল্লেখ্য যে ৰঞ্জিত ৰহাঙে ২০১৭ চনত প্ৰথমবাৰ ৰাষ্ট্ৰীয় অনুসূচীত মৰ্চাৰ উপ-সভাপতি হিচাপে মনোনীত হৈছিল। বিজেপি দলৰ প্ৰতি ৰাজ্যৰ জনজাতি তথা অন্যান্য সম্প্ৰদায়ৰসমূহৰ নেতৃস্থানীয় লোকৰ লগতে সৰ্বসাধাৰণক আকৰ্ষিত কৰাৰ ক্ষেত্ৰত প্ৰভূত অৰিহণা আগবঢ়োৱা ৰঞ্জিত ৰহাঙে দলে অৰ্পণ কৰা বিভিন্ন দলীয় দায়িত্ব নিষ্ঠাৰে পালন কৰি আহিছে। ৰাষ্ট্ৰীয় নেতৃত্বৰ গুডবুকত স্থান লাভ কৰি দলৰ জনজাতি মৰ্চাৰ দৰে গুৰুত্বপূৰ্ণ ভাতৃ সংগঠন এটাৰ গধুৰ দায়িত্ব লাভ কৰা ৰাজনীতিবিদগৰাকীয়ে ২০১১ চনৰ বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল। ৰঞ্জিত ৰহাঙৰ দৰে অভিজ্ঞ নেতাই ৰাষ্ট্ৰীয় অনুসূচিত জনজাতি মৰ্চাৰ উপ-সভাপতিৰ দৰে পদত মনোনীত হোৱাত ৰাজ্যিক বিজেপি নেতৃবৰ্গৰ লগতে তৃণমূল কৰ্মীসকলো উৎফুল্লিত হৈ পৰিছে। তাৎপৰ্যপূৰ্ণভাৱে ২০২১ৰ নিৰ্বাচনত সন্মানীয় দিছপুৰ সমষ্টিৰ পৰা প্ৰাৰ্থিত্বৰ অন্যতম দাবীদাৰ এইগৰাকী জ্যেষ্ঠ ৰাজনীতিক।

# গোসাঁইগাঁও আৰক্ষীৰ অভিযানত গাঞ্জাসহ ট্ৰাক জব্দ, তিনিজনক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ১২ নৱেম্বৰ ঃ** গোসাঁইগাঁও মহকুমাৰ শিমুলটাপুত আৰক্ষীৰে গোপন খবৰৰে ভিত্তিত অভিযান চলাই গানজা কঢ়িওৱা এখন ট্ৰাক জব্দ কৰাৰ লগতে তিনিজন লোকক আটক কৰে। গানজাৰ বজাৰ মূল্য প্ৰায় ২৫ লাখ টকা হব। গোসাঁইগাঁৱৰ ৩১ নম্বৰ (গ) ৰাষ্ট্ৰীয় ঘাই পথেৰে গানজা লৈ এখন ট্ৰাক পশ্চিম বংগত প্ৰৱেশ কৰাৰ তথ্য লাভ কৰে আৰক্ষী। লাভ কৰা তথ্যৰে ভিত্তিত নিশা ৰাষ্ট্ৰীয় পথত আৰক্ষী অভিযান চলাই শিমুলটাপুৰে পৰা এখন ট্ৰাক আটক কৰে। ট্ৰাকখনত তালাচী চলাই চেম্বাৰৰ ভিতৰত থকা ৩০ পেকেট গানজা জব্দ উদ্বাৰ কৰে। ইয়াৰ বজাৰ মূল্য প্ৰায় ২৫ লাখ টকা হব। জব্দকৃত ট্ৰাকখনৰ নম্বৰ



আছিল - UP-71T-2923 ।পাছত আৰক্ষীয়ে ট্ৰাখনৰ চালক বিজয় কুমাৰ (৩০), জন ফ্ৰানথ্ঞিছ(২৬) আৰু অসম চাবলৈ অহা চালকৰ বন্ধু দীপক কুমাৰ (২২) নামৰ তিনিজনক আটক কৰে।

# দুলীয়াজানৰ পাখৰিজনীয়াত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ উত্তাল প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰডুবি; ১২ নৱেম্বৰ ঃ** বিগত ১১ মাহৰো অধিক সময় ধৰি কৃষকনেতা অখিল গগৈ কাৰাবন্ধী হৈ আছে । ইয়াৰ পৰিপেক্ষিতত আজি দুলীয়াজানৰ পাখৰিজনীয়া সূৰ্যোদয় যুৱক সংঘৰ প্ৰেক্ষাগৃহৰ প্ৰাংগণত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ লগতে দহখন গাঁৱৰ ৰাইজে অখিল গগৈৰ মুক্তিৰ দাবীত এক প্ৰতিবাদী কাৰ্য্যসূচী ৰূপায়ণ কৰে । কৃষক মুক্তি সংগ্ৰাম সমিতিৰ ৰংচঙী-পুলুঙা আঞ্চলিক সমিতিৰ উদ্যোগত তথা ৰংচঙী আৰু মাটিয়েখনা ৰাইজৰ সহযোগত কৃষক নেতা অখিল গগৈৰ মুক্তিৰ দাবীত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে । প্ৰতিবাদকাৰী সকলে অখিল গগৈ জিন্দাবাদ, কৃষক মুক্তি সংগ্ৰাম সমিতি জিন্দাবাদ, প্ৰতিবাদী সত্ত্বাৰ ওপৰত কৰা আক্ৰমণ সহ্য কৰা ন'হব, জাতিৰ নায়ক অখিল গগৈক শীঘ্ৰে মুক্তি দিয়ক, নাগৰিকত্ব সংশোধিত আইন বাতিল কৰিব লাগিবই, কা' আমি নামানো, বিজেপি চৰকাৰ হায় হায়, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল মুৰ্দাবাদ, আদি বিভিন্ন শ'গানেৰে আকাশ-বতাহ কঁপাই তোলে । ইফালে মাটিয়েখানা, আমগুৰি মুড়ানী, নকাৰী বগাচুক, পাখৰিজানীয়া, কপৌহুৱা, টিপমীয়া, ১ নং লোহালী, ২ নং লোহালী, মাউট, বায়নচুক আদি দহখনৰো অধিক খাটি খোৱা গাঁৱৰ ৰাইজে অখিল গগৈৰ আইনী যুঁজত কিছু সহায় হোৱাকৈ গাঁঠিৰ ধন আগ বঢ়ায়ইছে । মুঠ ধনৰ ৰাখি ২৯ হেজাৰ ৫৫০ টকা সংগ্ৰহ হয় । উক্ত ধনৰাশি বেংকৰ একাউন্টত যোগেদি আজিয়ে প্ৰেৰণ কৰিব বুলি সংগঠনটোৰ বিষয়ববীয়াই সংবাদ মাধ্যমক জানিবলৈ দিয়ে ।



গ্ৰাহকৰ অপেক্ষাত তুৰ্কীৰ ইস্তানবুলত সুসজ্জিত এখন বিলাসী ৰেষ্টুৰেণ্ট ঃ ক'ভিডকালীন সংকটৰ প্ৰতিচ্ছবি

# ঘৰে ঘৰে গৈ ডিজিটেল লাইভ প্ৰমাণ-পত্ৰ সংগ্ৰহ কৰিব ডাকোৱালে

**নতুন দিল্লী, ১২ নৱেম্বৰ ঃ** ভাৰতীয় ডাক বিভাগ আৰু এই বিভাগৰ অন্তৰ্গত বেংকৰ জৰিয়তে অৱসৰপ্ৰাপ্ত লোকসকলৰ জীয়াই থকাৰ প্ৰমাণপত্ৰ দাখিলৰ ক্ষেত্ৰত নতুন নিয়ম প্ৰযোজ্য কৰা হৈছে। বৰ্তমান ক'ভিড-১৯ৰ সংক্ৰমণৰ ফলত চৰকাৰে জ্যেষ্ঠ নাগৰিকসকলক অপ্ৰয়োজনত ঘৰৰ বাহিৰ নহ'বলৈ নিৰ্দেশ দিছে। এসময়ত এনে নিৰ্দেশনাৰ ভিত্তিত জৰিমনা আদায় কৰা হৈছিল। এতিয়া জ্যেষ্ঠ নাগৰিকক পৰামৰ্শ দিয়া হৈছে যাতে জৰুৰী আৰু এৰাব নোৱাৰা কাম নাথাকিলে কোনেও যাতে অনাহকত ঘৰৰ বাহিৰলৈ নোলায়। ফলস্বৰূপে দেশৰ কেবাকোটি জ্যেষ্ঠ নাগৰিক এতিয়া ভীষণ সমস্যাৰ সন্মুখীন হৈছে। কাৰণ ডিজিটেল লাইভ চাৰ্টিফিকেট অৰ্থাৎ জীয়াই থকাৰ প্ৰমাণপত্ৰ প্ৰতি বছৰৰ নৱেম্বৰ মাহত নিজৰ নিজৰ বেংক একাউণ্ট থকা প্ৰতিষ্ঠানসমূহত দাখিল কৰিব লাগে। এই প্ৰমাণপত্ৰ আকৌ বেলেগৰ হাতত দি পঠাই দিলেও নহ'ব। জ্যেষ্ঠ নাগৰিকে নিজেই বেংকৰ নিৰ্দিষ্ট বিষয়াৰ সন্মুখত সোশৰীৰে হাজিৰ হোৱাটোৱে ইমানদিনৰ নিৰ্ধাৰিত নিয়ম হিচাপে পালন কৰা হৈছে। এইবাৰ ক'ৰ'ণা ভাইৰাছৰ বাবে সমস্যাত পৰিছে জ্যেষ্ঠ নাগৰিকসকল। ফলস্বৰূপে তেওঁলোকক সকাহ দিবলৈ আগবাঢ়ি আহিছে ডাকঘৰ কৰ্তৃপক্ষ। এতিয়াৰ পৰা ডাকোৱাল তথা গ্ৰাম্য ডাক সেৱকসকলে জ্যেষ্ঠ নাগৰিকসকলক ডিজিটেল লাইভ প্ৰমাণপত্ৰ দাখিলৰ ক্ষেত্ৰত সহায় কৰিব। নিৰ্দিষ্ট ফোন নম্বৰত যদিহে জ্যেষ্ঠ নাগৰিকে ফোন কৰে তেনেহ'লে সংশ্লিষ্ট ব্যক্তিজনৰ ঘৰত উপস্থিত হ'বগৈ ডাকোৱাল বা গ্ৰাম্য ডাক সেৱক। তেওঁলোকে ব্যক্তিজনৰ ঘৰৰ পৰাই ফটো তথা অন্যান্য তথ্যাদি সংগ্ৰহ কৰি সংশ্লিষ্ট বেংক, ডাকঘৰ আদিত দাখিল কৰিব। ইয়াৰ বাবে দেশত সম্প্ৰতি এক লাখ ৩৬ হাজাৰটা ডাকঘৰ আৰু উপ-ডাকঘৰ আছে য'ত ১ লাখ ৯০ হাজাৰ ডাকোৱাল আৰু গ্ৰাম্য ডাক সেৱকে কাৰ্যনিৰ্বাহ কৰে। এইব্যৱস্থাৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰৰ সকলোবোৰ পেঞ্চনপ্ৰাপ্ত লোকক সামৰি লোৱা হ'ব।

## সংক্ষিপ্ত সংবাদ

### ঘিউৰ চাকিৰে দেৱালী

**মুম্বাই, ১২ নৱেম্বৰ ঃ** লণ্ডন ফেৰট মহাৰাষ্ট্ৰৰ থানেৰ নিবাসী সমীৰ মহাজনে এইবাৰ দেৱালী উদযাপনৰ বাবে প্ৰস্তুত কৰিছে ঘিউ চাকি। দীৰ্ঘদিন ধৰি ইংলেণ্ডৰ বাসিন্দা হিচাপে কটোৱা সমীৰ মহাজনে শেহতীয়াকৈ নিজৰ গৃহ চহৰলৈ উভতি আহিছে। আহিয়েই ঘৰতে




সোমাই নাথাকি গ্ৰহণ কৰিছে এক পদক্ষেপ। এইবাৰ দেৱালীৰ বাবে ঘিউ চাকি প্ৰজ্বলন কৰিব পৰাকৈ ব্যৱসায়িক ভিত্তিত প্ৰস্তুত কৰি উলিওৱা হৈছে। ৰামায়ণ তথা ৰাৱণ বধৰ সময়ত ঘিউ চাকিৰ ব্যৱহাৰ কৰা বিষয়টো প্ৰতিজন ভাৰতীয়ই স্বীকাৰ কৰে। ইয়াৰ লগত সংগতি ৰাখি দেৱালীৰ সময়ত যাতে পুৰাতন ভাৰতীয় সংস্কৃতিৰ ব্যৱহাৰ সম্ভৱপৰ হয় তাৰ বাবেই এনে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

### বাহৰেইনৰ নতুন প্ৰধানমন্ত্ৰী

**ডুবাই, ১২ নৱেম্বৰ ঃ** বাহৰেইনৰ নতুন প্ৰধানমন্ত্ৰী হিচাপে যুৱৰাজ ছালমান অল খালিফাৰ নাম প্ৰস্তাৱ কৰা হৈছে। দেশখনৰ মহাৰজা হামিদ বিন ইছা অল খালিফাই যুৱৰাজৰ নাম প্ৰস্তাৱ কৰিছে। ৰাজকীয় পৰম্পৰা অনুসৰি প্ৰধানমন্ত্ৰীৰ মৃত্যুৰ পিছত ৰাজ পৰিয়ালে যুৱৰাজক উক্ত পদত অধিষ্ঠিত কৰে। দেশখনৰ প্ৰধানমন্ত্ৰী শ্বেইখ খালিফা বিন ছালমা অল খালিফাৰ যোৱা বুধবাৰে পুৱাৰ ভাগত মৃত্যু হৈছিল। তেওঁৰ স্থানত যুৱৰাজ ছলমান অল খালিফাক স্থলাভিষিক্ত কৰা হৈছে।

### ৮০ শতাংশ বিছনা

**নতুন দিল্লী, ১২ নৱেম্বৰ ঃ** দিল্লী উচ্চ ন্যায়ালয়ে ৰাজধানী প্ৰদেশখন ৩৩খন ব্যক্তিগত চিকিৎসালয়ত ৮০ শতাংশ বিছনা ক'ভিড-১৯




আক্ৰান্ত ৰোগীৰ বাবে সংৰক্ষণ কৰিবলৈ নিৰ্দেশ দিছে। দুসপ্তাহৰ বাবে দিয়া এই নিৰ্দেশ অহা ২৬ নৱেম্বৰত সমাপ্ত হ'ব। কিন্তু প্ৰয়োজন অনুভৱ কৰিলে এই নিৰ্দেশনাৰ ম্যাদ বৃদ্ধি কৰিব পাৰিব। এই বিছনাসমূহ অন্যান্য ৰোগীৰ পৰা পৃথক কৰি ৰাখিবলৈ কোৱা হৈছে। উল্লেখ্য যে ন্যায়ালয়ে দিল্লী চৰকাৰক লগতে কয় যে আগন্তুক তিনি দিনৰ ভিতৰত ব্যক্তিগত চিকিৎসালয়সমূহৰ কাম-কাজ সম্পৰ্কে প্ৰতিবেদন দিব লাগিব। বৰ্তমান দিল্লীত কৰ'না ভাইৰাছৰ দ্বাৰা দ্বিতীয় পৰ্যায়ৰ সংক্ৰমণ চলিছে। সেয়েহে চৰকাৰী খণ্ডৰ চিকিৎসালয়ৰ অভাৱ পূৰাবলৈ ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ৰ সহায় আৱশ্যক হৈ পৰিছে।

### পাব-জি

**নতুন দিল্লী, ১২ নৱেম্বৰ ঃ** পাব-জি মোবাইল ইণ্ডিয়াই অচিৰেই নতুন সূচী আৰু কাৰ্যক্ৰমণিকা ঘোষণা কৰিব। চীনৰ দ্বাৰা প্ৰস্তুত কৰা পাব-জি গেমৰ ব্যৱহাৰ নিষিদ্ধ কৰাৰ পিছত বিভিন্নজনে ভাৰতীয় প্ৰযুক্তিৰে একেধৰণৰ ক্ৰীড়াশৈলী উদ্ভাৱনৰ আহ্বান জনাই আহিছিল। এইক্ষেত্ৰত সফলতা লাভ কৰা বুলিও প্ৰকাশ। সেয়েহে দক্ষিণ কোৰিয়াৰ পাব-জি কৰ্প'ৰেশ্বনে নতুনকৈ পাব-জি মোবাইল ইণ্ডিয়া স্থাপন কৰিছে আৰু আনুষ্ঠানিকভাৱে এই মোবাইলৰ কাম-কাজৰ বিষয়ে সদৰী কৰিব বুলি কোৱা হৈছে।

# আত্মনিৰ্ভৰ ভাৰত ঃ বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ পুনৰ ২.৬৫ লাখ কোটিৰ পেকেজ

**নতুন দিল্লী, ১২ নৱেম্বৰ ঃ** কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি সংবাদ মেলৰ জৰিয়তে ক'ৰ'ণাকালীন অৰ্থনৈতিক বিপৰ্যয়ৰ জোৰা মাৰিবলৈ ২.৬৫ লাখ কোটি টকাৰ পেকেজ ঘোষণা কৰিছে। এই ধনেৰে ১২টা নতুন শিতানত ব্যয় কৰিব পাৰিব। বিত্তমন্ত্ৰীয়ে কয় যে বৰ্তমানলৈকে পেকেজৰ দ্বাৰা ২৯ লাখ কোটিতকৈ অধিক ধন আৱণ্টনৰ সিদ্ধান্ত চৰকাৰে




লৈছে। এই পৰিমাণ দেশৰ জিডিপিৰ ১৫ শতাংশ হ'ব। নতুনকৈ ১২টা শিতানত অতিৰিক্ত ধন ব্যয় কৰিবলৈ চৰকাৰ সাজু হোৱা বুলি ব্যক্ত কৰিছে। যোৱা ১ অক্টোবৰৰ পৰা এই আঁচনি কাৰ্যকৰী কৰা হ'ব আৰু দুবছৰ পৰ্যন্ত এই আঁচনি অব্যাহত থাকিব। কৰ্মচাৰীসকলৰ ভৱিষ্যনিধি জমা ধনৰ পৰা সূতবিহীন ঋণ গ্ৰহণৰ ক্ষেত্ৰত এই নতুন পেকেজে সহায় কৰিব। যিসকল কৰ্মচাৰীৰ মাহেকীয়া উপাৰ্জন ১৫ হাজাৰ টকাতকৈ অধিক নহয় তেওঁলোকে ভৱিষ্যনিধিৰ পৰা দুবছৰলৈ সূতবিহীন ঋণ লাভ কৰিব। এনেকৈয়ে আত্মনিৰ্ভৰ ভাৰত শিতানত ইয়াৰ পূৰ্বে বিত্তমন্ত্ৰীয়ে উৎপাদন কাৰ্যৰ সৈতে জড়িত থকা দহটা বিভিন্ন খণ্ডলৈ দুই লাখ কোটি টকাৰ পেকেজ প্ৰদান কৰিছিল।



আমেৰিকা যুক্তৰাষ্ট্ৰৰ টেক্সাছ চহৰত কণমানি সন্তানৰ ফটো সংগ্ৰহৰ প্ৰচেষ্টা পিতৃৰ

# বোম্বে উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ ঃ দেৱালীত দুৱাৰ মুকলি হ'ব দুটা জৈন মন্দিৰৰ

**মুম্বাই, ১২ নৱেম্বৰ ঃ** বোম্বে উচ্চ ন্যায়ালয়ে নিৰ্দেশনা জাৰি কৰিছে দুটা জৈন মন্দিৰৰ দুৱাৰ ভক্তসকলৰ বাবে আৰু দৰ্শনাৰ্থীৰ বাবে মুকলি কৰিব লাগে বুলি। দেৱালীৰ সময়ত উক্ত মন্দিৰ দুটাৰ সুকীয়া তাৎপৰ্য আছে আৰু ইয়াৰ বাবে পৰিচালনা সমিতিয়ে ন্যায়ালয়ৰ দৃষ্টিগোচৰ কৰিছিল। সেই অনুসৰি অহা ১৩ নৱেম্বৰৰ পৰা ১৭ নৱেম্বৰ পৰ্যন্ত পুৱা ৬ বজাৰ পৰা সন্ধিয়া ৯ বজালৈ মন্দিৰ দুটাৰ দুৱাৰ খোলা থাকিব। এই মন্দিৰ দুটা হৈছে দাদৰ আৰু বাইকুলা অঞ্চলত স্থাপিত। ন্যায়ালয়ত এই সম্পৰ্কত আবেদন দাখিল কৰে আত্মাকমল লাবৰি সুৰজজী জৈন জ্ঞান মন্দিৰ ট্ৰাষ্ট আৰু শেঠ মতিশ্বাহ ধাৰ্মিক-ছেৰিটেবুল ট্ৰাষ্টে। যোৱা ৫ নৱেম্বৰত দাখিল কৰা এই আবেদনৰ ভিত্তিত ন্যায়ালয়ে উক্ত জৈন মন্দিৰ দুটা খুলিবৰ বাবে অনুমতি প্ৰদান কৰে। কিন্তু



ন্যায়ালয়ে অন্যান্য জৈন মন্দিৰ মুকলি কৰাৰ ক্ষেত্ৰত নিৰ্দেশনা প্ৰদান কৰা নাই। যদিহে সংশ্লিষ্ট মন্দিৰ কৰ্তৃপক্ষই ন্যায়ালয়ত আৱেদন দাখিল কৰে তেনেহ'লে বিবেচনা কৰাৰ আশ্বাস দিয়া হৈছে। অন্যথা কেবল দুটা মন্দিৰেহে জনোৱা আবেদনৰ ওপৰত ভিত্তি কৰি সকলোবোৰ জৈন মন্দিৰৰ দুৱাৰ খুলিবলৈ অনুমতি দিয়া নহ'ব। অৱশ্যে মন্দিৰ খুলিলেও ভক্ত তথা দৰ্শনাৰ্থীসকলে ক'ভিড প্ৰট'কল অনুসৰি সকলোবোৰ স্বাস্থ্যবিধি মানি চলিব লাগিব বুলি স্পষ্ট কৰা হৈছে।



আৰম্ভ হ'ল ৰে'লৰ ব্যস্ত ভ্ৰমণসূচী-লকডাউনৰ পিছত কলকাতাৰ দৃশ্য

# ১৬ নৱেম্বৰত নীতিশ কুমাৰৰ শপতগ্ৰহণ


**পাটনা, ১২ নৱেম্বৰ ঃ** বিহাৰৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী তথা জনতাদল সংযুক্তৰ নেতা নীতিশ কুমাৰে সপ্তমবাৰলৈ মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব বিহাৰ প্ৰদেশৰ। অৱশ্যে তেওঁ তিনিটা কাৰ্যকালহে সম্পূৰ্ণকৈ পাৰ কৰিছে যদিও অন্যান্য সময়ত ক্ষন্তেকীয়া কাৰ্যকালৰ বাবেহে মুখ্যমন্ত্ৰীৰ চকীত অধিষ্ঠিত হৈছিল। এইবাৰ যোৱা দহ নৱেম্বৰত ২৪৩ আসনবিশিষ্ট বিহাৰ বিধানসভাৰ নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হৈছে। এই ফলাফলত নীতিশ কুমাৰ নেতৃত্বাধীন এন ডি এ মৰ্চাই চৰকাৰ গঠন কৰিব পৰাকৈ নিৰংকুশ সংখ্যাগৰিষ্ঠতা অৰ্জন কৰিছে। এন ডি এ মৰ্চাত বিজেপি, জনতাদল সংযুক্ত, বিকাশশীল ইনছান পাৰ্টী আৰু হিন্দুস্তানী আৱাম মৰ্চা আছে। আটাইকেইটা দলে মুঠ ১২৫ আসনত বিজয়ী হৈছে। সেয়েহে দেৱালীৰ পিছতে অৰ্থাৎ অহা সোমবাৰে নীতিশ কুমাৰে নতুন চৰকাৰৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিব। ইফালে নতুন চৰকাৰ গঠনৰ সম্পৰ্কত এন ডি এ মৰ্চাৰ সকলোবোৰ অংশীদাৰ দল আৰু নিৰ্বাচিত বিধায়কসকলে প্ৰথমবাৰলৈ মিলিত হৈছে। এই সম্পৰ্কত আটাইকেইটা দলে নীতিশ কুমাৰক



বিধায়িনী দলৰ নেতা হিচাপে মনোনীত কৰাৰ সম্ভাৱনা আছে। বিজেপিয়ে এদিন পূৰ্বেই ঘোষণা কৰিছে যে বিহাৰত পূৰ্বৰ প্ৰতিশ্ৰুতি অনুসৰি নীতিশ কুমাৰেই হ'ব মুখ্যমন্ত্ৰী। অৱশ্যে বিজেপিয়ে এইবাৰ ৭৪ আসনত জয়ী হৈছে আৰু নীতিশ কুমাৰ নেতৃত্বাধীন জনতা দল সংযুক্ত জয়ী হৈছে ৪৩ আসনত। ফলস্বৰূপে গেৰুৱা দলৰ একাংশই মুখ্যমন্ত্ৰীৰ পদটো বিজেপিয়ে লাভ কৰিব লাগে বুলি মন্তব্য কৰাও দেখা গৈছে।

## পশ্চিমবংগৰ বিজেপি সভাপতিৰ কনভয়ত আক্ৰমণ


**কলকাতা, ১২ নৱেম্বৰ ঃ** পশ্চিমবংগৰ ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ ঘোষৰ কনভয়ত আক্ৰমণ কৰা হৈছে। আজি আলিপুৰ দুৱাৰ জিলাৰ বিভিন্ন অঞ্চলত দলীয় সভাৰ বাবে যাত্ৰা কৰাৰ পিছতে জয়গাঁও অঞ্চলত আক্ৰমণৰ সন্মুখীন হয়। প্ৰাপ্ত তথ্য মতে গোৰ্খা জনমুক্তি মৰ্চাৰ একাংশ সদস্যই হাতে হাতে বেনাৰ লৈ বিজেপি মুৰ্দাবাদ ধ্বনিৰে মুখৰিত কৰি তোলে। লগতে শিলগুটি, ইটাৰ টুকুৰা, লাঠি আদিৰে দিলীপ ঘোষৰ কনভয় আক্ৰমণ কৰে। ফলত দিলীপ ঘোষে ব্যৱহাৰ কৰা বাহনখন বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। অৱশ্যে নিৰাপত্তাৰক্ষীয়ে তেওঁক উদ্ধাৰ কৰি আনে। এইসম্পৰ্কত সংবাদ মাধ্যমৰ



আগত কয় যে আগন্তুক নিৰ্বাচনত নিশ্চিত পৰাজয়ৰ আশংকাতে তৃণমূল কংগ্ৰেছ দলৰ কৰ্মীসকলে বিজেপিৰ নেতা-কৰ্মীক নিতৌ আক্ৰমণ কৰি আহিছে। আনকি হত্যা পৰ্যন্ত কৰিছে একাংশ লোকক। অৱশ্যে স্থানীয় টিএম চি নেতাই এই ঘটনাত জড়িত থকাৰ অভিযোগ অস্বীকাৰ কৰিছে।

# চাকৰিত যোগদানেই অপৰাধ ! তালিবানে চকু কাঢ়িলে মহিলা আৰক্ষীৰ

**কাবুল, ১২ নৱেম্বৰ ঃ** খাটেৰা বেগম নামৰ ৩১ বছৰীয়া এগৰাকী যুৱতীৰ চকু কাঢ়িলে তালিবান উগ্ৰবাদীয়ে। যুৱতীগৰাকীৰ অপৰাধ হ'ল এয়ে যে তিনি মাহৰ পূৰ্বে তেওঁ গাজি আৰক্ষী থানাত বিষয়া হিচাপে



যোগদান কৰিছিল। এগৰাকী মহিলা তথা যুৱতী হৈয়ো আৰক্ষীৰ চাকৰিত যোগদান কৰাৰ বাবেই তালিবানে দিলে চৰম শাস্তি। প্ৰাপ্ত তথ্য মতে আৰক্ষী চকীৰ পৰা কৰ্তব্য সামৰি ঘৰমুখী হওঁতেই বাট আগচি ধৰিলে কেবাটাও তালিবানীয়ে। যুৱতীগৰাকীলৈ লক্ষ্য কৰি প্ৰথমে গুলীচালনা কৰে। পিছত চুৰী উলিয়াই যুৱতীগৰাকীৰ দুইটা চকু নষ্ট কৰি দিয়া হয়। অচেতন হৈ পৰা যুৱতীগৰাকীক পিছত প্ৰত্যক্ষদৰ্শীয়ে চিকিৎসালয়ত ভৰ্তি কৰে যদিও দুইটা চকু ইতিমধ্যে দেহৰ পৰা আঁতৰাই আনিব লগা হ'ল। ফলত যুৱতীগৰাকীয়ে কয় যে তেওঁ নিজৰ সপোনৰ সৈতে কেবল তিনিমাহ যাপন কৰিবলৈ সুযোগ পালে। এতিয়া দুচকুত কেবল আন্ধাৰ আৰু তেওঁৰ ভৱিষ্যতো অন্ধকাৰ হৈ পৰিছে। উল্লেখ্য যে তালিবান উগ্ৰবাদীয়ে যুৱতী-মহিলাক ঘৰৰ বাহিৰলৈ ওলোৱাত নিষেধাজ্ঞা জাৰি কৰা আছে আৰু তেওঁলোকক কেবল যৌন কৰ্মী হিচাপেহে ব্যৱহাৰ কৰি আহিছে।


## হাতীৰ প্ৰাণ ৰক্ষা কৰিলে ট্ৰেইন চালকে

**কলকাতা, ১২ নৱেম্বৰ ঃ** কেন্দ্ৰীয় ৰে'লমন্ত্ৰী পীযুষ গোৱেলে নিজৰ মোবাইলৰ পৰা বিভিন্ন সামাজিক মাধ্যমত আপলোড কৰা এখন ফটোৱে ব্যাপক চৰ্চা লাভ কৰিছে। এই ফটোখনৰ বিষয়বস্তু হ'ল পশ্চিমবংগৰ ছিভকগুলমা শাখাৰ এজন ট্ৰেইন চালকৰ তৎপৰতা। প্ৰাপ্ত তথ্য মতে চালকজনে ট্ৰেইনসহ আগুৱাই অহাৰ সময়তে ছিভকগুলমা অঞ্চলত একাংশ বনৰীয়া হাতীয়ে ৰে'ললাইন অতিক্ৰম কৰি থকা দৃশ্যটো চকুত পৰিল। লগে লগে তেওঁ ট্ৰেইনখন ব্ৰেক মাৰি ৰখাবলৈ সক্ষম হয়। ফলস্বৰূপে তিনিটা হাতীৰ প্ৰাণ ৰক্ষা পৰে। চালকজনৰ তৎপৰতাৰ বাবে হাতীৰ প্ৰাণ ৰক্ষা পোৱা কাৰ্যত এতিয়া স্বয়ং মন্ত্ৰীৰ লগতে দেশৰ বিভিন্ন ব্যক্তি, প্ৰতিষ্ঠানে প্ৰশংসাৰে ওপচাই দিয়া দেখা গৈছে। প্ৰণিধানযোগ্য এয়ে যে অসমত অলপতে ট্ৰেইনৰ খুন্দাত পথচাৰী হাতীৰ মৃত্যু হোৱাৰ বাবে সংশ্লিষ্ট ট্ৰেইনৰ ইঞ্জিনটো জব্দ কৰিছিল বন বিভাগে। বিচাৰৰ কাঠগৰালৈ অনা ইঞ্জিনটোৰ সম্পৰ্কতো চলিছিল চৰ্চা।

# সকলো নাগৰিকৰ মৌলিক অধিকাৰ নিশ্চিত কৰক

## পাকিস্তানলৈ আহ্বান ব্ৰিটিছ প্ৰধানমন্ত্ৰী বৰিছ জনছনৰ

**লণ্ডন, ১২ নৱেম্বৰ ঃ** ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছনে পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰাণ খানক পোনপটীয়াকৈ দেশখনৰ সকলো নাগৰিকৰ মৌলিক অধিকাৰ সুৰক্ষা নিশ্চিত কৰিবলৈও আহ্বান জনাইছে। দক্ষিণ এছিয়াৰ যিসকল নাগৰিকে পাকিস্তানৰ সৈতে যাতায়াত তথা



যোগাযোগৰ জৰিয়তে সম্পৰ্ক ৰক্ষা কৰি আছে তেওঁলোকৰ দায়িত্ব পাকিস্তানে গ্ৰহণ কৰিবই লাগিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে ব্ৰিটিছ সংসদত এই কথা ঘোষণা কৰিছে। দক্ষিণ এছিয়া আৰু কমনৱেলথ দেশসমূহৰ লগতে পাকিস্তানৰ মানৱ অধিকাৰ সম্পৰ্কীয় এক আলোচনাত এনে মন্তব্য প্ৰকাশ কৰে। অলপতে পেছোৱাৰৰ এখন নগৰত মেহমুদ খান নামৰ এগৰাকী আহমেদী ব্যক্তিক ধৰ্মীয় সংঘাতৰ বাবে গুলীয়াই হত্যা কৰা হৈছিল। তেওঁ হ'ল এনেদৰে মৃত্যুবৰণ কৰা চতুৰ্থজন আহমেদী ব্যক্তি। পাকিস্তানত মুছলমান হ'লেও আহমেদীসকল সংখ্যালঘুৰ জনগোষ্ঠী হিচাপে পৰিগণিত হৈ আহিছে। জনসংখ্যাৰ দিশৰ পৰা আৰু ৰাজনৈতিক-সামাজিক দিশত কম পৰিমাণৰ প্ৰভাৱ থকাৰ বাবেই আহমেদীসকলক একাংশই নিৰ্যাতন চলাই আহিছে। ইয়াৰ পূৰ্বেও হিন্দু, শিখ, খ্ৰীষ্টান আদি জনগোষ্ঠীকো পাকিস্তানত বলপূৰ্বক ধৰ্মান্তকৰণৰ হেঁচা আৰোপ কৰা হয়।

# বিবাহ বিচ্ছেদ ঃ ট্ৰাম্পৰ পৰা লাভ কৰিব ৫০ নিযুত ডলাৰ

## বিদায়ৰ ক্ষণ গণিছে মেলানিয়া ট্ৰাম্পে

**ৱাশ্বিংটন, ১২ নৱেম্বৰ ঃ** আমেৰিকাৰ সদ্যবিদায়ী ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ পত্নী মেলানিয়া ট্ৰাম্পে ক্ষণ গণিছে বিবাহ বিচ্ছেদৰ। দুয়োৰে পোন্ধৰ বছৰীয়া যুগ্ম জীৱনৰ ইতি পেলাবলৈ ইতিমধ্যে সিদ্ধান্ত লোৱা হৈছে। কেবল হোৱাইট হাউচৰ পৰা বাহিৰ হ'লেই মেলানিয়াই বাহিৰে বাহিৰে ট্ৰাম্পৰ সলনি নিজৰ নতুন ঠিকনালৈ গমণ কৰিব। উল্লেখ্য যে যোৱা ৩ নৱেম্বৰৰ পৰা হোৱা ভোট গণনাৰ অন্তত আমেৰিকা যুক্তৰাষ্ট্ৰত নতুন কাৰ্যকালৰ বাবে ৰাষ্ট্ৰপতি পদলৈ



নিৰ্বাচিত হৈছে জ' বিডেন। ইয়াৰ বিপৰীতে ড'নাল্ড ট্ৰাম্পে প্ৰতিদ্বন্দ্বিতা কৰিও দ্বিতীয়টো কাৰ্যকাল লাভ কৰিবলৈ সক্ষম নহ'ল। এফালে ট্ৰাম্পৰ নিৰ্বাচনৰ পৰাজয় আৰু অন্যফালে মেলানিয়াৰ বিবাহ বিচ্ছেদৰ হুমকিয়ে বিগত এসপ্তাহ ধৰি ড'নাল্ড ট্ৰাম্পৰ অৱস্থা পুতৌজনক হৈ পৰিছে। আমেৰিকাৰ সাংবিধানিক নীতি অনুসৰি কমেও এমাহলৈ ট্ৰাম্পে হোৱাইট হাউছত বাস কৰাৰ সুযোগ ল'ব পাৰে। কিন্তু হোৱাইট হাউছ এৰি যিদিনাই ট্ৰাম্প ঘৰমুখী হ'ব সেইদিনা এহাতেদি মেলানিয়াক হেৰুৱাব আৰু আনহাতেদি মেলানিয়াৰ ভৰণ-পোষণৰ বাবে কমেও ৫০ নিযুত আমেৰিকান ডলাৰ আদায় দিব লাগিব। উল্লেখ্য যে মেলানিয়া হ'ল ট্ৰাম্পৰ তৃতীয় পত্নী। প্ৰথম পত্নী আছিল ইভানা আৰু দ্বিতীয় পত্নীৰ নাম আছিল মাৰ্লা মেপ'ল।



ইজৰাইলত অৱস্থিত তিনি হাজাৰ বছৰ পুৰণি এটা গৃহৰ নিৰ্মাণ কাৰ্যৰ অনুসন্ধান কৰিছে বিশেষজ্ঞসকলে

# চৰাইদেউত মহেশ্বৰ নেওগৰ স্মৃতি দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাহমৰা, ১২ নৱেম্বৰ ঃ** চৰাইদেউ জিলা সাহিত্য সভাৰ উদ্যোগত শান্তিপুৰ শাখা সাহিত্য সভাৰ সহযোগত ১১ নৱেম্বৰ বুধবাৰে অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতা মহেশ্বৰ নেওগৰ স্মৃতি দিৱস শান্তিপুৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত জিলা সভাপতি প্ৰিয়বৰ কোঁৱৰৰ পৌৰোহিত্যত অনুষ্ঠিত হয়। চিৰ চেনেহী গীতেৰে আৰম্ভ হোৱা সভাখন উদ্বোধন কৰে চৰাইদেউ জিলাৰ উপায়ুক্ত তথা লেখক পলাশ ৰঞ্জন ঘৰফলীয়াই। জিলা সম্পাদক ড° ৰঘুনাথ কাগয়ুঙে আদৰণি ভাষণ দিয়াৰ পিছতে চৰাইদেউ জিলাৰ প্ৰতিষ্ঠাপক সভাপতি তথা বিশিষ্টা লেখিকা ৰতিপ্ৰভা গগৈয়ে মহেশ্বৰ নেওগৰ সৃষ্টি আৰু কৰ্মৰ বিষয়ে বিস্তাৰিত ৰূপত ব্যাখ্যা কৰে। চৰাইদেউ জিলাৰ নৱনিযুক্ত উপায়ুক্ত পলাশ ৰঞ্জন ঘৰফলীয়াক জিলা সাহিত্য সভা, শান্তিপুৰ, মাহমৰা, ভজো, শান্তিপুৰ প্ৰাথমিক বিদ্যালয়, সাপেখাতী মহাবিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। ডক্টৰেট প্ৰাপক সাপেখাতী মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক ডঃ চন্দ্ৰ বৰা আৰু সোণাৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডঃ ৰঘুনাথ কাগয়ুঙক পলমকৈ হ'লেও শান্তিপুৰ শাখাই সম্বৰ্ধনা জ্ঞাপন কৰে। তদুপৰি উচ্চ-উচ্চতৰ মাধ্যমিক পৰীক্ষাত কৃতিত্ব অৰ্জন কৰা প্ৰজ্ঞাস প্ৰতিম চাংমাই, কৃষ্টিকণা কৃষাণু, ৰাজনীল গগৈ, অম্লানদ্বীপ চাংমাই, জিকমিক মলীয়া, কাশ্যপ বৰুৱা, তৰালী গগৈ, কৌস্তভ কোঁৱৰক সম্বৰ্ধনা জনোৱা হয়। সভাত ডঃ কনকলতা কোঁৱৰৰ 'আহোমচ্ পলিটিকেল পাৰ্টিচিপেছন্ ছিন্স ইয়াণ্ডাবু ট্ৰীটী' শীৰ্ষক গ্ৰন্থখন উপায়ুক্ত ঘৰফলীয়াই উন্মোচন কৰে। প্ৰাক্তন অধ্যক্ষ ৰবিন কোঁৱৰ, বেদজ্যোতি গগৈ, বিপুল বৰুৱা, স্বপন কৰ, ভীমবৰ পাতিৰি, আৰতি বৰা, মমতা বৰাই অতিথিৰ আসন গ্ৰহণ কৰা সভাৰ আৰম্ভণিতে প্ৰাক্তন প্ৰধান শিক্ষক পূৰ্ণানন্দ দিহিঙীয়াই স্মৃতি তৰ্পণ কৰে। পুৱা সভাৰ পতাকা উত্তোলন কৰে শাখাৰ সভাপতি ভূপেন ফুকন।

# মটক সন্মিলনৰ প্ৰতিষ্ঠা দিৱসৰ প্ৰস্তুতি



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১২ নৱেম্বৰ ঃ** সদৌ অসম মটক সন্মিলনৰ ৮১ সংখ্যক প্ৰতিষ্ঠা দিৱস অহা ২৪ আৰু ২৫ নৱেম্বৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ডিব্ৰুগড়ৰ মোহনবাৰীৰ মিৰিপথাৰ গাঁৱৰ ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰাৰ প্ৰস্তুতি চলোৱা হৈছে। এই উপলক্ষে ইতিমধ্যে যাৱতীয় সকলো কাম-কাজ সম্পূৰ্ণ হৈ উঠাৰ লগতে কালি প্ৰতিষ্ঠা দিৱসৰ ৰভাথলীৰ লাইখুঁটা স্থাপন কৰা হয়। অভ্যৰ্থনা সমিতিৰ মূল সভাপতি বিমল বৰুৱাই লাইখুঁটা স্থাপনৰ শুভাৰম্ভ কৰে। উক্ত অনুষ্ঠানত উপস্থিত থাকে সদৌ অসম মটক সন্মিলনৰ কেন্দ্ৰীয় সমিতি, জিলা সমিতি, আঞ্চলিক সমিতি, অভ্যৰ্থনা সমিতিৰ বিষয়ববীয়া আৰু স্থানীয় ৰাইজ।

# নদুৱাৰৰ শিক্ষা বিষয়া কাৰ্যালয়ৰ কৰ্মচাৰীৰ বিদায় সভা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ১২ নৱেম্বৰ ঃ** শোণিতপুৰ জিলাৰ নদুৱাৰ শিক্ষা খণ্ডৰ অধিনৰ বৰভগীয়া মজলীয়া বিদ্যায়ত নদুৱাৰ শিক্ষাখণ্ড কাৰ্য্যালয়ৰ উচ্চ বৰ্গ সহায়ক প্ৰবীন হাজৰিকাক যোৱা ১০ নৱেম্বৰত বিদায় সম্বৰ্দ্ধনা জনোৱা হয়। উক্ত বিদায় সম্বৰ্ধনা সভাত নদুৱাৰ শিক্ষাখণ্ডৰ অধিনৰ কুৰিখনৰো অধিক প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকসকলৰ উপৰি সহ শিক্ষক সকল উপস্থিত থাকে। নদুৱাৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া পিটাৰ চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত বিদায় সভাখনিত কাৰ্যালয়টোৰ উচ্চ বৰ্গ সহায়ক তথা সদ্য বিদায়ী প্ৰবীন হাজৰিকাৰ চাকৰি জীৱনৰ কৰ্মদক্ষতাৰ ওপৰত বক্তব্য আগবঢ়ায় সদৌ অসম মজলীয়া স্কুল শিক্ষক সন্থাৰ সম্পাদক প্ৰধান ৰনজিৎ বৰঠাকুৰ, প্ৰাথমিক শিক্ষক সন্মিলনিৰ শোণিতপুৰ জিলাৰ সম্পাদক জ্যোতি ভট্ৰ, প্ৰধান শিক্ষক চন্দ্ৰ নাথ, ষড়ানন দেবনাথ, টিল বাহাদুৰ ছেত্ৰী, দধিৰাম ছেত্ৰী,ভাৰত দাসকে ধৰি বিভিন্নজনে। সভাপতিৰ ভাষণত নদুৱাৰ শিক্ষাখণ্ডৰ প্ৰাথমিক শিক্ষা বিষয়া পিটাৰ চৌধুৰীয়ে কয় শিক্ষক সকল সমাজৰ ধৰণী। এই শিক্ষক সকলৰ কৰ্মময় জীৱনৰ সকলো দিশ আগুৱাই নিয়াৰ ক্ষেত্ৰত প্ৰাথমিক পৰ্য্যায়ত খণ্ড প্ৰাথমিক শিক্ষা বিভাগৰ কাৰ্যালয়টোৰ গুৰুত্ব অপৰিসীম ।প্ৰতিখন প্ৰাথমিক বিদ্যালয়ৰ চৰকাৰী কৰ্মপন্থা সমূহ নিয়াৰিকৈ সম্পাদন কৰি যোৱাই আমাৰ প্ৰধান দায়িত্ব। এই দায়িত্ব সম্পাদনত কাৰ্যালয়টোৰ কৰ্মচাৰীসকলৰ সহযোগীতা অতিকৈ গুৰুত্বপূৰ্ণ। আৰু এই দ্বায়িত্বই বিগত সময়চোৱাত নিয়াৰিকৈ সম্পাদন কৰি আহিছিল উচ্চ বৰ্গ সহায়ক প্ৰবীন হাজৰিকাই। সভাখনিত উচ্চ বৰ্গ সহায়ক প্ৰবীণ হাজৰিকাক শৰাই, গামোছা, চেলেং, সম্বৰ্ধনা পত্ৰৰে উষ্ম সম্বৰ্দ্ধনা জ্ঞাপন কৰে নদুৱাৰ শিক্ষাখণ্ডৰ অধীনৰ শিক্ষক শিক্ষয়ত্ৰীসকলে। সভাখনি আতধৰে শিক্ষক প্ৰেম শৰ্ম্মাই।

# চৰকাৰী কৰ্মচাৰীৰ বাবে খীৰতী গাইত পৰিণত এমজি এনৰেগা আঁচনি

## উৎকোচ নিদিলে বিল নিদিয়ে কনিষ্ঠ অভিযন্তাই ঃ উচিত শাস্তি প্ৰদানৰ দাবী ৰাইজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গৌৰীপুৰ, ১২ নৱেম্বৰ ঃ** তদানীন্তন কেন্দ্ৰৰ ইউ পি এ চৰকাৰে দেশৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়ালৰ মাজত এশ দিনৰ কৰ্মসংস্থাপনৰ নিশ্চিয়তা প্ৰদানৰ বাবে মহামানৱ মহাত্মা গান্ধীৰ নামত এক অভিলাষী আঁচনি চমুকৈ এম জি এনৰেগা আঁচনি নামৰ এক আঁচনি হাতত লয় যদিও এচাম চৰকাৰী বিষয়া কৰ্মচাৰীৰ বাবে উক্ত এম জি এনৰেগা আঁচনি খীৰতী গাইত পৰিণত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। ঘটনাৰ বিৱৰণী মতে, ধুবুৰী জিলা প্ৰকল্প সঞ্চালকৰ কাৰ্যালয়ৰ অধীনস্থ দেবীতোলা খণ্ড উন্নয়ন কাৰ্যালয়ৰ অন্তৰ্গত বৰাইবাৰী গাওঁ পঞ্চায়তৰ এলেকাধীন বৰাইবাৰী দ্বিতীয় খণ্ড গাওঁৰ এম জি এনৰেগা আঁচনিৰ কামত প্ৰায় দুই লক্ষাধিক টকাৰ বিল দিবলৈ অমান্তি হয় জয়ন্ত ৰায় নামৰ কনিষ্ঠ অভিযন্তাজনে। এম জি এনৰেগা আঁচনিৰ কামত প্ৰতিটো ডিমাণ্ডত কনিষ্ঠ অভিযন্তা জয়ন্ত ৰায়ক উৎকোচ হিচাপে দিব লাগে দুইৰ পৰা চাৰি হেজাৰ টকা। উক্ত উৎকোচৰ ধন দিব লৈ অমান্তি হলে আপোনাৰ ডিমাণ্ডৰ কপি কনিষ্ঠ অভিযন্তা জনৰ টেবুলত দিনৰ পিছত দিনপৰি থাকে। এনেকৈ পৰি থকাৰ ঘটনা শ শ যদিও আমাৰ হাতত পৰা তথ্য মতে, দুই নং বৰাইবাৰী গাওঁত কামৰ নং (০৪০১০০৯০০/আৰচি/১৯৩২৩৩) আকবৰ আলী খানৰ ঘৰৰ পৰা তালেপ আলীৰ ঘৰ হৈ জুৱান যোগানীৰ ঘৰলৈ যোৱা পথছোৱা নিৰ্মাণৰ বাবে চৰকাৰে ২০১৭ চনৰ অক্টোবৰ মাহৰ ১৬ তাৰিখত অনুমোদন নম্বৰ ১৬৩ - ২৭৯ মৰ্মে ২০১৬-১৭ বিত্তীয় বৰ্ষৰ অধীনত ৯৯৭০০০.০০ টকা ব্যয় সাপেক্ষে এখন ৰাস্তা নিৰ্মাণৰ ধন আৱন্টন দিয়াত ২০১৭ চনৰ এক ডিচেম্বৰত কনিষ্ঠ অভিযন্তা জয়ন্ত ৰায়ৰ উপস্থিতিত ৰাস্তা নিৰ্মাণ কামৰ শুভ উদ্বোধন কৰে। উল্লেখ্য যে, কাম আৰম্ভ কৰাৰ পিছতেই কনিষ্ঠ অভিযন্তা জয়ন্ত ৰায় আৰু মাধবী সৰকাৰে পি ডি আৰু বি ডি অৰ নাম লৈ ডিমাণ্ড দিয়াৰ নামত উৎকোচ বিচাৰে যদিও উক্ত ৰাস্তা নিৰ্মাণকাৰীসকলে উৎকোচ দিবলৈ অমান্তি হোৱাত এটাৰ পাছত আনটো ডিমাণ্ড বাতিল হব লৈ ধৰে। উক্ত বাতিল হোৱা ডিমাণ্ডৰ বিৱৰণ এনেধৰণৰ যথাক্ৰমে ০৩য১২/২০২৭, ৩০/০৪/২০১৮, ১০/০৫/২০১৯, ২০/০৫/২০১৯, ২৬/১২/২০১৯, ১০/০১/২০২০. উপায়ন্তৰ হৈ কনিষ্ঠ অভিযন্তা মাধবী সৰকাৰ আৰু কনিষ্ঠ অভিযন্তা জয়ন্ত ৰায়ক এক বৃহৎ পৰিমাণৰ উৎকোচ দি কেইটামান ডিমাণ্ডত বিল পাব লৈ সক্ষম হয় যদিও বাকী প্ৰায় দুই লক্ষাধিক টকা অনাদায় হৈ পৰিছে। এনেকি উক্ত কামৰ নাম ফলকৰ ধন খিনিও দিয়া নাই বুলি অভিযোগ উত্থাপন কৰিছে ভুক্তভোগীসকলে। স্মৰ্তব্য যে, জবকাৰ্ড শ্ৰমিকৰ পাৰিশ্ৰমিকৰ মজুৰিৰ ধন কাম কৰাৰ ৭ দিনৰ ভিতৰত নিয়ম মতে আদায় দিব লাগে যদিও আজি প্ৰায় তিনি বছৰ অতিক্ৰম কৰিলে যদিও শ্ৰমিকসকলৰ প্ৰাপ্য মজুৰি খিনিও নোপোৱাত আশ্চৰ্য্য প্ৰকাশ কৰিছে সচেতন মহলে। উক্ত কামৰ বিল পৰিশোধ নকৰিলে কনিষ্ঠ অভিযন্তা দুগৰাকীৰ বিৰুদ্ধে আদালতৰ দাৰস্থ হ'ব বুলিও ভুক্তভোগীসকলে সাংবাদিকক জানিব লৈ দিয়ে। লগতে উক্ত ঘটনাৰ চৰ জমিন তদন্ত কৰি দোষীক উচিত শাস্তি প্ৰদানৰ দাবী তুলিছে ৰাইজে। শূন্য সহনশীল নীতিৰ শ্লোগান গোৱা ৰাজ্যৰ শাসকীয় বিজেপি মিত্ৰজোট চৰকাৰৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইসকল চৰকাৰী বিষয়া-কৰ্মচাৰীক নাকী লগাব পাৰিব নে? সেয়া সময়তহে লক্ষণীয় হ'ব।

### যোৰাবাটত বন বিভাগৰ অভিযান

# নম্বৰপ্লেটবিহীন ট্ৰাকত অনা চোৰাং শাল কাঠ জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১২ নৱেম্বৰ ঃ** গুৱাহাটী মহানগৰীৰ অন্যতম দুৱাৰমুখ স্বৰূপ যোৰাবাটত আজি পুৱা বন বিভাগৰ দলে গোপন সূত্ৰৰ পম খেদি মেঘালয়ৰ পৰা গুৱাহাটীলৈ জি এছ ৰোদৰে অনা অৱস্থাত এখন নাম্বাৰপ্লেট বিহীন ১১০৯ মডেলৰ ট্ৰাকত প্ৰায় ছয় ঘনমিটাৰ পৰিমাণৰ নথি পত্ৰ বিহীন শাল কাঠ জব্দ কৰে। জব্দ কৰা কাঠখিনিৰ বজাৰ মূল্য প্ৰায় তিনি লাখ টকা হ'ব বুলি বন বিভাগৰ সূত্ৰত প্ৰকাশ। আনহাতে ট্ৰাকৰ সৈতে গণেশ শৰ্মা নামৰ চালক জনক আটক কৰা হৈছে। বন বিভাগৰ সূত্ৰই সদৰি কৰা অনুসৰি মেঘালয়ৰ পৰাগুৱাহাটীলৈ চোৰাংকৈ কাঠ আহিব বুলি গোপন সূত্ৰে জানিব পাৰি বন বিভাগৰ গুৱাহাটী আঞ্চলিক বন কাৰ্য্যালয়ৰ অধীনৰ যোৰাবাট বন শিবিৰৰ ভাৰপ্ৰাপ্ত বিষয়া পুলিন মহন্তৰ নেতৃত্বত শিবিৰৰ এটা বনকৰ্মীৰ দল মাজনিশাৰে পৰা যোৰাবাটত গুৱাহাটীমুখী পথত জি এছ ৰোডত খাপপিটি আছিল। পুৱা ৫.৪০ মান বজাত নাম্বাৰপ্লেট বিহীন এখন ট্ৰাক আহি থকা দেখি বনকৰ্মীৰ দলে ৰখাই আৰু তালাচী চলোৱাত কৌশলৰে অনা মূল্যৱান শালকাঠ খিনী জব্দ কৰিবলৈ সক্ষম হয়। সম্প্ৰতি কাঠসহট্ৰাকখন বন বিভাগৰ জিম্মাত আছে আৰু চালকজনক সোধাপোছ কৰাৰ লগতে কাঠখিনিৰ বৈধতা সন্দৰ্ভত বিভাগীয় তদন্ত আৰম্ভ কৰা হৈছে বুলি বন বিষয়া পুলিন মহন্তই জানিবলৈ দিছে।

# বিটিচিৰ মথনগুৰিত মহিলা সবলীকৰণৰ সভাত ৰাজ্য চৰকাৰৰ পৰ্যটন মন্ত্ৰী চন্দন ব্ৰহ্ম

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বৰপেটাৰোড, ১২ নৱেম্বৰ ঃ** বিটিচিৰ নিৰ্বাচন অহা ডিচেম্বৰ মাহৰ প্ৰথম সপ্তাহত অনুষ্ঠিত হোৱাৰ ইংগিত বহন কৰাৰ লগে-লগে সমগ্ৰ বিটিচিতে ভোটাৰ ৰাইজক মোহিত কৰাৰ বাবে হাগ্ৰাম মহিলাৰী নেতৃত্বাধীন বিপিএফ কে আদি কৰি অন্যান্য ৰাজনৈতিক দলসমূহে নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। ঠিক অনুৰূপ ধৰণে বাক্সা জিলাৰ ২০নং মথনগুৰি ব্লক কমিটিৰ উদ্যোগত উত্তৰ খাৰিজা বিজনী হাইস্কুল খেলপথাৰত আজি প্ৰায় ১৫ হেজাৰধিক মহিলায়ে অংশ লোৱা সভাত অসম চৰকাৰ পৰ্যটন মন্ত্ৰী চন্দন ব্ৰহ্মায়ে উপস্থিত থাকি ভাষণত কয় সমগ্ৰ বিটিচিতে হাগ্ৰাম মহিলাৰী বিপিএফ চৰকাৰে বাট-পথ, শিক্ষা, কৃষি, স্বাস্থ্য, উদ্যোগ আদিকে কৰি সৰ্বাঙ্গীন দিশতে উন্নয়ন ধাৰা অব্যাহত ৰাখিছে। গতিকে এনে উন্নয়নৰ বাবে বিটিচিবাসীয়ে বিপিএফ দলৰ প্ৰতি অতিকৈ মোহিত হৈছে। সেয়েহে মথনগুৰি পৰিষদীয় সমষ্টিত বিপিএফৰ প্ৰাৰ্থী বেগম আখতাৰা আহমেদক ভোট দি জয়যুক্ত কৰি ই এম হোৱাৰ পোষকতা কৰে। লগতে মন্ত্ৰী গৰাকীয়ে কয় বিজেপি দলক আগন্তুক বিধান সভা নিৰ্বাচনত ৰাইজে মিউজিয়ামত ৰাখিব। উক্ত সভাত মথনগুৰি সমষ্টিৰ বিপিএফৰ প্ৰাৰ্থী বেগম আখতাৰা আহমেদ,ন বিপিএফ নেত্ৰী অঞ্জলি দৈমাৰীকে আদি কৰি দলটোৰ বহুকেইগৰাকী নেতা-নেত্ৰী উপস্থিত থাকি ইউ পিপিএল, বিজেপি দলক তীব্ৰ সমালোচনা কৰে।

# বিলাসীপাৰা শালবাড়ীত এনজিঅ'ৰ উদ্যোগত গছপুলি বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিলাসীপাৰা, ১২ নৱেম্বৰ ঃ** ভাৰত বৰ্ষৰ সমগ্ৰ ৰাজ্যত কৰ'না মহামাৰী বিয়পি পৰি থকাৰ পৰিপ্ৰেক্ষিতত ৰাইজক সজাগ আৰু সমাজৰ প্ৰতি লক্ষ্য ৰাখি নামনি অসমৰ ধুবুৰী জিলাৰ বিলাসীপাৰা SUN SHINE (NGO)ৰ কৰ্ম-কৰ্ত্তাসকলে বগৰীবাৰী ৰাজহ-চক্ৰ বিষয়াৰ উপস্থিতত আজি শালবাড়ীত ৰাইজৰ মাজত মাস্ক আৰু গছপুলি বিতৰণ কাৰ্যসূচী হাতত লয়। উল্লেখ্য যে কাৰ্যসূচীখনত SUN SHINE (NGO)ৰ সভাপতি বাছিৰন নেছা, কাৰ্যকৰী সদস্য জয়নুদ্দিন শ্বেখ, আকতাৰ হোসেন, বিশ্বনাথ ভাদুৰী, নাৰ্জিনা বেগম, মাছুম শ্বেখ, আতোৱাৰ ৰহমান, শিবানী ভাদুৰী আদিকে ধৰি উপস্থিত থাকি ৰাইজৰ মাজত মাস্ক আৰু গছপুলি বিতৰণ কৰে।

# বৰপেটাত কংগ্ৰেছৰ নিৰ্বাচনী তৎপৰতা বৃদ্ধি

### মফিজ উদ্দিন আহমেদক লৈ সৰব চৰ্চা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গৰেমাৰী, ১২ নৱেম্বৰ ঃ** অসম বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলৰ মাজত নিৰ্বাচনী তৎপৰতা ক্ৰমাৎ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। বৰপেটা বিধানসভা সমষ্টিখন বৰ্তমান অগপ দলে দখল কৰি আছে। অগপ বিধায়কজনৰ কাম-কাজত বৃহত্তৰ ঘিলাজাৰী মৌজাৰ জনসাধাৰণ মুঠেই সন্তুষ্ট হ'ব পৰা নাই। হাউলী-জনীয়া আৰু গৰেমাৰীৰ পৰা উত্তৰ বৰপেটা সংযোগী পকী পথ ছোৱাৰ কদৰ্য ৰূপত স্থানীয় ৰাইজে জীয়াতু ভুগিবলগীয়া হৈছে। স্থানীয় বিধায়কজনে পথছোৱা মেৰামতিৰ কেবাবাৰো প্ৰতিশ্ৰুতি প্ৰদান কৰিও পথছোৱা মেৰামতি নকৰাত ৰাইজ ভিতৰি ভিতৰি ক্ষুব্ধ হৈ আছে। আসন্ন নিৰ্বাচনত ইয়াৰ বিৰূপ প্ৰতিক্ৰিয়া পৰাৰ সম্ভাৱনাই অধিক। এসময়ত কংগ্ৰেছৰ দুৰ্গ স্বৰূপ বৰপেটা সমষ্টিটো কংগ্ৰেছে পুনৰ উদ্ধাৰৰ বাবে কঁকালত টঙালি বান্ধিছে। প্ৰায় কুৰি জনকৈ কংগ্ৰেছী নেতাই দলীয় টিকটৰ প্ৰত্যাশাৰে লবী কেন্দ্ৰিক তৎপৰতা অব্যাহত ৰাখিছে। ইয়াৰ মাজত কংগ্ৰেছৰ দলীয় টিকট প্ৰত্যাশী মফিজউদ্দিন আহমেদক অধিক সক্ৰিয় আৰু তৎপৰতা পৰিলক্ষিত হৈছে। বৰপেটা সমষ্টিৰ চুকে-কোণে গ্ৰুপ সভা পাতি তৃণ-মূল পৰ্যায়ৰ কংগ্ৰেছ কৰ্মীসকলক আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে জনসাধাৰণক সজাগ আৰু সচেতন কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। তৃণমূল কংগ্ৰেছ কৰ্মীৰ লগতে সমষ্টিবাসী ৰাইজৰ মাজত মফিজ উদ্দিন আহমেদ (মফিজ খান) সুপৰিচিত আৰু জনসমৰ্থন ক্ৰমাৎ উল্লেখযোগ্যভাৱে বৃদ্ধি পোৱাটো লক্ষ্যণীয়। অন্যান্য টিকট প্ৰত্যাশী কংগ্ৰেছী নেতাৰ ভিতৰত মফিজ খানৰ প্ৰচাৰ আৰু প্ৰসাৰ উল্লেখ যোগ্য ভাৱে বৃদ্ধি পাইছে। শ্ৰীখানক কংগ্ৰেছৰ দলীয় টিকট প্ৰদান কৰিলে অনায়াসে সমষ্টিটো পুনৰ উদ্ধাৰ কৰিব পাৰিব বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে।

# নগাঁৱত বগাহাতীত পৰিণত অটোমেটিক ট্ৰেফিক চিগন্যেল

## বিভ্ৰান্ত যান-বাহনৰ চালক, দুৰ্ভোগ ৰাইজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১২ নৱেম্বৰ ঃ** নগাঁৱত যান-বাহনৰ চলাচল সু-শৃংখলিত কৰি যানজঁট হ্ৰাস কৰাৰ উদ্দেশ্যে চহৰৰ তিনিটা বিশেষ স্থানত ২০১৪ চনৰ শেষৰ ফালে স্থাপন কৰা হৈছিল অটোমেটিক ট্ৰেফিক চিগন্যেল চিষ্টেমৰ। চহৰ খনৰ অতি ব্যস্ততম ট্ৰেফিক পইন্ট সমূহৰ ভিতৰৰ নগাঁও কলেজ চ'ক, ষ্টেষ্ট বেংক ট্ৰেফিক পইন্ট আৰু হয়বৰগাঁও থানা ট্ৰেফিক পইন্টক অটোমেটিক ট্ৰেফিক চিগন্যেল চিষ্টেমলৈ উন্নীত কৰা হৈছিল। ইয়াৰ লগে লগে যান-বাহনৰ চালকসকলেও এই অটোমেটিক ট্ৰেফিক চিগন্যেলৰ সংকেত অনুসৰিয়েই যান বাহন চলাবলৈ ধৰে। যাৰ ফলত ট্ৰেফিক পইন্ট কেইটাত পূৰ্বৰ দৰে তিনি- চাৰিজনকৈ যান বাহন নিয়ন্ত্ৰণ শাখাৰ আৰক্ষী নিয়োগ নকৰাকৈয়ে যান-বাহনৰ নিয়ন্ত্ৰণ সম্ভৱ হৈ পৰে। কিন্তু বিগত প্ৰায় ডেৰ বছৰৰো অধিক কাল এই অটোমেটিক ট্ৰেফিক চিগন্যেল চিষ্টেম বিকল হৈ থকাত যান-বাহনৰ চালকসকলৰ লগতে ৰাইজ ভীষণ অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে। আনহাতে, চহৰ খনৰ এইতিনি টা সদাব্যস্ততম স্থানত থকা অটোমেটিক ট্ৰেফিক চিগন্যেল চিষ্টেম কেইটাত সংস্থাপন কৰা চি চি টি ভি কেমেৰাসমূহো সুদীৰ্ঘ দিন ধৰি সম্পূৰ্ণ বিকল হৈ থকা পৰিলক্ষিত হৈছে।



# শিমলুগুৰিত বনৰজাৰ মুক্ত বিচৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১২ নৱেম্বৰ ঃ** নাজিৰাৰ শিমলুগুৰি নগৰৰ সমীপৰ মাষ্টৰ চুকত বিগত কিছুদিন ধৰি এটা বৃহৎ নাহৰফুটুকী বাঘৰ মুক্ত বিচৰণে জনসাধাৰণক আতঙ্কিত কৰি তুলিছে। বাঘৰ ভয়ত স্থানীয় ৰাইজে পোহনীয়া গৰু ছাগলীকো পহৰা দিবলগীয়া অৱস্থাৰ সৃষ্টি হৈছে যদিও বন বিভাগত খবৰ দিয়াৰ পিছত আজিও বাঘৰ আতঙ্ক ৰোধৰ বাবে বন বিভাগে কোনোধৰণৰ প্ৰচেষ্টা হাতত নোলোৱাত ৰাইজ ক্ষোভিত হৈ পৰিছে।

# মৰাণ ৰাজহ চক্ৰৰ কাৰ্যালয়ত পুথিভঁৰাল মুকলি



**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১২ নৱেম্বৰ ঃ** মৰাণবাসীৰ কাৰণে সুখবৰ। মৰাণ ৰাজহ চক্ৰ কাৰ্যালয়ত ৰাইজৰ বাবে এটা প্ৰজ্ঞান নামেৰে ৰাইজৰ পুথিভঁৰাল আজিৰে পৰা আৰম্ভণি কৰা হৈছে। মৰাণ ৰাজহ চক্ৰৰ বিষয়া লুকুমণি বৰাৰ একক প্ৰচেষ্টাত আৰু কাৰ্যালয়টো কৰ্মচাৰীসকলৰ সহযোগিতাত অসমৰ ভিতৰতে প্ৰথমটো ৰাজহ চক্ৰৰ কাৰ্যালয়ত পুথিভঁৰাল মুকলি কৰাত উপকৃত হ'ব ৰাজহ চক্ৰটো কাৰ্যালয়লৈ বিভিন্ন কামত অহা লোকসকল। বিশেষকৈ বিদ্যালয়-মহাবিদ্যালয়ত অধ্যয়নত ছাত্ৰ-ছাত্ৰীসকল। ডিব্ৰুগড় জিলা উপায়ুক্ত পল্লৱ গোপাল ঝা আৰু অতিৰিক্ত উপায়ুক্ত ৰঞ্জিত কোঁৱৰে এই পুথিভঁৰালৰ শুভাৰম্ভ কৰে। উল্লেখযোগ্য যে এই পুথিভঁৰাল সম্পূৰ্ণ মুকলি হৈ থাকিব আৰু ৰাইজে কাৰ্যালয়লৈ কোনো কামৰ বাবে আহিলে অলপ হ'লেও কিতাপৰ লগত সময় কটাব পাৰিব। সমগ্ৰ অসমৰ ভিতৰতেই মৰাণ ৰাজহ চক্ৰ কায্যালয়ত এইয়া প্ৰথম পদক্ষেপ লোৱাত আদৰণি জনাইছে মৰাণবাসীয়ে ৰাজহ চক্ৰৰ বিষয়াগৰকীক।

# সাংবাদিক পৰাগ ভূঞাৰ হত্যাৰ ঘটনাক গৰিহণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকতা, ১২ নৱেম্বৰ ঃ** প্ৰতিদিন টাইমৰ কাকপথাৰৰ নিৰ্ভিক সাংবাদিক পৰাগ ভূঞাক বুধবাৰে সন্ধিয়া দুৰ্বৃত্তই এখন বাহনেৰে পৰিকল্পিতভাৱে হত্যা কৰা ঘটনাক তীব্ৰ গৰিহণা দিছে শিৱসাগৰ জিলাৰ বকতাৰ সচেতন সমাজৰ লগতে আটাছুৰ চৰাইদেউ জিলা সমিতিয়ে। সমিতিৰ জিলা উপ-সভাপতি অলস প্ৰতীম সন্দিকৈয়ে আজি এক প্ৰেছ বিবৃতিত সাংবাদিক হত্যাৰ ঘটনাটোক নিন্দা কৰাৰ লগতে ই গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ ওপৰত চৰম আঘাত বুলি অভিহিত কৰি চৰকাৰ তথা আৰক্ষী প্ৰশাসনক হত্যাকাৰী দুৰ্বৃত্তক গ্ৰেপ্তাৰ কৰাৰ বাবে কঠোৰ পদক্ষেপ ল'বলৈ দাবী জনাইছে।

# শিৱসাগৰত মহিলা-শিশুৰ বাবে গঠিত জিলা পৰ্যায়ৰ যুটীয়া টাস্ক ফ'ৰ্চৰ বৈঠক

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, শিৱসাগৰ, ১২ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত জুনুমণি সোনোৱালৰ অধ্যক্ষতাত আজি মহিলা আৰু শিশুসকলৰ বাবে গঠিত জিলা পৰ্য্যায়ৰ যুটীয়া টাস্ক ফ'ৰ্চৰ এখন বৈঠক উপায়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত অনুষ্ঠিত হয়। বৈঠকত জিলা পৰ্যায়ৰ যুটীয়া টাস্ক ফ'ৰ্চৰ কাৰ্যপন্থা, ভৱিষ্যত পৰিকল্পনা আৰু সংশ্লিষ্ট বিভাগসমূহৰ দায়িত্ব ইত্যাদি সাঙুৰি কাৰ্যপন্থা প্ৰস্তুতকৰণৰ বিষয়ে বিস্তৃত ভাৱে আলোচনা কৰা হয়। অতিৰিক্ত উপায়ুক্ত গৰাকীয়ে শিশু আৰু মহিলাৰ অধিকাৰ আৰু সুৰক্ষা সুনিশ্চিত কৰাৰ দিশত সংশ্লিষ্ট সকলোকে সম্পূৰ্ণ গুৰুত্ব সহকাৰে আৰু দায়বদ্ধতাৰে কাম কৰি যাবলৈ আহ্বান জনায়। বাল্য বিবাহ, শিশু শ্ৰম, শিশু, মানৱ সৰবৰাহ আৰু মহিলাৰ প্ৰতি শাৰীৰিক আৰু মানসিক নিৰ্যাতন আদিৰ বিৰুদ্ধে তেওঁ জনসাধাৰণৰ মাজত ব্যাপকভাৱে সজাগতা বৃদ্ধি কৰিবলৈ সংশ্লিষ্ট বিভাগসমূহৰ লগতে স্বেচ্ছাসেৱী সংগঠনসমূহকো আহ্বান জনায়। বাল্য বিবাহৰ কোনো ঘটনা পৰিলক্ষিত হ'লে, সেয়া তৎক্ষণাত আৰক্ষীক অৱগত কৰি পঞ্জীয়নভুক্ত কৰাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। শিশু, কিশোৰ-কিশোৰী আৰু মহিলাৰ অধিকাৰ আৰু সুৰক্ষা বিঘ্নিত হোৱা যিকোনো ঘটনা দৃষ্টিগোচৰ হ'লে ততাতৈয়াকৈ আৰক্ষী আৰু জিলা প্ৰশাসনক যোগাযোগ কৰিবলৈও তেওঁ সংশ্লিষ্ট সকলোকে নিৰ্দেশ দিয়ে। বৈঠকত তেওঁ স্বাস্থ্য বিভাগক শিশুসকলৰ বাবে পৰিপূৰক দৰৱ যেনে আইৰণ আৰু ফলিক এচিড আদি নিয়মীয়াভাৱে যোগান ধৰিবলৈ আহ্বান জনায়। ভাৰপ্ৰাপ্ত জিলা সমাজ কল্যাণ বিষয়া দুদু দত্তই বৈঠকৰ উদ্দেশ্য ব্যাখ্যা কৰে। বৈঠকত ইউনিচেফৰ দ্বাৰা প্ৰযোজিত 'মমতা-এইচ আই এম চি'ৰ জিলা সমন্বয়ক ৰাজশ্ৰী শইকীয়াই জিলা টাস্ক ফ'ৰ্চৰ সংগঠন, পৰ্যালোচনা, জিলা পৰ্যায়ৰ কাৰ্যপন্থাৰ ৰূপৰেখা, আন্তঃবিভাগীয় সমন্বয়, নডেল বিভাগ সমূহৰ ভূমিকা, সহযোগী সংস্থাসমূহৰ ভূমিকা আদিৰ ওপৰত এক বিস্তৃত প্ৰতিবেদন পাৱাৰ পইণ্ট প্ৰেজেণ্টেচন যোগেদি আগবঢ়ায়। সভাত উপ-আৰক্ষী অধীক্ষক নিন্‌খ'দেই চিংচন, বিদ্যালয়সমূহৰ পৰিদৰ্শক আব্দুল জেলিল, বিভিন্ন চৰকাৰী বিভাগ যেনে— স্বাস্থ্য, শিক্ষা, সমাজ কল্যাণ, শ্ৰম, শিশু সুৰক্ষা সমিতিৰ বিষয়-ববীয়াৰ লগতে মহিলা আৰু শিশুৰ সুৰক্ষা আৰু উন্নয়নৰ বাবে কাম কৰি থকা স্বেচ্ছাসেৱী সংগঠনৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে।

### কাকপথাৰৰ সাংবাদিক পৰাগ ভূঞাৰ মৃত্যুৰ ঘটনা

# দোষীক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ বিটিএডি সাংবাদিক সংস্থাৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ১২ নৱেম্বৰ ঃ** যোৱা ১১ নৱেম্বৰৰ নিশা প্ৰায় ৯মান বজাত তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ উপ সভাপতি পৰাগ ভূঞা এক পথ দুৰ্ঘটনাত গুৰুত্বৰভাৱে আহত হৈ অৱশেষত ১২নৱেম্বৰত মৃত্যু ঘটে। পৰাগ ভূঞা প্ৰতিদিন টাইম আৰু 'অসমীয়া খবৰ' কাকতৰ কাকপথাৰৰ স্থানীয় সাংবাদিক তথা প্ৰাক্তন মন্ত্ৰী জগদীশ ভূঞাৰ ভাতৃ ।কাকপথাৰৰ সাংবাদিক পৰাগ ভূঞাক দ্ৰুতবেগী বাহনে খুন্দিয়াই পৰিকল্পিত হত্যাৰ অভিযোগ উঠিছে। গতিকে বিটিএডি সাংবাদিক সংস্থাৰ কেন্দ্ৰীয় সমিতিয়ে সমগ্ৰ ঘটনাটো উচ্চ পৰ্যায়ৰ তদন্ত কৰি দোষীক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ চৰকাৰ, সংশ্লিষ্ট কৰ্তৃপক্ষক দাবী জনাইছে। সংস্থাৰ সভাপতি জাইক্ৰুং ব্ৰহ্ম আৰু সাধাৰণ সম্পাদক নৱ কুমাৰ ডেকাই শোক সন্তপ্ত পৰিয়ালবৰ্গ শোক প্ৰকাশ কৰি আন্তৰিক সমবেদনা জনাইছে।

# 'অসম দৰ্শন' আঁচনিত চৰম উপেক্ষিত চৰাইদেউ জিলাৰ ধৰ্মীয় অনুষ্ঠান

## দুটা সমষ্টিত মাত্ৰ ৬খন অনুষ্ঠানলৈ আৰ্থিক অনুদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাহমৰা, ১২ নৱেম্বৰ ঃ** অসম চৰকাৰে চলিত বৰ্ষত 'অসম দৰ্শন' নামৰ এক অভিলাসী আঁচনি প্ৰৱৰ্তন কৰি ৰাজ্যৰ বিভিন্ন ধৰ্মালম্বী জনসাধাৰণৰ ধৰ্মীয় অনুষ্ঠানলৈ আৰ্থিক অনুদান আগবঢ়াই আহিছে যদিও ৰাজ্যৰ বহু পুৰণি ধৰ্মীয় অনুষ্ঠান আজিও চৰম উপেক্ষিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। বিশেষকৈ ৰাজ্য চৰকাৰে চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহত প্ৰথম পৰ্যায়ত (২০১৯-২০ বৰ্ষ) ৯১৬ খন ধৰ্মীয় অনুষ্ঠানলৈ মুঠ ৯১.৫০ কোটি টকা বিতৰণ কৰাৰ পিছত আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত দ্বিতীয় পৰ্যায়ত (২০২০-২১বৰ্ষ) ৩৭৭খন ধৰ্মীয় অনুষ্ঠানলৈ ৩৭.৭০ কোটি টকাৰ আৰ্থিক অনুদান আগবঢ়ায়। কিন্তু ৰাজ্যৰ জিলা ভিত্তিত নিৰ্বাচন কৰা এই ধৰ্মীয় অনুষ্ঠানৰ তালিকাত উজনি অসমৰ ঐতিহ্যমণ্ডিত চৰাইদেউ জিলাক চৰকাৰে চৰম উপেক্ষিত কৰাৰ তথ্য পোহৰলৈ আহিছে। জিলাখনত দুটা সমষ্টি ক্ৰমে মাহমৰা আৰু সোণাৰিৰ সমষ্টিত কেৱল ৬খন ধৰ্মীয় অনুষ্ঠানলৈ দ্বিতীয় পৰ্যায়ত আৰ্থিক অনুদান আগবঢ়ায়। ইয়াৰ ভিতৰত মাহমৰা সমষ্টিৰ অন্তৰ্গত আমলখি দেওহাল লাকুৱা, হাতীবৰুৱা দেওহাল আৰু গড়গাঁও গুলা ঘৰ। আনহাতে সোণাৰি সমষ্টিৰ অন্তৰ্গত ৰহন শ্যাম গাঁও বুদ্ধিষ্ট মনাষ্টেৰী, নগাহাট বেপ্টিষ্ট গীৰ্জাঘৰ আৰু বাঁহবাৰী আঞ্চলিক নামঘৰ। ৰাজ্যৰ অন্য জিলাৰ তুলনাত চৰাইদেউ জিলাই আটাইতকৈ কম সংখ্যক এই আঁচনিত তালিকাভুৰ্ক্ত হোৱাত স্বাভাৱিকতে জিলাখনৰ সচেতন জনসাধাৰণ মাজত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। কিয়নো মন্ত্ৰী, সাংসদ আৰু বিধায়কে গিজগিজাই থকা জিলাখনত অসম চৰকাৰৰ 'অসম দৰ্পন' নামৰ এই আঁচনিখনত কেৱল ৬ খন ধৰ্মীয় অনুষ্ঠানৰ নাম অন্তৰ্ভুক্ত কৰাত জিলাখনৰ ভিতৰত থকা আৰু বহু পুৰণি ধৰ্মীয় অনুষ্ঠান ক্ৰমে সত্ৰ, নামঘৰসমূহ উপেক্ষিত হৈ পৰিল। ইতিপূৰ্বে অসম সত্ৰ মহাসভাৰ চৰাইদেউ জিলা সমিতিয়ে ৰাজ্য চৰকাৰে এই আঁচনিত জিলাখনৰ বহু পুৰণি সত্ৰ আৰু নামঘৰসমূহ অন্তৰ্ভুক্ত কৰিবলৈ দাবী জনাই আহিছিল যদিও জিলা পৰ্যায়ত এই নিৰ্বাচনৰ বেলিকা চৰম স্বজন-তোষণ কৰাৰ বুলি অভিযোগ উত্থাপিত হৈছে। ঐতিহ্যৰে মহিমা মণ্ডিত চৰাইদেউ জিলাক এনেদৰে ৰাজ্য চৰকাৰে অভিলাসী আঁচনিৰ পৰা বহু পুৰণি ধৰ্মীয় অনুষ্ঠানক বঞ্চিত কৰা কাৰ্যই ইতিমধ্যে জিলাখনৰ বিভিন্ন ধৰ্মালম্বী সচেতন জনসাধাৰণৰ মাজত ব্যাপক প্ৰতিক্ৰিয়া সৃষ্টি হৈছে।

## ‘পবিন্দ্ৰ জেউতি’ ‘এডু ফ্লেয়াৰ ছ’চাইটি’ৰ উদ্যোগত বিনামূলীয়া পুৰণি পাঠ্যপুথি সংগ্ৰহ-বিতৰণ অনুষ্ঠানৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১২ নৱেম্বৰ ঃ** অসমৰ এক ব্যতিক্ৰমী বেচৰকাৰী সামাজিক অনুষ্ঠান ‘এডু ফ্লেয়াৰ ছ’চাইটি’ৰ উদ্যোগত আৰু প্লাষ্টিক ব্যৱহাৰৰ বিৰুদ্ধে যুজ দি অহা ‘পবিন্দ্ৰ জেউতি’ৰ সহযোগত পুৰণি পাঠ্যপুথিৰ সংগ্ৰহ আৰু বিতৰণৰ বাবে প্ৰতিবছৰৰ দৰে এইবাৰো গুৱাহাটী প্ৰেছ ক্লাবত অহা ১৫ নৱেম্বৰ ৰবিবাৰে দিনৰ ১ বজাত ছাত্ৰ ছাত্ৰী সকলৰ মাজত বিভিন্ন ব্যক্তিৰ পৰা সংগ্ৰহ কৰি অনা বিভিন্ন পাঠ্যক্ৰমৰ আৰু বিভিন্ন শ্ৰেণীৰ মুল্যবান পাঠ্যপুথি, সহায়িকা, অভিধান ইত্যাদি সমূহ বিনামুলীয়াকৈ বিতৰণ কৰা হ’ব। উত্তৰ পুৱ ভাৰতত অনুষ্ঠিত এয়াই হৈছে প্ৰথম পুৰণি পাঠ্যপুথিৰ বিনামূলীয়া বিতৰণ সামুহিক অনুষ্ঠান। এই বিতৰণ অনুষ্ঠানৰ শুভাৰম্ভ কৰিব বিশিষ্ট সাংবাদিক Mynews অসম চেনেলৰ মুখ্য সম্পাদক শ্ৰদ্ধাৰ প্ৰনয় বৰদলৈদেৱে আৰু অনুষ্ঠানত উপস্থিত থাকিব বিশিষ্ট দন্ত চিকিত্সক তথা কবি ডাঃ ৰুবি কটকী বাইদেউৰ উপৰিও বহু কেইজন বিশিষ্ট শিক্ষাবিদ আৰু সমাজকৰ্মী। দিনৰ ১ বজাত বন্তি প্ৰজ্বলনৰে আৰম্ভ হ’ব লগা এই বিনামুলীয়া পাঠ্যপুথি বিতৰণ অনুষ্ঠান আবেলি ৩ বজাত সামৰণি পৰিব। সকলো ইচ্ছুক ছাত্ৰ ছাত্ৰী আৰু অভিভাৱক সকলক এই অনুষ্ঠানত উপস্থিত থাকি তেওঁলোকৰ প্ৰয়োজনীয় পাঠ্যপুথি সমূহ উক্ত সময়ৰ ভিতৰত সংগ্ৰহ কৰিবলৈ অনুৰোধ জনোৱা হ’ল।



অগপৰ নৱনিযুক্ত মুখপাত্ৰৰ সৈতে বৈঠকৰ এটা দৃশ্য, গুৱাহাটীত বৃহস্পতিবাৰে

## পৰ্বতঝোৰাত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আধাৰ কেন্দ্ৰ মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, পৰ্বতঝোৰা, ১২ নৱেম্বৰ ঃ** আজি পৰ্বতঝোৰাৰ ‘ছাব-ডিভিজনেল চেণ্টাৰ’ত থকা বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শকৰ কাৰ্যালয়ৰ সভাকক্ষত মহকুমাটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আধাৰ কেন্দ্ৰ উন্মোচনী অনুষ্ঠানৰ আয়োজন কৰা হয়। মহকুমাধিপতি হেমন্ত প্ৰসাদ ৰাজকুমাৰে মুখ্য অতিথিৰ আসনৰ পৰা আধাৰ সম্পৰ্কে বিতংকৈ বক্তব্য আগবঢ়োৱাৰ উপৰি ডিজিটেল ব্যৱস্থাৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰাৰ কথা ব্যক্ত কৰে। সভাৰ শেষত তেওঁ আধাৰ কেন্দ্ৰটোৰ শুভাৰম্ভণি কৰে। পৰ্বতঝোৰাৰ বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক নৰকৃষ্ণ ৰয়ৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে খণ্ড প্ৰাথমিক শিক্ষা বিষয়া একাব্বৰ আলীয়ে। অনুষ্ঠানটোত সম্বৰ্ধনা আগবঢ়োৱা হয় এইসকল সন্মানীয় ব্যক্তিক— হেমন্ত প্ৰসাদ ৰাজকুমাৰ (মহকুমাধিপতি, পৰ্বতঝোৰা), প্ৰীতম ৰাজা শৰ্মা (দণ্ডাধীশ, পৰ্বতঝোৰা), নুৰ ইছলাম পাৰমাণিক (জিলা ন’ডেল অফিচাৰ, আধাৰ, কোকৰাঝাৰ), একাব্বৰ আলী (খণ্ড প্ৰাথমিক শিক্ষা বিষয়া, পৰ্বতঝোৰা), আব্দুল জলিল শ্বেখ (সভাপতি, প্ৰাথমিক শিক্ষক সন্মিলনী, পৰ্বতঝোৰা), প্ৰদীপ কুমাৰ ব্ৰহ্ম (সভাপতি, বড়ো শিক্ষক সন্মিলনী), নুৰুল ইছলাম (সম্পাদক, মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনী) আৰু ৰিমন ব্ৰহ্ম (প্ৰধান শিক্ষক কাজিগাঁও হাইস্কুল)। আজিৰ অনুষ্ঠানটোৰ সম্বৰ্ধনা কাৰ্যসূচী পৰিচালনা কৰে আলমগঞ্জৰ চি আৰ চি চি জাকিৰ হুছেইনে। শলাগৰ শৰাই আগবঢ়ায় বগৰীবাৰীৰ চি আৰ চি চি উত্তম কুমাৰ সাহাই। আজিৰ অনুষ্ঠানত ব্লক একাউন্টেণ্টসকল, চি আৰ চি চিসকল, আধাৰৰ অপাৰেটৰ আৰু ছুপাৰভাইজাৰ, বিভিন্ন বিদ্যালয়ৰ শিক্ষক তথা ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

### তেজপুৰত পুনৰ সক্ৰিয় গভাইত চোৰ, নিৰ্লিপ্ত আৰক্ষী

## নিশা ভগৱতী থানত চুৰি ঃ গোপিনীয়ে চাকি-বন্তি জ্বলাই চোৰক দিলে অভিশাপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১২ নৱেম্বৰ ঃ** আৰক্ষীৰ ব্যৰ্থতাৰ সুযোগ গ্ৰহণ কৰি বিগত কিছুদিন ধৰি তেজপুৰ তথা পাৰ্শ্ববৰ্তী অঞ্চলত ক্ৰমান্বয়ে চোৰৰ উপদ্ৰৱ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত অৱশেষত ৰাইজে উপাচ্য ভগৱানৰ চৰণত আঁঠু লৈ পৰিত্ৰাণ বিচৰা ঘটনাই চহৰখনত ব্যাপক চৰ্চা লাভ কৰিছে। উল্লেখ্য যে, নিশাটো বাদেই ফুট গধুলিতে চোৰে চহৰখনত চলাই আহিছে চাফাই অভিযান। কিন্তু ইয়াৰ বিপৰীতে আৰক্ষীয়ে এই চোৰ চক্ৰক কৰায়ত্ত কৰিব নোৱাৰা সময়তে চহৰখনৰ মাজমজিয়াস্থিত কছাৰীগাঁৱৰ ভগৱতী থানত কালি নিশাৰ ভাগত চোৰে চলালে চাফাই অভিযান। অচিনাক্ত দুৰ্বৃত্তই থানখনৰ আজবাব তহিলং কৰাৰ লগতে দানপাত্ৰও লৈ যায়। আজি পুৱা এই ঘটনা পোহৰলৈ অহাৰ পিছতেই অঞ্চলটোৰ মহিলা আৰু গোপিনীসকলে থানখনত উপস্থিত হৈ তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। লগতে আই ভগৱতীৰ চৰণত আঠু লৈ চাকি বন্তি জ্বলাই চোৰৰ দলক আই ভগৱতীয়ে শাস্তি দিয়াৰ কামনা কৰে। আনকি একাংশ উত্তেজিত গোপিনীয়ে চোৰৰ দলটোক দুৰাৰোগ্য জটিল ৰোগত আক্ৰান্ত হোৱাৰ লগতে ক’ৰোণাৰ দৰে অতিমাৰী ব্যাধি সংক্ৰমিত হৈ মৃত্যু হোৱাৰো অভিশাপ দিয়ে। প্ৰকাশ যে, কালি নিশাৰ ভাগত কছাৰীগাঁৱৰ এই ভগৱতী থানৰ সমীপৰ লোকৰ বাসগৃহতো প্ৰৱেশ কৰে চোৰৰ দল। যি দৃশ্য ইতিমধ্যে চি চি কেমেৰাত বন্দী হৈছে। বিগত দিনকেইটাত চোৰৰ দলক কৰায়ত্ত কৰাত ব্যৰ্থ তেজপুৰ আৰক্ষীয়ে উক্ত চি চি টিভিৰ ফুটেজৰ সহায়ত তদন্ত কৰিলে উপদ্ৰৱ চলোৱা চোৰৰ দলটো জালত পৰিব বুলি অঞ্চলটোৰ ৰাইজে দাবী কৰিছে।



গহনাৰ বিপনীত গহনা-গাথৰি ছোৱাত ব্যস্ত তিনি যুৱতী, বৃহস্পতিবাৰৰ ছবি



সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ বালিকৰিয়া অধিবেশনত আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য-দীপাংক নাথক আদৰণি, নলবাৰীত বৃহস্পতিবাৰে, ফটো ঃ টিংকুমণি

## মাখিবাহা আঞ্চলিক ছাত্ৰ সন্থাৰ অধিৱেশন সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, টিহু, ১২ নৱেম্বৰ ঃ** টিহু মহকুমাৰ অন্তৰ্গত মাখিবাহা আঞ্চলিক ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিৱেশন ১১ নৱেম্বৰত দিনজোৰা কাৰ্যসূচীৰে মাখিবাহা ৰাজহুৱা মঞ্চত অনুষ্ঠিত হয়। অধিবেশনৰ কাৰ্যসূচী অনুসৰি পুৱা সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে মাখিবাহা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অনুপ হালৈয়ে। ইয়াৰ পাছতে শ্বহীদ বেদীত বন্তি প্ৰজ্জলন আৰু মাল্যাৰ্পণ কৰে ক্ৰমে সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক ধীৰুমণি কাশ্যপ আৰু কাৰ্যনিৰ্বাহক সদস্য হীৰক কলিতাই। দুপৰীয়া অঞ্চলটোৰ ভালেসংখ্যক ছাত্ৰ কৰ্মী, প্ৰাক্তন ছাত্ৰ কৰ্মী, সমাজ কৰ্মী উপস্থিত থকা প্ৰতিনিধি সভাত কেৱাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। প্ৰতিনিধি সভাৰ পাছতে অনুষ্ঠিত বিষয় বাছনি সভাত উপস্থিত থাকি সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠকে কয় যে কোনো বিভেদকামী শক্তি তথা সাম্প্ৰদায়িক শক্তিয়ে সদৌ অসম ছাত্ৰ সন্থাক আদৰ্শৰপৰা বিচলিত কৰিব নোৱাৰে। তেওঁ কয় যে সদৌ অসম ছাত্ৰ সন্থা ব্ৰহ্মপুত্ৰৰ দৰে চিৰ প্ৰবাহিত সূৰ্যৰ দৰে শক্তিৱান। এই শক্তিক পৰাভূত কৰিব বিচৰা কাৰ্য হাস্যকৰ বুলিও তেওঁ কয়। সভাত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উপ সভাপতি প্ৰমোদ বৈশ্য, মুখ্য সাংগঠনিক সম্পাদক দিগন্ত ভৰালী কাৰ্যনিৰ্বাহক সদস্য চন্দন বেজবৰুৱা প্ৰমুখ্যে বহুকেইগৰাকী আছু নেতাই অংশ লয়। উক্ত সভাত অনুপ হালৈক সভাপতি আৰু জ্যোতিৰ্ময় পাঠকক সাধাৰণ সম্পাদক হিচাপে লৈ মাখিবাহা আঞ্চলিক ছাত্ৰ সন্থাৰ নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়।

## তথ্য আৰু জনসংযোগৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১২ নৱেম্বৰ ঃ** অন্যান্য বৰ্ষৰ দৰে এইবেলিও তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত ৰাজ্যিক ভিত্তিত ‘ৰাষ্ট্ৰীয় প্ৰেছ দিৱস’ উদযাপনৰ ব্যৱস্থা কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীমাধৱদেৱ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ’বলগীয়া ৰাষ্ট্ৰীয় প্ৰেছ দিৱসত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল। সংবাদ মাধ্যমৰ স্বাধীনতাক মান্যতা প্ৰদান কৰি সমাজৰ প্ৰতি সংবাদ মাধ্যমক অধিক দায়বদ্ধ কৰি তোলাৰ উদ্দেশ্যে ১৯৬৬ চনৰ ১৬ নৱেম্বৰত প্ৰথম প্ৰেছ আয়োগৰ পৰামৰ্শ মতে ভাৰতত ‘প্ৰেছ কাউন্সিল অৱ ইণ্ডিয়া’ স্থাপন কৰা হৈছিল। সংবাদ মাধ্যমৰ কাণ্ডাৰী আৰু অতন্দ্ৰ প্ৰহৰী হিচাপে প্ৰেছ কাউন্সিলে সদায়ে নিষ্ঠা সহকাৰে নিজৰ দায়িত্ব পালন কৰি আহিছে। প্ৰেছ কাউন্সিল প্ৰতিষ্ঠা হোৱাৰ সেই বিশেষ দিনটো স্মৰণ কৰিয়ে প্ৰতি বছৰে ১৬ নৱেম্বৰ দিনটো প্ৰেছ দিৱস হিচাপে উদযাপন কৰা হয়। তথ্য আৰু জনসংযোগ বিভাগে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ৰাজ্যিক ভিত্তিত উক্ত দিনটো উদযাপন কৰি আহিছে। এইবাৰ

## শিৱসাগৰৰ পৰা সন্ধানহীন অৱসৰপ্ৰাপ্ত কৰ্মচাৰী যতীন চন্দ্ৰ শৰ্মা

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১২ নৱেম্বৰ ঃ** শিৱসাগৰ নগৰৰ গণকপট্টী ১০ নং ৱাৰ্ডৰ বাসিন্দা যতীন চন্দ্ৰ শৰ্মা (৬১) যোৱা ৮ নৱেম্বৰৰ পৰা সন্ধানহীন হৈ থকাক লৈ শিৱসাগৰত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। যতীন চন্দ্ৰ শৰ্মাৰ পত্নী তথা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী চানু শৰ্মা বৰুৱাই সাংবাদিকক জানিবলৈ দিয়া অনুসৰি যোৱা ৪ নৱেম্বৰৰ দিনা স্বামীৰ চিকিৎসাৰ বাবে গুৱাহাটীলৈ গৈছিল। চিকিৎসা কৰি ৮ নৱেম্বৰ সন্ধিয়া স্বামী-স্ত্ৰী দুয়ো গুৱাহাটীৰ পৰা শিৱসাগৰলৈ উভতি আহি ৯ নৱেম্বৰৰ পুৱা শিৱসাগৰত উপস্থিত হয়। শিৱসাগৰত উপস্থিত

### আৰক্ষীক এজাহাৰ দাখিল

হোৱাৰ পিছত স্বামী-স্ত্ৰী দুয়ো নগৰৰ গণকপট্টীত থকা নিজা ভাড়াঘৰলৈ গতি কৰে। ঘৰত উপস্থিত হোৱাৰ পিছত মুখ-হাত ধোৱাৰ পিছত পত্নীয়ে স্বামীলৈ খোৱাৰ বাবে কিছু ৰান্ধীবৰ বাবে ৰান্ধনীশাললৈ যায়। কিন্তু ৰান্ধনীশালৰ পৰা বাহিৰলৈ ওলাই আহি দেখে যে স্বামী ঘৰত নাই। প্ৰথমে ওচৰৰ কৰবাত স্বামী আছে বুলি বিচাৰ খুচাৰ কৰে যদিও কতো স্বামীৰ সম্ভেদ নেপাই সন্ধিয়ালৈকে নগৰৰ বিভিন্ন প্ৰান্তত বিচাৰিও স্বামী যতীন চন্দ্ৰ শৰ্মাৰ কোনো সম্ভেদ লাভ নকৰে পৰিয়ালৰ লোকে। অৱশেষত ১০ নৱেম্বৰৰ দিনা শিৱসাগৰ সদৰ থানাত স্বামী সন্ধানহীন হোৱাৰ সৰ্ন্দভত পত্নীয়ে এখন এজাহাৰ দাখিল কৰে বুলি জানিবলৈ দিছে। পত্নীয়ে সাংবাদিকক জানিবলৈ দিয়া অনুসৰি ঘৰৰ পৰা স্বামী যতীন চন্দ্ৰ শৰ্মাই ঘৰৰ পৰা ওলাই যোৱাৰ সময়ত ফোন, নগদ ধন একোৱেই লগত নিয়া নাই। যদি কোনো লোকে যতীন চন্দ্ৰ শৰ্মাৰ সম্ভেদ লাভ কৰে তেন্তে ৮০১১৯৩০৬৯৮ ফোন নম্বৰত অৱগত কৰাৰ লগতে শিৱসাগৰ সদৰ থানাকো অৱগত কৰিবৰ বাবে অনুৰোধ জনাইছে।

## দেৰগাঁৱত গোলাঘাট যোগান বিভাগৰ অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ১২ নৱেম্বৰ ঃ** দেৰগাঁৱত গোলাঘাট যোগান বিভাগে আজি এক অভিযান চলায়। দেৰগাঁৱৰ দুখনকৈ ব্যৱসায়ীক প্ৰতিষ্ঠানত গোলাঘাট যোগান বিভাগে চলোৱা অভিযানত বৃহৎ সংখ্যক অবৈধ ৰন্ধন গেছৰ চিলিণ্ডাৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। দেৰগাঁও চাৰিআলিৰ জয়চোৱাল গেছ চেন্টাৰ নামৰ প্ৰতিষ্ঠানটোৱে বহুদিনৰ পৰাই অবৈধ গেছৰ বেহা চলাই আহিছিল বুলি বহুতেই অভিযোগ কৰি আহিছিল। আজিৰ অভিযান কালত অবৈধ বেহা চলোৱা দুজন ব্যৱসায়ী কিশোৰ কালোৱাৰ জয়ছোৱাল আৰু বিনোদ জয়ছোৱালৰ পৰা অবৈধ চিলিণ্ডাৰ সমূহ জব্দ কৰে। উল্লেখ্য যে প্ৰতিষ্ঠান দুখনে বহু দিনৰ পৰাই অবৈধ ৰন্ধন গেছৰ বেহা চলাই আহিছিল। গোলাঘাট যোগান বিভাগৰ পৰিদৰ্শক বিনায়ক কৃষ্ণ আৰু মুখ্যধৰ দাসৰ নেতৃত্বত চলা এই অভিযানৰ বাবে দেৰগাঁৱৰ বহু ব্যৱসায়ী শংকিত হৈ পৰিছে

## তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত বিশেষ বক্তৃতানুষ্ঠান

### ‘সৌন্দৰ্যতত্ত্ব আৰু সাহিত্য’ বিষয়ত নগেন শইকীয়াৰ মনোজ্ঞ আলোচনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১২ নৱেম্বৰ ঃ** তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আয়োজিত ‘বিশেষ বক্তৃতামালা’ৰ প্ৰথমটো বক্তৃতা আজি অনুষ্ঠিত হৈ যায়। বিশেষ বক্তৃতানুষ্ঠানত ‘সৌন্দৰ্যতত্ত্ব আৰু সাহিত্য’ শীৰ্ষক বিষয়ত বিশিষ্ট সাহিত্যিক-চিন্তাবিদ, অধ্যাপক নগেন শইকীয়াই এক সাৰগৰ্ভ আলোচনা আগবঢ়ায়। দিনৰ ১১.০০ বজাৰ পৰা গুগল মীটৰ জৰিয়তে অনুষ্ঠিত হোৱা এই অনুষ্ঠানত অৰ্ধশতাধিক অংশগ্ৰহণকাৰীয়ে অংশগ্ৰহণ কৰে। বিভাগীয় প্ৰধান সুব্ৰতজ্যোতি নেওগে আঁত ধৰা অনুষ্ঠানটিত বক্তা নগেন শইকীয়াই সৌন্দৰ্য সম্পৰ্কীয় প্ৰাচ্য আৰু পাশ্চাত্য-চিন্তাৰ আভাস দিয়াৰ লগতে সাহিত্যৰ সৌন্দৰ্য বিচাৰৰ বিভিন্ন দিশৰ সম্ভেদ দিয়ে। অসমীয়া ভাষাত ‘সৌন্দৰ্য’ বিষয়ক পূৰ্ণাংগ গ্ৰন্থ আজিলৈকে প্ৰণয়ন নোহোৱাৰ কথা উত্থাপন কৰি তেখেতে তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগক এনে উদ্যোগ ল’বলৈ আহ্বান জনায়। বক্তৃতানুষ্ঠানৰ পাছত শ্ৰদ্ধাৰ নগেন শইকীয়াৰ লগত ছাত্ৰ-ছাত্ৰী তথা অংশগ্ৰহণকাৰীসকলৰ এক মত-বিনিময়ৰ অনুষ্ঠান হয়। মত-বিনিময় অনুষ্ঠানত তেজপুৰ বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপিকা তথা বিশিষ্ট গল্পকাৰ মৌচুমী কন্দলী, সহকাৰী অধ্যাপিকা জুৰি দত্ত, ছাত্ৰ কিৰণ দাস, নয়ন চেতিয়া আদিয়ে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগে ভাৰতবৰ্ষ তথা অসমৰ আগশাৰীৰ চিন্তাবিদ-গৱেষকৰ দ্বাৰা এই বক্তৃতালানি আগবঢ়াই নিব। নগেন শইকীয়াৰ বক্তৃতাৰ জৰিয়তে এই বক্তৃতামালাৰ আৰম্ভ হৈছে বুলি বিভাগীয় প্ৰধানে জানিবলৈ দিয়ে। আগন্তুক সময়ত অনুষ্ঠিত হ’বলগীয়া বক্তৃতাসমূহতো সকলোৱে সহযোগিতা আৰু অংশগ্ৰহণ কামনা কৰি তেখেতে অনুষ্ঠানৰ সামৰণি মাৰে।

## দীপান্বিতাৰ সময়ত নিশা ৮ বজাৰ পৰা ১০ বজালৈ কেৱল সেউজ ফটকা-আতচবাজী ব্যৱহাৰৰ অনুমতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১২ নৱেম্বৰ ঃ** অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে বিগত ১০ নৱেম্বৰত জাৰি কৰা এক অধিসূচনাৰ ভিত্তিত আৰু ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণৰ এক নিৰ্দেশনাৰ ভিত্তিত আৰু ফটকা-আতচবাজীৰ ব্যৱহাৰে সংকটজনক লোকৰ শ্বাস-প্ৰশ্বাসত প্ৰভাৱ পেলাব পৰাকৈ, বিশেষকৈ ক’ভিড-১৯ আক্ৰান্ত আৰু এই ৰোগীত আক্ৰান্ত হৈ ঘৰত আছুতীয়াকৈ থকা ৰোগীৰ স্বাস্থ্যত প্ৰভাৱ পেলাব পৰাকৈ প্ৰচুৰ পৰিমাণত ক্ষতিকাৰক ৰাসায়নিক দ্ৰব্য নিৰ্গত কৰাৰ প্ৰতি লক্ষ্য ৰাখি আজি ডিব্ৰুগড় জিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশে সমগ্ৰ জিলাতে প্ৰযোজ্য হোৱাকৈ এক নিৰ্দেশ জাৰি কৰিছে। উক্ত নিৰ্দেশ অনুযায়ী দীপান্বিতাৰ সময়ত কেৱল পৰিৱেশ অনুকূল অৰ্থাৎ সেউজ ফটকা-আতচবাজীৰহে বিক্ৰী কৰিব পাৰিব। তথা নিৰ্দেশত পৰিৱেশ অনুকূল অৰ্থাৎ সেউজ ফটকা-আতচবাজীৰ ব্যৱহাৰৰ বাবে নিৰ্ধাৰণ কৰা সময় অনুসৰি দীপান্বিতাৰ দিনা নিশা ৮ বজাৰ পৰা নিশা ১০ বজালৈ, ষট পূজাৰ দিনা পুৱা ৬ বজাৰ পৰা পুৱা ৮ বজালৈ আৰু বৰদিন তথা নৱবৰ্ষৰ নিশা ১১.৫৫ বজাৰ পৰা ১২.৩০ বজালৈহে ফটকা- আতচবাজীৰ ব্যৱহাৰৰ অনুমতি থাকিব। তাৎক্ষণিকভাৱে বলবৎ হোৱা এই নিৰ্দেশৰ উলংঘা কৰা ব্যক্তিক বিৰুদ্ধে ভাৰতীয় দণ্ডবিধি আইনৰ ১৮৮ নং ধাৰাৰ অধীনত ব্যৱস্থা গ্ৰহণ কৰা হ’ব।



দীপাৱলী উপলক্ষে বজাৰত বৃদ্ধি পাইছে মাটিৰ চাকিৰ চাহিদা, তেজপুৰত বৃহস্পতিবাৰৰ ছবি

## তেজপুৰত বিৰল প্ৰজাতিৰ পক্ষী উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১২ নৱেম্বৰ ঃ** এটা দুস্প্ৰাপ্য পক্ষী । তেজপুৰৰ দাঁতিকাষৰীয়া বিহগুৰিৰ পথাৰত ঘূৰি ফুৰা দুস্প্ৰাপ্য পক্ষী বিধক আটক কৰি এখন টেম্পুত বেগত ভৰাই তেজপুৰ চহৰৰ দিশে নিযাৰ কালতে বন বিভাগে ডিপোটা দলংৰ ওপৰত একাংশ প্ৰকৃতিপ্ৰেমী সংগঠনৰ লোকে পক্ষী টো উদ্ধাৰ কৰে । দেউকা আৰু ডিঙিত আঘাত পোৱা পক্ষীটো উদ্ধাৰ কৰি আৰক্ষীক চমজাই দিয়ে।




বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ সংবাদমেল সম্বোধন, গুৱাহাটীত বৃহস্পতিবাৰে

## উত্তৰ-পূব সীমান্ত ৰেলৱেৰ অতিৰিক্ত বিশেষ ৰেল চলাচলৰ সিদ্ধান্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ১২ নৱেম্বৰ ঃ** চলিত উৎসৱৰ বতৰত ভ্ৰমণৰ বাবে ইচ্ছুক ৰেলযাত্ৰীসকলৰ বাবে উত্তৰ পূব সীমান্ত ৰেলৱেই এই সপ্তাহটোত সাতখন অতিৰিক্ত উৎসৱ বিশেষ ৰেল চলাচল কৰাব। এই ৰেলসমূহৰ ভিতৰত, ছখন ৰেল কেৱল বান ৱে’ৰ ভিত্তিত আৰু এখন ৰেল ৰাউণ্ড ট্ৰিপৰ আধাৰত আনন্দ বিহাৰ টাৰ্মিনেলৰ পৰা কাহিহাৰলৈ চলাচল কৰিব। বিশেষ ৰেল নং. ০৫৬৮৮ খনে অহা ১৩ আৰু ১৫ নৱেম্বৰ, ২০২০ তাৰিখে ২২.৩০ বজাত আলিপুৰদুৱাৰ জংচনৰ পৰা যাত্ৰ আৰম্ভ কৰি ক্ৰমে অহা ১৫ আৰু ১৭ নৱেম্বৰ, ২০২০ তাৰিখে ২৩.১৫ লোকমান্য তিলক ষ্টেচনত উপস্থিত হ’বগৈ। এই বিশেষ ৰেলখন ভট্টনগৰ হৈ চলাচল কৰিব আৰু ৰেলখনৰ শিলিগুড়ী জংচন, নিউ জলপাইগুড়ী, মালদা টাউন, ৰামপুৰহাট, বৰ্ধমান, খড়গপুৰ, টাটা নগৰ, চক্ৰধৰপুৰ, ৰাউৰকেলা, ঝাৰসুগুড়া, বিলাসপুৰ, ৰায়পুৰ গোণ্ডিয়া, নাগপুৰ, আকোলা, ভূচাৱাল, মানমাড আৰু কল্যাণ ষ্টেচনত থাকিব। ৰেলখনত ২ টা এচি-৩ টায়াৰ, ১০ টা শ্লীপাৰ শ্ৰেণী আৰু ৭ টা সাধাৰণ দ্বিতীয় শ্ৰেণীৰ ডবা থকাৰ উপৰিও ২ খন ব্লেক, লাগেজৰ লগতে জেনেৰেটৰ কাৰ থাকিব। বিশেষ ৰেল নং, ০৫৬৮০ খনে অহা ১৪ নৱেম্বৰ, ২০২০ তাৰিখে ০৬.০০ বজাত গুৱাহাটীৰ পৰা যাত্ৰা আৰম্ভ কৰি আৰু পৰৱৰ্ত্তী নিদৰ ০৫.৩০ বজাত মান্দুৱাদিহ ষ্টেচনত উপস্থিত হ’বগৈ। এই বিশেষ। ৰেলখনে গোৱালপাৰা হৈ চলাচল কৰিব আৰু ৰেলখনৰ নিউ বঙাইগাঁও, নিউ কোচবিহাৰ, নিউ জলপাইগুড়ী, কাটিহাৰ, সমস্তিপুৰ, চাপ্ৰা আৰু বাৰাণসী ষ্টেচনত ষ্টপেজ থাকিব। ৰেলখনত ১ টা এচি-৩ টায়াৰ, ৫ টা শ্লীপাৰ শ্ৰেণী আৰু ১১ টা সাধাৰণ দ্বিতীয় শ্ৰেণীৰ ডবা থকাৰ উপৰিও ৩ খন লাগেজ ভেন থাকিব। বিশেষ ৰেল নং, ০৫৬৮৫ খনে অহা ১৪ নৱেম্বৰ, ২০২০ তাৰিখে ২২.০০ বজাত শিলচৰৰ পৰা যাত্ৰা আৰম্ভ কৰি অহা ১৬ নবেম্বৰ, ২০২০ তাৰিখে ১২.০০ বজাত কাণপুৰ চেণ্ট্ৰেল ষ্টেচনত উপস্থিত হ’বগৈ। এই বিশেষ ৰেলখনে মান্দেৰদিছা-পাথাৰখোলা আৰু গোৱালপাৰা হৈ চলাচল কৰিব আৰু ৰেলখনৰ বদৰপুৰ, নিউ হাফলং, গুৱাহাটী, নিউ বঙাইগাঁওস, নিউ কোচবিহাৰ, নিউ জলপাইগুড়ী, কাটিহাৰ, বাৰাউনি আৰু পণ্ডিত দীন দয়াল উপাধ্যায় জংচন ষ্টেচনত ষ্টপেজ থাকিব। উক্ত ৰেলখনত ১ টা এচি- ৩ টায়াৰ, ৭ টা শ্লীপাৰ শ্ৰেণী আৰু ১২ টা সাধাৰণ দ্বিতীয় শ্ৰেণীৰ ডবা থকাৰ উপৰিও ২ খন লাগেজ ভেন থাকিব। বিশেষ ৰেল নং, ০৫৬৮৬ খনে অহা ১৪ নৱেম্বৰ, ২০২০ তাৰিখে ১২.০০ বজাত ডিব্ৰুগড়ৰ পৰা যাত্ৰা আৰম্ভ কৰি পৰৱৰ্ত্তী দিনৰ ১৯.০০ বজাত প্ৰয়াগৰাজ ষ্টেচনত উপস্থিত হ’বগৈ। এই বিশেষ ৰেলখনে বগীবিল সেতু হৈ যাত্ৰা কৰিব আৰু উত্তৰ লখীমপুৰ, ৰঙাপাৰা নৰ্থ, ৰঙিয়া, নিউ বঙাইগাঁও, নিউ জলপাইগুড়ী, কাটিহাৰ, বাৰাউণি আৰু পণ্ডিত দীন দয়াল উপাধ্যায় জংচন ষ্টেচনত ষ্টপেজ থাকিব। এই ৰেলখনত ২ টা এচি-৩ টায়াৰ, ৮ টা শ্লীপৰা শ্ৰেণী আৰু ১১ টা সাধাৰণ দ্বিতীয় শ্ৰেণীৰ ডবা থকাৰ উপৰিও ২ খন লাগেজ ভেন থাকিব। বিশেষ ৰেল নং, ০৫৬৮৭ খনে অহা ১৪ নৱেম্বৰ, ২০২০ তাৰিখে ০৬.০০ বজাত নিউ তিনিতুকীয়াৰ পৰা যাত্ৰা আৰম্ভ কৰিব আৰু ১৬ নৱেম্বৰ, ২০২০ তাৰিখে ২১.০০ বজাত নাগপুৰত উপস্থিত হ’ব। বিশেষ ৰেল নং, ০৮৫৬৩ খনে ১২ নৱেম্বৰ, ২০২০ তাৰিখে ০৮.০০ বজাত বিশাখাপট্টনমৰ যাত্ৰা আৰম্ভ কৰি ১৪ নৱেম্বৰ, ২০২০ তাৰিখে ০৫.০০ বজাত ডিব্ৰুগড়ত উপস্থিত হ’বগৈ। আন এখন বিশেষ ৰেল নং, ০৪৪৮০ খনে ১৪ আৰু ১৭ নৱেম্বৰ, ২০২০ তাৰিখে ১১.১৫ বজাত দুটা ট্ৰিপৰ বাবে আনন্দ বিহাৰ টাৰ্মিনেলৰ পৰা যাত্ৰা আৰম্ভ কৰি পৰৱৰ্ত্তী দিনৰ ০৯.২০ বজাত কাটিহাৰ ষ্টেচনত হৈ উপস্থিত হ’বগৈ। উভটনি যাত্ৰাৰ সময়চোৱাত বিশেষ ৰেল নং ০৪৪৭৯ খনে ১৫ আৰু ১৮ নৱেম্বৰ, ২০২০ তাৰিখে ১২.৩০ বজাত দুটা ট্ৰিপৰ বাবে কাটিহাৰৰ পৰা যাত্ৰা আৰম্ভ কৰি পৰৱৰ্ত্তী দিনৰ ১০.৫৫ বজাত আনন্দ বিহাৰ টাৰ্মিনেলত উপস্থিত হ’বগৈ। ইচ্ছুক ৰেলযাত্ৰীসকলৰ বাবে ৰেলপথৰ বিস্তৃত তথ্য, ষ্টপেজ, ৰেলভাৰা আদি আইআৰচিটিচি ৱেবচাইটত উপলব্ধ আছে। উক্ত ৰেলপথসমূহেৰে যাত্ৰা কৰিবলৈ পৰিকল্পনা কৰা অন্যান্য ৰেলৰ প্ৰতীক্ষাসূচীৰ ৰেলযাত্ৰীসকলেও এই অতিৰিক্ত বিশেষ ৰেলৰ সুবিধা গ্ৰহণ কৰি ৰেল ভ্ৰমণৰ বাবে তেওঁলোকৰ টিকটসমূহ বুক কৰিব পাৰিব।

# বিহালীৰ কিশোৰ হাজৰিকাক আন্তঃৰাষ্ট্ৰীয় কৰ্ম যোগী বঁটা



**দৈনন্দিন বাৰ্তাৰ সেৱা, বিশ্বনাথ চাৰিআলি, ১১ নৱেম্বৰ ঃ** শ্ৰী মদ ভাগৱত গীতাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় সংস্থা গীতা মিচনে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বহু উল্লেখনীয় কাম কৰি আহিছে দীৰ্ঘদিন ধৰি। বিগত কেইবা বৰ্ষৰ ধৰি আন্তঃৰাষ্ট্ৰীয় সংস্থাটোৱে বিশেষ কিছুমান ব্যক্তিক বঁটা জৰিয়তে সন্মান প্ৰদান কৰি আহিছে গীতা মিচন নামৰ আন্তঃৰাষ্ট্ৰীয় সংস্থাটোৱে। উল্লেখযোগ্য যে যোৱা বৰ্ষ সমূহত যি ব্যক্তিয়ে ভাৰত তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সামাজিক দিশৰ ক্ষেত্ৰত উল্লেখনীয় বিশেষ পদক্ষেপ লৈ কাম-কাজ আগবঢ়াই আহিছে তেওঁলোকক বিশেষ ভাৱে সম্বৰ্ধনা জনাই গীতা মিচন নামৰ আন্তঃৰাষ্ট্ৰীয় সংস্থাটোৱে। তাৰে অংশ হিচাপে যোৱা ২২ অক্টোবৰ ২০২০ তাৰিখে গুৱাহাটীত অনলাইন জৰিয়তে এই বিশেষ বঁটা সমূহ উত্তৰ পূৰ্বাঞ্চলৰ ৭ গৰাকীকৈ নিদিষ্ট ব্যক্তিক প্ৰদান কৰিছে সংস্থাটোৱে। অসমৰ পৰা এই বৰ্ষত দুজনকৈ বিশিষ্ট ব্যক্তিক নিৰ্বাচন কৰিছে গীতা মিচন নামৰ আন্তঃৰাষ্ট্ৰীয় সংস্থাটোৱে। তাৰে এগৰাকী বিশ্বনাথ জিলাৰ বিহালী সমষ্টি অন্তৰ্গত মোনাবাৰী নিবাসী বিশিষ্ট সমাজ ড° কিশোৰ হাজৰিকাক এই বঁটা প্ৰদান কৰিছে আন্তঃৰাষ্ট্ৰীয় সংস্থাটোৱে। উল্লেখযোগ্য যে ড° কিশোৰ হাজৰিকাই বিগত বৰ্ষত বিভিন্ন সামাজিক কামৰ বাবে বঁটা প্ৰদান কৰা বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে এই অনুষ্ঠানটি যোৱা ১২ এপ্ৰিলত গুৱাহাটীত হ'বলগীয়া আছিল যদিও কভিড-১৯ বাবে অনুষ্ঠান টি বাতিল কৰি অনলাইনৰ জৰিয়তে সন্মান সমূহ দিয়া ব্যৱস্থা কৰে সংস্থাটোৱে।

# বিধ্বস্ত পথ নিৰ্মাণ কৰাৰ দাবীত কেহেৰুখন্দাত কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিৰ তীব্ৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১১ নৱেম্বৰ ঃ** শোণিতপুৰ জিলাৰ ৭২ নং বৰছলা বিধানসভা সমষ্টিৰ অন্তৰ্গত কেহেৰুখন্দা পথাৰ গাৱঁৰ পৰা ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী অতিকৈ গুৰুত্বপূৰ্ণ পথ নিৰ্মাণৰ দাবীত কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিয়ে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি অঞ্চলটোৰ আকাশ বতাহ কপাই তোলে। কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি অসমৰ সভাপতি প্ৰশান্ত বৈশ্যৰ নেতৃত্বত সংগঠনটোৰ কৰ্মকৰ্তা আৰু অঞ্চলটোৰ লোকসকলে চৰকাৰ বিৰোধী বিভিন্ন শ্ল'গান দি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা কেহেৰুখন্দা পথাৰ গাঁও সংযোগী বিধ্বস্ত পথচোৰা নিৰ্মাণৰ বাবে ৰাইজে সমষ্টিটোৰ বিধায়ক গনেশ কুমাৰ লিম্বু আৰু সাংসদ পল্লৱ লোচন দাসক বাৰম্বা দাবী জনাই থকাৰ পাচতো বিধ্বস্ত পথটো নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ নকৰাত কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি আৰু সংগঠনটোৰ ভগ্নী সংগঠন নাৰী সুৰক্ষা সংগ্ৰাম সমিতিয়ে আজি এই প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে।আনকি বিধ্বস্ত পথচোৰা নিৰ্মাণৰ পৰিবৰ্তে পথটোৰ নিৰ্মাণৰ বাবে ২০১৯ বৰ্ষতে প্ৰধানমন্ত্ৰী গ্ৰাম চৰক যোজনাৰ অধীনত আবণ্টিত প্ৰায় এককোটি টকা বৰছলা বিধানসভা সমষ্টিৰ বিধায়ক গনেশ কুমাৰ লিম্বুৱে নিজৰ লাভালাভ আৰু ৰাজনৈতিক স্বাৰ্থপুৰণৰ বাবে অতি কৌশলেৰে উক্ত পথটোৰ নামত আবণ্টিত ধন অন্য পথত খৰচ কৰাৰ অভিযোগ তুলিছে কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি অসমৰ সভাপতি প্ৰশান্ত বৈশ্যই। চৰকাৰখনে সংবাদ মাধ্যমত উন্নয়নৰ শ্ল'গান বন্ধকৰি ৭ দিনৰ ভিতৰত কেহেৰুখন্দাৰ অতিকৈ গুৰুত্বপূৰ্ণ উক্ত পথচোৰা নিৰ্মাণৰ ব্যৱস্থা নকৰিলে কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি আৰু সংগঠনটোৰ ভগ্নী সংগঠন নাৰী সুৰক্ষা সংগ্ৰাম সমিতিয়ে পুনৰ তীব্ৰ গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি কৃষক শ্ৰমিক নেতা প্ৰশান্ত বৈশ্যই প্ৰতিবাদস্থলীৰ পৰাই চৰকাৰক সকীয়াই দিয়ে।আজিৰ প্ৰতিবাদী কাৰ্যসূচীত প্ৰশান্ত বৈশ্যৰ লগতে সংগঠনটোৰ কাৰ্যকৰী সভাতি জাহেদ আলী, যুটীয়া সম্পাদক মাঘুৰাম স্বৰ্গীয়াৰী আৰু সংগঠনটোৰ শোণিতপুৰ জিলাৰ যুটীয়া সম্পাদক ধনকান্ত সৎনামী উপস্থিত থাকে।



## আজাৰাত ছাত্ৰ সন্ধানহীন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১১ নৱেম্বৰ ঃ** আজাৰা আৰক্ষী থানাৰ অন্তৰ্গত গড়ল বৰুৱাপাৰাৰ ধীৰু বৰুৱা (২০) নামৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ পঞ্চম ষাণ্মাসিকৰ ছাত্ৰজন যোৱা যোৱা ৭ নৱেম্বৰৰ সন্ধিয়াৰ পৰা নিৰুদ্দেশ হৈ আছে। ইতিমধ্যে পৰিয়ালৰ লোকে এইসন্দৰ্ভত আজাৰা থানাত এক গোচৰ ৰুজু কৰিছে যদিও এতিয়ালৈ ছাত্ৰজনৰ কোনো শুংসূত্ৰ লাভ কৰা নাই। জানিবপৰামতে ধীৰু বৰুৱা যোৱা ৭ নৱৰেম্বৰৰ সন্ধিয়া ঘৰৰপৰা টেন্ট হাউচৰ ডেকৰেশ্বনৰ কাম কৰিবলৈ ওলাই যোৱা বুলি কৈ যায়। নিশাৰ ভাগলৈ উভতি নহাত ধীৰুৰ লগত থকা মোবাইল ফোনটো বন্ধ থকাত ঘৰৰ মানুহে বিচাৰ খোচাৰ কৰিছে যদিও কোনো শুংসুত্ৰ পোৱা নাই।

## কলিয়াবৰত বিদ্যুৎ যোগান ব্যাহতৰ বিৰুদ্ধে মহিলাৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ১১ নৱেম্বৰ ঃ** কলিয়াবৰৰ বৈদ্যুতিক উপ-সংমণ্ডলৰ কাৰ্যালয় উত্তপ্ত কৰি তোলে এটা মহিলাৰ দলে। দীৰ্ঘদিন ধৰি কলিয়াবৰৰ এটা অঞ্চল বিদ্যুৎ বিভাগ হেমাহীৰ বাবে নিশাৰ আন্ধাৰত ডুব গৈ থাকিব লগা হৈছিল। কলিয়াবৰৰ ২ নং হাতীয়েখোৱা গাঁৱত ২২ দিন ধৰি বিকল হৈ আছে ট্ৰেঞ্চফৰ্মাৰটো। সেই বিকল ট্ৰেঞ্চফৰমাৰটোৰ পৰিৱৰ্তে নতুন ট্ৰেঞ্চফৰ্মাৰ সংস্থাপন কৰি গাঁওখনত বিদ্যুত যোগানৰ ব্যৱস্থা কৰি দিবৰ বাবে যোৱা সময়ছোৱাত অনুনয়-বিনুনয় কৰা পিছতো গা নলৰিল বিদ্যুৎ বিভাগৰ। তাৰ প্ৰতিবাদত কুঁৱৰীটোল স্থিত কলিয়াবৰ বৈদ্যুতিক উপ-সংমণ্ডলৰ কাৰ্যালয়ত আজি প্ৰতিবাদ সাব্যস্ত কৰে মহিলাৰ দলটোৱে। মহিলাসকলে বিদ্যুৎ যোগান নিয়মীয়া নোহোৱাৰ পিছতো অধিক পৰিমাণৰ বিদ্যুৎ বিল ভৰিব লগাত উত্তাল প্ৰতিবাদ সাবজ্ঞ্যস্ত কৰে। আনহাতে, সময়ে-সময়ে কাৰ্যালয়টোৰ কৰ্মচাৰীসকলে গ্ৰাহকক দুৰ্ব্যৱহাৰ কৰাৰো গুৰুত্বৰ অভিযোগ তুলিছে মহিলাৰ দলটোৱে।

## পূব গুৱাহাটী মণ্ডল বিজেপিৰ প্ৰশিক্ষণৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১১ নৱেম্বৰ ঃ** বিধানসভা নিৰ্বাচনলৈ মাত্ৰ কেই মাহমান বাকী থকা অৱস্থাত শাসকীয় দল বিজেপিয়ে সাংগঠনিক ভেটি শক্তিশালী কৰাৰ বাবেই তৃনমুল প্ৰৰ্যায়ত ইতিমধ্যে সভাসমিতি আৰম্ভ কৰিছে। ইয়াৰে অংশ হিচাপে সমগ্ৰ ৰাজ্যৰ প্ৰতিটো মণ্ডলত দুইদিনীয়াকৈ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছে। পূব গুৱাহাটী মণ্ডল বিজেপিয়ে ১১আৰু ১২ নৱেম্বৰ তাৰিখে দুইদিনীয়াকৈ চানমাৰি স্হিত পীত তীৰ্থ নাথ সভা গৃহত প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰে। ম'ল সভাপতি সঞ্জীৱ গোস্বামীৰ তত্বাৱধানত অনুষ্ঠিত হোৱা প্ৰশিক্ষণ কেন্দ্ৰত বুধবাৰে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি পূব গুৱাহাটী সমষ্টিৰ বিধায়ক তথা গুৱাহাটী উন্নয়ন মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্যই সাংগঠনিক দিশত ব্যক্তব্য প্ৰদান কৰে। লগতে মহানগৰ জিলাৰ সাধৰণ সম্পাদক তপন দাস,অসম বিত্ত নিগমৰ অধ্যক্ষ বিজয় গুপ্তা, বিজেপিৰ জেষ্ঠ্য নেতা টিকেন মেধি উপস্থিত থাকি বক্তব্য আগবঢ়ায়। আজি ৰাজ্যিক মুখপাত্ৰ হেমাংগ ঠাকুৰীয়া, পলাশ লাহন, জিলা সভাপতি মৃগেন শৰনীয়া, সাংসদ কুইন ওজা, ৰাষ্ট্ৰীয় সম্পাদক তথা প্ৰাক্তন সাংসদ ৰমেন ডেকাই বিজেপিৰ ইতিহাস, সংবাদ মাধ্যম সামাজিক মাধ্যমৰ, জনসংঘৰ পৰা বিজেপিলৈ, দলৰ নীতি-আদৰ্শ সম্পৰ্কে আটায়ে বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে জিলা বিষয়ববীয়া মণ্ডল বিষয়ববীয়া মৰ্চাসমূহৰ সদস্যসকলৰ লগতে শক্তি কেন্দ্ৰৰ আহ্বায়কসহ প্ৰায় তিনি শতাধিক সদস্য প্ৰশিক্ষণ শিবিৰত উপস্থিত থাকে।

# টংলাত অনুষ্ঠিত ফুটচাল টুৰ্ণামেণ্টৰ সামৰণি



**দৈনন্দিন বাৰ্তাৰ সেৱা, টংলা, ১১ নৱেম্বৰ ঃ** দুদিনীয়া কাৰ্যসূচীৰে টংলাৰ বৰজলাহ ষ্টেডিয়ামত অনুস্থিত হোৱা ফুটচাল টুৰ্নামেন্টৰ আজি চূড়ান্ত খেল খন অনুস্থিত হয়। আনলক্ ইউনাইটেড এফ চিৰ উদ্যোগত অনুস্থিত হোৱা ফুটচাল টুৰ্নামেন্টৰ চূড়ান্ত খেল খন ডিফেণ্ডাৰ এফ চি, ডিমাকুচি আৰু হৰিশিঙা এফ চিৰ মাজত অনুস্থিত হয়। চূড়ান্ত খেল খনত ডিফেণ্ডাৰ এফ চি, ডিমাকুচি দলটোৱে ৩-১ গলেৰে বিজয়ী হয়। বিজয়ী দলটোক ৭০০০ টকা আৰু এটা ট্ৰফী আনহাতে ৰানাৰ্চ আপ দলক ৩৫০০ টকা আৰু এটা ট্ৰফী প্ৰদান কৰে। লগতে চূড়ান্ত খেলখনৰ পৰা এজন শ্ৰেষ্ঠ খেলুৱৈ নিৰ্বাচিত কৰি এটি ধনৰ টোপোলা প্ৰদান কৰা হয় বুলি খেল আয়োজকে জানিব দিয়ে । টুৰ্নামেন্ট খন অনুস্থিত কৰাত সহায় কৰা বাণিজ্যিক প্ৰতিস্হান, প্ৰাক্তন ই এম তথা খালিংদুৱাৰ পৰিষদীয় সমষ্টিৰ বিপিএফৰ প্ৰাৰ্থী বনজাৰ দৈমাৰী, টংলা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া, টংলা অগ্নি নিৰ্বাপক বিষয়া আৰু স্থানীয় ৰাইজক আয়োজক সমিতিয়ে ধন্যবাদ জ্ঞাপন কৰে।

## দীপাৱলী-ষট্ পূজাক লৈ নগাঁও প্ৰশাসনৰ নিষেধাজ্ঞা

**১৪৪ ধাৰা জাৰি**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১১ নৱেম্বৰ ঃ** ক' ভিড-১৯ ৰ সংক্ৰমণৰ আশংকা আৰু ৰাজহুৱা শান্তি- সম্প্ৰীতি অটুট ৰখাৰ স্বাৰ্থত আগন্তুক কালী পূজা, দীপাৱলী আৰু ষট্ পূজা উদ্‌যাপনৰ ক্ষেত্ৰত নগাঁও জিলাৰ জিলা দণ্ডাধীশ কবিথা পদ্মনাভণে ফৌজদাৰী কাৰ্য্যবিধিৰ অধীনত সমগ্ৰ জিলাখনতে ১৪৪ ধাৰা জাৰি কৰি কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰে। এই অনুসৰি পেট্ৰল পাম্প, এল, পি, জি, মজুত ৰখা এলেকা, পাৱাৰ হাউচ আদিৰ ১০০ মিটাৰ ব্যাসাৰ্ধ পৰ্যন্ত কোনোধৰণৰ আতচবাজি ব্যৱহাৰৰ কৰিব নোৱাৰিব। আনহাতে পথ, পদ-পথ আদিত আতচবাজি বিক্ৰী আৰু ফুটুৱাৰ লগতে যি কোনোধৰণৰ ৰকেট জাতীয় আতচবাজি ফুটুৱা আৰু বিক্ৰীত নিষেধাজ্ঞা আৰোপ কৰা হয়। ইয়াৰ উপৰি আগন্তুক দীপাৱলীৰ সময়ত সন্ধিয়া ৮ বজাৰ পৰা নিশা ১০ বজালৈহে সেউজ আতচবাজিহে ব্যৱহাৰৰ কৰিব পাৰিব। ইপিনে ষট পূজাৰ দিনা পুৱা ৬ বজাৰ পৰা পুৱা ৮ বজালৈ আৰু খ্ৰীষ্টমাচ আৰু নিউ ইয়েৰ ইভত ৰাতি ১১.৫৫ বজাৰ পৰা পুৱা ১২.৩০বজালৈহে সেউজ আতচবাজি ব্যৱহাৰ কৰিব পাৰিব। এই নিষেধাজ্ঞা তৎকালে সমগ্ৰ জিলাখনত বলবৎ কৰা হৈছে আৰু আইন ভংগকাৰী সকলৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জিলা জনসংযোগ বিষয়াই এক বিবৃতিযোগে জানিবলৈ দিয়ে।

## নগাঁৱৰ বিশিষ্ট সমাজকৰ্মী প্ৰসন্ন লাল খাটনীয়াৰৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১১ নৱেম্বৰ ঃ** নগাঁও চহৰৰ পানীগাঁও ৰত্নপুৰ নিবাসী গ্ৰামোন্নয়ন বিভাগৰ অৱসৰপ্ৰাপ্ত অভিযন্তা তথা বিশিষ্ট সমাজকৰ্মী প্ৰসন্ন কুমাৰ খাটনীয়া (৬১)ৰ কালি নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি ঘটে। জিলাখনৰ জুৰীয়াত জন্ম গ্ৰহণ কৰা খাটনীয়াৰ বিগত এবছৰ ধৰি কিডনী ৰোগত আক্ৰান্ত হৈ চিকিৎসা সেৱা গ্ৰহণ কৰি থকা অৱস্থাতে যোৱা ১০ নৱেম্বৰৰ পুৱা নিজগৃহতে উচ্চ ৰক্তচাপ জনিত ৰোগত আক্ৰান্ত হয়। ততাতৈয়াকৈ নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰা হয় যদিও তেখেতৰ উন্নত চিকিৎসা প্ৰদানৰ বাবে চিকিৎসকে দিয়া পৰামৰ্শ অনুসৰি ততাতৈয়াকৈ গুৱাহাটীলৈ স্থানান্তৰিত কৰা হয়। কিন্তু অৱশেষত কালি নিশা তেওঁ মৃত্যুৰ ওচৰত হাৰ মানিবলৈ বাধ্য হয়। আজি পুৱা প্ৰসন্ন কুমাৰ খাটনীয়াৰৰ মৃতদেহ গুৱাহাটীৰ পৰা ৰত্নপুৰৰ নিজা বাসগৃহত অনাৰ পাছতে এক শোকাকুল অৱস্থাৰ সৃষ্টি হয় আৰু ইয়াতে অসংখ্য গুণমুগ্ধই তেখেতৰ প্ৰতি অন্তিম শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰে। পাছত আমোলাপট্টি সৰ্বজনীন শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত খাটনীয়াৰে পত্নী, এগৰাকী কন্যা আৰু আত্মীয় স্ব-জনক ইহসংসাৰত এৰি থৈ যায়। তেখেতৰ মৃত্যুৰ বাতৰি বিয়পি পৰাত সমগ্ৰ চহৰখনত শোকৰ ছাঁ পৰে।

## তামুলপুৰত সদৌ বিটিচি ব্ৰাহ্মণ যুৱ পৰিষদৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ সামৰণি



**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১১ নৱেম্বৰ ঃ** বাক্সা জিলা ব্ৰাহ্মণ যুৱ পৰিষদৰ উদ্যোগত আৰু শশীপুৰ আঞ্চলিক যুৱ পৰিষদৰ সহযোগত তামুলপুৰ আঞ্চলিক দুৰ্গা মন্দিৰ প্ৰাংগণত আজি এদিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত হয় সদৌ বিটিচি ব্ৰাহ্মণ যুৱ পৰিষদৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস। আজি পুৱা ৭ বজাৰ পৰা ক্ৰমে পতাকা উত্তোলন, বৃক্ষ ৰোপণ, শ্বহীদ তৰ্পণ, মহা যজ্ঞ আৰু ১২ বজাত সাংগঠনিক সভা অনুষ্ঠিত হয়। দুপৰীয়া ১ বজাত সদৌ বিটিচি ব্ৰাহ্মণ যুৱ পৰিষদৰ উপ সভাপতি কোকিল ভাগৱতীয়ে সভাপতিত্ব কৰা মুকলি সভাৰ উদ্দেশ্য বাখ্যা কৰে বিটিচি কেন্দ্ৰীয় সমিতিৰ সম্পাদক দীপেন শৰ্মাই। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে ব্ৰাহ্মণ যুৱ কেন্দ্ৰীয় পৰিষদৰ সভাপতি তীৰ্থ ৰঞ্জন গোস্বামী আৰু ৫নং কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ নৱ কুমাৰ শৰণীয়া । সভাত উপস্থিত থাকি সাংসদ গৰাকীয়ে অসমীয়া ভাষী ব্ৰাহ্মণ সমাজে উদ্যোগলৈ আমাৰ বাঙালী, নেপালী আদি বিভিন্ন জাতি জনগোষ্ঠীৰ ব্ৰাহ্মণ সমাজক একত্ৰিত কৰাৰ বাবে সদৌ বিটিচি ব্ৰাহ্মণ যুৱ পৰিষদে যি প্ৰচেষ্টা হাতত লৈছে তাক তেওঁ ভূয়সী প্ৰশংসা কৰে। তেওঁ কয় অসমৰ সমাজ জীৱনত বা জাতীয় জীৱনত ব্ৰাহ্মণ সকলৰ যি যোগাত্মক ভূমিকা সেয়া সকলৰে জ্ঞাত। বিটিচি বা বিটিআৰৰ পৰা ইয়াক সমগ্ৰ অসমতে সম্প্ৰসাৰণ কৰিব পাৰিলে ই অতিকে ভাল কথা হ'ব বুলি তেওঁ দোহাৰে। সাংসদ গৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে যে তেওঁৰ ৰাজনৈতিক উত্থানত এইসকল লোকৰ অৱদান কম নহয় সেয়ে এওঁলোকৰ প্ৰতি আমাৰ কৰণীয় আৰু দায়িত্ব বোধ আছে। বিটিচি পৰিষদীয় নিৰ্বাচনত গণ সুৰক্ষা পাৰ্টী জয়ী হলে এই সকল লাঞ্চিত,বঞ্চিত জাতি- জনগোষ্ঠী সমূহৰ উন্নয়নৰ বাবে একোখন উন্নয়ন পৰিষদ গঠন কৰাৰ চিন্তা কৰা হৈছে বুলি তেওঁ দোহাৰে। বিটিচি ব্ৰাহ্মণ যুৱ পৰিষদৰ মুখ্য সাংগঠনিক সম্পাদক কৌস্তুভমনি শৰ্মাও উপস্থিত থকা সভাত বহুসংখ্যক পুৰুষ মহিলাও উপস্থিত থাকে।

# আন্তঃৰাষ্ট্ৰীয় খ্যাতিৰে অসমলৈ গৌৰৱ কঢ়িয়ালে সীমা বৰাই



**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ১১ নৱেম্বৰ ঃ** মনৰ একান্ত ইচ্ছা শক্তিৰে সফলতাৰ ধ্বজা উৰুৱাই সমাজত প্ৰতিষ্ঠা লাভ কৰা এগৰাকী অসমীয়া নাৰী হৈছে সীমা বৰা। যোৱা ইং ৭ নবেম্বৰ তাৰিখে ইন্টাৰনেছনেলৰ পীচ্ ইউনিভাৰ্চিটিৰ পৰা সমাজবিদ্যাত ডক্টৰেট ডিগ্ৰী লাভ কৰাৰ লগতে International UNICEF Council (IUC) তামিলনাডুৰ পৰা International Excellence Women Award 2020 প্ৰদান কৰে। অসমৰ বিভিন্ন ঠাইত মটিভেচনেল আৰু লাইফ স্কিল অনুষ্ঠান, ৱৰ্কশ্বপ আদিৰ প্ৰশিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি অহা সীমা বৰাই হৈছে অসমৰ প্ৰথমগৰাকী UNICEFৰ বটাঁ প্ৰাপক। গুৱাহাটী চানমাৰিস্থিত আৰোহণ ইনষ্টিটিশ্বনৰ সঞ্চালক সীমা বৰাই মহিলা সকলক স্বাৱলম্বী কৰাৰ কৰাৰ লগতে নিবনুৱা সমস্যা সমাধান কৰি শান্তি আৰু সামাজিক প্ৰগতিৰ স্বাৰ্থত অহৰহ কাম কৰি অহাৰ লগতে লকডাউনৰ সময়ছোৱাত প্ৰায় এহেজাৰটা পৰিয়ালক আৰ্থিক ভাৱে সহায়-সহযোগিতা আগবঢ়াইছিল। নগাঁও জিলাৰ হয়বৰ গাঁৱৰ পিতৃ ৰামদেৱ শৰ্মা আৰু মাতৃ কল্পনা দেবীৰ ঔৰসত ১৯৮৭ চনৰ ২৩ ডিচেম্বৰ তাৰিখে জন্মগ্ৰহণ কৰা সীমা বৰাই হয়বৰ গাঁৱৰ ঐতিহ্যমণ্ডিত মন্টেছৰী প্ৰাথমিক বিদ্যালয়ৰ পৰা আদি শিক্ষা গ্ৰহণ কৰে। সফল শিক্ষাবিদ পিতৃ ৰামদেৱ শৰ্মাৰ একমাত্ৰ জীয়ৰী সীমা বৰাই দেউতাকৰ প্ৰেৰণাত উদ্বুদ্ধ হৈ সৰুৰে পৰাই সাহিত্য চৰ্চা কৰাৰ লগতে শৈক্ষিক ক্ষেত্ৰত কাম কৰাৰ হেঁপাহ মনত সাঁচি ৰাখিছিল। নগাঁও আমোলাপট্টি ছোৱালী হাইস্কুলত পঢ়ি থাকোতেই সীমাৰ চুটিগল্প, কবিতা অসমৰ আগশাৰীৰ কাকত আলোচনীত প্ৰকাশিত হৈছিল। হাইস্কুল শিক্ষান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা সীমাই পৰৱৰ্তী সময়ত নগাঁও ছোৱালী মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক আৰু স্নাতক ডিগ্ৰী লাভ কৰে। মহাবিদ্যালয়ত পঢ়ি থকা কালছোৱাতেই সৃষ্টিশীল মনটো জাগ্ৰত কৰি সামাজিক ক্ষেত্ৰত বিশেষভাৱে মহিলা সবলীকৰণ, অন্ধবিশ্বাস, কুসংস্কাৰ দূৰীকৰণৰ বাবে পিতৃ-মাতৃৰ সহযোগত নানা কাৰ্যসুচী গ্ৰহণ কৰিছিল। পৰৱৰ্তী সময়ত কটন কলেজৰ পৰা অসমীয়া বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ সমান্তৰালকৈ হিন্দী বিষয়টো স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। বতৰ্মান সময়ৰ উদ্যমী মহিলা সীমা বৰাই নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে নিৰলস কৰ্ম সাধনাৰে সাহিত্য আৰু সামাজিক ক্ষেত্ৰৰ স্বীকৃতি স্বৰূপে আন্তঃৰাষ্ট্ৰীয় সন্মান অৰ্জনেৰে অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। সীমা বৰাই সাহিত্যৰ পথাৰত তেওঁৰ সৃজনী প্ৰতিভাৰ জৰিয়তে এই লক ডাউনৰ সময়চোৱাত 'ভগ্ন হৃদয়ৰ উচুপনি', 'পৃথিৱীৰ চকুলো', নামেৰে দুখন উপন্যাস আৰু 'বাহীৰ সুৰত ৰাধাই নাচে' শীৰ্ষক নামেৰে এখন কাব্য সংকলন প্ৰকাশ কৰিছে। ৰাজহুৱা জীৱনৰ এজন সক্ৰিয় ব্যক্তি হোৱাৰ উপৰিও শৈক্ষিক, সাহিত্য-সংস্কৃতিৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে সংঘবদ্ধ হৈ বৰঙনি আগবঢ়োৱাৰ বাবে বিন্দু আলোচনীৰ তৰফৰ পৰা সেৱাশ্ৰী সন্মান, অসম ৰাজ্যিক আচাৰ্য কুলৰ পৰা,কৃতি শিক্ষয়িত্ৰী বঁটা, ড° ভূপেন হাজৰিকা বৰলুইত বঁটা, মহাত্মা গান্ধী ৰাষ্ট্ৰীয় বঁটা, ড° বি আৰ আম্বেদকাৰ ৰাষ্ট্ৰীয় বঁটা,নৰ্থ ইষ্ট প্ৰাইড বঁটা, প্ৰতিমা পাণ্ডে বৰুৱা বঁটা, গণশিল্পী বঁটা, জয়ন্ত হাজৰিকা সোঁৱৰণী বঁটা,সংবাদ প্ৰহৰী ২০২০ বঁটা কিংমেকাৰ লিডাৰ চিপ বঁটা, Excellence award by national human rights and grievence commision, আদৰ্শ নাৰী বঁটা, প্ৰতিষ্ঠিত সমাজসেৱক আৰু শিক্ষা বিদৰ সন্মান, আৰোহণ excellence বঁটা আদি লাভ কৰে।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি